● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জয়ী হোৱাৰ ইচ্ছা চাবিকাঠি নহয়, সেয়া সকলোৰে থাকে। জয়ী হোৱাৰ প্ৰস্তুতি চলোৱাৰ ইচ্ছাহে গুৰুত্বপূৰ্ণ কথা।

ববি নাইট
*আমেৰিকাৰ বাস্কেটবল প্ৰশিক্ষক*

www.dainikagradoot.in

৭ সন্ত্ৰাসবাদীত পৰিণত হ'ল পুটিন ঃ জেলেন'স্কি
১৫ কমনৱেলথ গেমছৰ লনবল দলত অসমৰ চাৰি খেলুৱৈ
৪ অসমৰ সমাজ জীৱন আৰু অসম বিধানসভা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬০তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৫ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৩০ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 30 June 2022 মূল্য ঃ ৯.০০ টকা

■ মহাৰাষ্ট্ৰ বিধানসভাত আস্থাভোটৰ নিৰ্দেশ ■ ন্যায়ালয়ত আবেদন নাকচৰ পাছত ফেচবুক লাইভেৰে মুখ্যমন্ত্ৰিত্ব ত্যাগ উদ্ধৱৰ ■ কামাখ্যাত পূজা কৰি গুৱাহাটী এৰিলে শিণ্ডে বাহিনীয়ে

# আস্থাভোটৰ পূৰ্বেই ছত্ৰভংগ থাকৰেৰ



*বোকাময় পথৰ বাবে আহ-যাহত গভীৰ সমস্যাৰ সন্মুখীন শিশু ছাত্ৰ-ছাত্ৰীৰ, উত্তৰ গুৱাহাটীত বুধবাৰে।*

এইবাৰ গোৱাত বাহৰ পাতিছে মহাৰাষ্ট্ৰ চৰকাৰৰ বিদ্ৰোহীয়ে ■ বিতৰ্ক-বাদানুবাদ অব্যাহত

■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ
**মুম্বাই/গুৱাহাটী, ২৯ জুন ঃ** বিগত ১০ দিনে মহাৰাষ্ট্ৰৰ ৰাজনীতিত বিৰাজ কৰি থকা 'ৰাজনৈতিক নাটক'-এ যোৱা নিশাৰ পৰা লাভ কৰা নতুন গতিৰ ফলত আজি সন্ধিয়া মুখ্যমন্ত্ৰী পদৰ পৰা ফেচবুক লাইভযোগে পদত্যাগ কৰে উদ্ধৱ থাকৰেই। ইয়াৰ লগে লগে পতন ঘটিল মাত্ৰ ৩১ মাহ অতিক্ৰম কৰা শিৱসেনা-এনচিপি আৰু কংগ্ৰেছ মিত্ৰজোঁটৰ চৰকাৰৰ। মহাবিকাশ আঘাড়ী নামেৰে পৰিচিত এই চৰকাৰৰ ভৱিষ্যৎ কাইলৈ সন্ধিয়া পাঁচ বজাৰ পূৰ্বে মহাৰাষ্ট্ৰ ১০ পৃষ্ঠাত চাওক



■ ৩০ জুলাইৰ ভিতৰত বানাক্ৰান্তই ক্ষতিপূৰণ লাভ কৰিব ঃ মুখ্যমন্ত্ৰী ■ এদিনতে বানত মৃত্যু ১২জনৰ ■ মৃতকৰ সংখ্যা এই পৰ্যন্ত ১৩৪জন ■ কে'বাখনো জিলাৰ পৰিস্থিতি উদ্বেগজনক

## ৰাজ্যত মথাউৰি ছিগি ন ন অঞ্চল প্লাবিত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৯ জুন ঃ** ৰাজ্যত আৰম্ভ হোৱা বানৰ তৃতীয় লহৰত আজি এদিনতে বিভিন্ন জিলাত ১২ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে ধৰি চলিত বৰ্ষৰ বানত এই পৰ্যন্ত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৩৪ জনলৈ বৃদ্ধি পালে। আজি কাছাৰ আৰু চিৰাঙত দুজনকৈ লোকৰ বাঢ়নী পানীত পৰি মৃত্যু হয়। এজনকৈ লোকৰ মৃত্যু



হয় বৰপেটা, বিশ্বনাথ, দৰং, ধেমাজি, গোলাঘাট, কামৰূপ মহানগৰ, লখিমপুৰ আৰু নগাঁৱত। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ২৬ খন জিলা সম্প্ৰতি বানৰ কবলত আছে। সেইকেইখন হ'ল বজালী, বৰপেটা, বিশ্বনাথ, কাছাৰ, চিৰাং, দৰং, ধেমাজি, ধুবুৰী, ডিব্ৰুগড়, ডিমা হাছাও, গোৱালপাৰা, গোলাঘাট, ১০ পৃষ্ঠাত চাওক

## ৬৩ হেজাৰ পিএচিএছক ডিজিটেল ব্যৱস্থালৈ অনাৰ সিদ্ধান্ত কেন্দ্ৰৰ

প্ৰধানমন্ত্ৰীক প্ৰশংসা গৃহমন্ত্ৰী অমিত শ্বাহৰ




■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৯ জুন ঃ** কেন্দ্ৰীয় কেবিনেটে আজি এক সিদ্ধান্তৰ জৰিয়তে দেশৰ কমেও ৬৩ হেজাৰ প্ৰাথমিক কৃষি ক্ৰেডিট সমিতি ১০ পৃষ্ঠাত চাওক

## মহানগৰীত পুনৰ দুই স্থানত ভূমিস্খলন, এজনৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৯ জুন ঃ** কিনকিনীয়া বৰষুণৰ মাজতে আজি ৰাজধানী মহানগৰীৰ নুনমাটি আৰক্ষী থানাৰ অন্তৰ্গত ভৰানীপুৰত পুৱা সংঘটিত এক ভূমিস্খলনৰ ঘটনাত এজন লোকে কৰুণ মৃত্যুক সাৱটি লয়। মৃত লোকজন ১০ পৃষ্ঠাত চাওক

## ৰাজ্যৰ বানাক্ৰান্তক দিল্লী-দিছপুৰ চৰকাৰৰ উপহাস

কামৰ বিপৰীতে প্ৰচাৰমুখী ৰাজনীতিত ব্যস্ত মুখ্যমন্ত্ৰী ঃ ভূঞা



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৯ জুন ঃ** বানৰ নামত ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ চৰকাৰে অসমৰ ৰাইজক চৰম উপহাস কৰা ১০ পৃষ্ঠাত চাওক

■ আইছিছৰ বহু ভিডিঅ' চাইছিল ধৃতই ■ ম'বাইলত পাকিস্তানৰ একাধিক নম্বৰ ■ কৰাচীত দাৱাত-ই-ইছলামীৰ কাৰ্যালয়লৈ গৈছিল


## উদয়পুৰৰ দৰ্জীৰ হত্যাকাৰীৰ স'তে পাকিস্তানৰ সন্ত্ৰাসবাদীৰ যোগসূত্ৰ উদ্ধাৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৯ জুন ঃ** দেশজুৰি জোঁকাৰণি তোলা উদয়পুৰৰ এজন দৰ্জী কানহাইয়া লালৰ লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাক সন্ত্ৰাসবাদী কাৰ্য বুলি অভিহিত কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। ইতিমধ্যে এই গোচৰটো ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (এনআইএ)ক তদন্তৰ বাবে অৰ্পণ কৰা হৈছে। ৪৮ বছৰীয়া দৰ্জী কানহাইয়া লালক গৌছ মহম্মদ আৰু মহম্মদ ৰিয়াজ আখতাৰীয়ে শিৰশ্চেদ কৰি বৰ্বৰভাৱে কৰা হত্যাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযুক্তদ্বয়ে গ্ৰাহকৰূপে উদয়পুৰৰ ব্যস্ততম বজাৰত থকা কানহাইয়াৰ দোকানত প্ৰৱেশ কৰে। দৰ্জীজনে গ্ৰাহকৰূপী অভিযুক্ত এজনৰ জোখ-মাখ কৰি থকাৰ দৃশ্য ১০ পৃষ্ঠাত চাওক

**হিংসাত্মক প্ৰতিবাদ ঃ উদয়পুৰৰ ঠায়ে ঠায়ে সান্ধ্য আইন**

■ ১২ ঘণ্টাৰ পাছত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে পুনৰ যাতায়াত আৰম্ভ ■ বান পৰিস্থিতি সামান্য প্ৰশমিত যদিও বিপদ আঁতৰা নাই

## গহপুৰত গৃহবন্দী বহু দুৰ্গত ঃ ঘৰৰ পদূলিতে শিল্পীৰ উপঙা মৃতদেহ উদ্ধাৰ




অগ্ৰদূত বাৰ্তা
**গহপুৰ, ২৯ জুন ঃ** গহপুৰ নগৰৰ ভয়ংকৰ জলপ্ৰলয়ত সলিল সমাধি ঘটিল এজন যুৱকৰ। মহকুমাটোৰ হেলেম ৰাজহ চক্ৰ কাৰ্যালয়ৰ কম্পিউটাৰ ডাটা এণ্ট্ৰী অপাৰেটৰ (অস্থায়ী) তথা শিল্পী ভাৰ্গৱ হাজৰিকা (৪৫)ৰ যোৱা নিশা সলিল সমাধি ঘটে। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, কালি সন্ধিয়া কাৰ্যালয়ৰ পৰা উভতি অহাৰ পাছত জলমগ্ন হৈ থকা ঘৰৰ পৰা ভাৰ্গৱে বাহিৰলৈ ওলাই গৈছিল। নিশা ১০ বজাত পৰিয়ালৰ লোকে ফোনত যোগাযোগ কৰাত তেওঁ ১০ পৃষ্ঠাত চাওক



## উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল কাৰৈমাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া

বিনা দোষত নিৰ্যাতন চলোৱাৰো অভিযোগ



বিশেষ সংবাদদাতা
**নগাঁও, ২৯ জুন ঃ** এজনৰ পাছত আনজন আৰক্ষী বিষয়া গ্ৰেপ্তাৰ হৈছে নগাঁৱত। নিলম্বিত আৰক্ষী উপ-পৰিদৰ্শক জোনমণি ৰাভা এমাহ পূৰ্বে নগাঁৱত কৰ্মৰত হৈ থকা অৱস্থাত গ্ৰেপ্তাৰ হোৱাৰ পাছত এইবাৰ নগাঁও ১০ পৃষ্ঠাত চাওক

দুগৰ্তিৰ পৰা মুক্তি পোৱা নাই নগাঁৱৰ বন্যাৰ্তই

## ৰহাৰ শিবিৰত তিনিদিনে শিশু খাদ্যৰ যোগান বন্ধ

বিশেষ সংবাদদাতা
**নগাঁও, ২৯ জুন ঃ** নগাঁও জিলাৰ কামপুৰত কপিলী নৈ আৰু ৰহাৰ লগতে নগাঁও সদৰ ৰাজহ চক্ৰত কলং নৈৰ জলস্তৰ সামান্য হ্ৰাস পাইছে যদিও পাঁচ লক্ষাধিক বন্যাৰ্তই দুৰ্গতিৰ পৰা মুক্তি পোৱা নাই। নদীৰ বাঢ়নী পানীয়ে তচনচ কৰি থৈ যোৱা আপোন ঘৰখনৰ ওচৰেই চাপিব পৰা নাই বান দুৰ্গত ৰাইজে। জিলাখনৰ কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৩২৫খন ৰাজহ গাঁৱৰ ৫,১৯,৩৮৪জন লোক বানাক্ৰান্ত হৈছে আছে। দুৰ্যোগ প্ৰশমন বিভাগে আজি বিয়লি প্ৰকাশ কৰা তথ্য অনুসৰি, আজিৰ দিনটোতো বানত জিলাখনৰ ৩২৫খন ৰাজহ গাঁৱৰ ৫,১৯,৩৭৪জন ১০ পৃষ্ঠাত চাওক

## পুনৰ স্থগিত স্বাস্থ্য বিভাগৰ পৰীক্ষা, ঘোষণা হ'ব নতুন সূচী

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৯ জুন ঃ** ৰাজ্যৰ চলিত বান পৰিস্থিতিৰ বাবে দ্বিতীয়বাৰলৈ স্থগিত ঘোষণা হ'ল স্বাস্থ্য বিভাগৰ চতুৰ্থবৰ্গৰ বিভিন্ন পদৰ লিখিত পৰীক্ষা। প্ৰথমতে যোৱা ২৫ জুনত পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আঠ পৃষ্ঠাত চাওক

বৰ্ষাপাৰা ষ্টেডিয়ামত ব্যায়ামাগাৰ-অভ্যৰ্থনা কক্ষ উদ্বোধন মুখ্যমন্ত্ৰীৰ


## চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াত খেলুৱৈৰ পদ সংৰক্ষিত হ'ব



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৯ জুন ঃ** ক্ৰিকেটৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত অসম দ্ৰুতগতিত আগবাঢ়িছে আৰু আজি উমৰাংছ'ৰ দৰে অঞ্চলতো অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম গঢ়ি উঠিছে, যিয়ে ১০ পৃষ্ঠাত চাওক

## ঋণৰ বোজা সহিব নোৱাৰি আত্মহত্যা দম্পতীৰ


বিশেষ সংবাদদাতা
**পাঠশালা, ২৯ জুন ঃ** বজালী জিলাৰ কঠালমুৰীত আজি সন্ধিয়া এক দম্পতীয়ে আত্মহত্যা কৰা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উক্ত দম্পতীয়ে সন্ধিয়া নিজগৃহৰ ৰান্ধনীশালত চিপ লৈ আত্মহত্যা কৰে। আত্মহত্যা কৰা উক্ত দম্পতী হৈছে বাঘমাৰা আৰক্ষী চকীৰ অন্তৰ্গত কঠালমুৰীৰ নিবাসী দিলীপ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৫° |
| ডিব্ৰুগড় | ২৬° | ২৪° |
| দিল্লী | ৩৮° | ৩২° |
| কলকাতা | ৩৫° | ২৮° |
| মুম্বাই | ২৯° | ২৭° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৯° |

২৯ জুন, ২০২২

**চেঙা তেল**



*চৌদিশে হাহাকাৰ! বানৰ হাহাকাৰ...অগ্নিপথ আছেই... ইয়াত আকৌ ছিক্সটি-ফৰ্টিৰহে হাহাকাৰ!*

## ভূটানৰ কুৰিশ্বুৰ পানীয়ে পুনৰ বানৰ সৃষ্টি কৰিলে ভৱানীপুৰত

বিশেষ সংবাদদাতা
**পাঠশালা, ২৯ জুন ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিস্তীৰ্ণ অঞ্চলত বিগত দুটা সপ্তাহ ধৰি প্ৰলয়ংকৰী বানে ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। পহুমৰা, পল্লা, ৰূপহী নদীয়ে ভৱানীপুৰ বিধানসভা সমষ্টিৰ ভিন্ন প্ৰান্তত চলি আছে বানৰ তাণ্ডৱ। পহুমৰা নদীৰ মথাউৰি মেধিকুছি আৰু চাৰালপাৰা-নয়াপাৰাত ছিগি ভয়ংকৰ বানৰ আঠ পৃষ্ঠাত চাওক

■ বানাক্ৰান্তসকলে কোনো অভাৱ অনুভৱ কৰা নাই ঃ অতুল বৰা

## বানাক্ৰান্ত অঞ্চল ভ্ৰমণ কৰি সমূহীয়া কঠিয়াতলিৰ ব্যৱস্থাৰ নিৰ্দেশ কৃষিমন্ত্ৰীৰ



বিশেষ সংবাদদাতা
**নগাঁও, ২৯ জুন ঃ** নগাঁও জিলাৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ কালিৰে পৰা জিলাখনত বাহৰ পাতি থকা ৰাজ্যৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই বানপীড়িত কৃষকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি শীঘ্ৰেই নগাঁও জিলা কৃষি বিভাগক সমূহীয়া কঠিয়াতলিৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। ইতিমধ্যে কৃষিমন্ত্ৰীৰ নিৰ্দেশনাৰ পাছতে জিলা কৃষি বিভাগে প্ৰাৰম্ভিক পৰ্যায়ত প্ৰায় ৯০ হেক্টৰ ভূমিত কঠীয়া সিঁচাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা বুলিও জানিব পৰা গৈছে। আজি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত বৰকলা, বৰপাঠৰী, দেওধৰ, হাঁহিলা, খাগৰিয়াল, ১০ পৃষ্ঠাত চাওক

■ পুনৰ বন্ধ হ'ল মাজুলী-নিমাতী ফেৰী সেৱা ■ পাৰঘাটত নজীৰবিহীন পৰিৱেশৰ সৃষ্টি

## দ্ৰুতগতিত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ



অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ২৯ জুন ঃ** বাৰে বাৰে মাজুলী-যোৰহাট সংযোগী ফেৰী সেৱা বন্ধ কৰি যাত্ৰীক বিপদত পেলাইছে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে। পাৰঘাটৰ ইতিহাসত এনে নজীৰ বিহীন পৰিৱেশৰ সূচনা হৈছে আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ দ্বাৰা পৰিচালিত হোৱাৰ পাছৰে পৰা নিমাতী-মাজুলী পাৰঘাটসমূহত। বিভাগটোৰ দায়িত্বহীন কাণ্ডৰ বাবে আজিও জিলা দুখনৰ বহু যাত্ৰীৰ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। কোনো ধৰণৰ আগতীয়া ঘোষণা অবিহনেই আজিৰে পৰা পুনৰ বন্ধ কৰি দিয়া হয় নিমাতী-কমলাবাৰী ফেৰী সেৱা। যাৰ ফলত অসংখ্য কৰ্মচাৰীয়ে কৰ্মস্থলীত উপস্থিত হোৱাৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। উল্লেখ্য যে কালি সন্ধিয়া ১০ পৃষ্ঠাত চাওক

**ADMISSION NOTICE 2022-23**
**FOR 3-Yr DEGREE COURSES**
NERIM Estd. 1992

Admission opens at NERIM GROUP OF INSTITUTIONS for the following degree courses. Admissions shall be made strictly on the basis of merit and subject to the fulfilment of the eligibility criteria prescribed by the affiliating University. Candidates who have passed 10+2 in any stream i.e. Science or Arts or Commerce securing the minimum marks as prescribed by the University may apply through online mode www.nerimindia.org or may contact directly admission counsellor 9954190758, 9954051419, 9864750000 during office hours.

| | |
|---|---|
| BBA | Candidates securing 50% marks in 10+2 either in Science or Arts or Commerce stream (45% for SC/ST candidates) are eligible for admission. |
| BCA | Candidates to be eligible for admission into BCA (3 year) course must have Mathematics as one of the subjects in 10+2 either in Science or Arts or Commerce. Minimum 45% marks (40% for SC/ST/OBC candidates) |
| BA LLB(H) | Candidates securing 45% marks in 10+2 either in Science or Arts or Commerce stream (40% for SC/ST/OBC candidates) are eligible for admission into BA LLB(H) (5 year integrated) course. |
| BSW | Candidates securing 45% marks in 10+2 either in Science or Arts or Commerce stream (40% for SC/ST/OBC candidates) are eligible for admission into BSW (3 year) course. |
| B.Com(H) (CBCS Mode) | Candidates securing 45% marks in 10+2 either in Science or Arts or Commerce stream (40% for SC/ST/OBC candidates) are eligible for admission into B.Com(H) (3 year) course. |

B.Sc., B.Com. & BA programmes are available at Mangaldoi Campus. Inspiring candidates may contact Dr. Kedrolin Kharkrang, Principal, Mangaldoi Campus. Call: 60031-65624, 98642-10715. Website:nerimnca.org. E-mail:nerimacademy@gmail.com

Prof. (Dr) Sangeeta Tripathi, Director, NERIM
Padma Nath Sarmah Bhawan, Jayanagar, Khanapara, Guwahati-781022
nerimindia@gmail.com

অসম চৰকাৰ

GOVERNMENT OF ASSAM

**Apply for notified public services under Assam Right to Public Services Act online at www.rtps.assam.gov.in or by visiting your nearest Public Facilitation Centre**

# District-wise list of PFC locations

SEWA SETU

## BAKSA
[illegible]

## BARPETA
[illegible]

## BISWANATH
[illegible]

## BONGAIGAON
[illegible]

## CACHAR
[illegible]

## CHARAIDEO
[illegible]

## CHIRANG
[illegible]

## DARRANG
[illegible]

## DHEMAJI
[illegible]

## DHUBRI
[illegible]

## DIBRUGARH
[illegible]

## DIMA HASAO
[illegible]

## GOALPARA
[illegible]

## GOLAGHAT
[illegible]

## HAILAKANDI
[illegible]

## HOJAI
[illegible]

## JORHAT
[illegible]

## KAMRUP METRO
[illegible]

## KAMRUP
[illegible]

## KARBI ANGLONG
[illegible]

## KARIMGANJ
[illegible]

## KOKRAJHAR
[illegible]

## LAKHIMPUR
[illegible]

## MAJULI
[illegible]

## MORIGAON
[illegible]

## NAGAON
[illegible]

## NALBARI
[illegible]

## SIBSAGAR
[illegible]

## SONITPUR
[illegible]

## SOUTH SALMARA-MANKACHAR
[illegible]

## TINSUKIA
[illegible]

## UDALGURI
[illegible]

## WEST KARBI ANGLONG
[illegible]

### SOME OF THE SERVICES WHICH YOU CAN APPLY BY VISITING THE PUBLIC FACILITATION CENTRES:

- Certified Copy of Jamabandi
- Marriage Registration
- Office Mutation
- Migration Certificate by SEBA/ AHSEC
- Non Creamy Layer Certificate
- Scheduled Caste Certificate
- Driving License
- Learner License
- Duplicate Driving License
- Duplicate Registration Certificate for Transport/ Non-transport Vehicle
- Ownership Transfer for Non-Transport/ Transport Vehicle
- Registration of Vessels and Boats
- Registration in Employment Exchange
- Next of Kin Certificate
- Senior Citizen Certificate

...and many more

KNOW. APPLY. AVAIL.



FOR MORE INFORMATION/ ASSISTANCE

Call ARTPS Helpline

1800-345-3574

FOLLOW US ON

Assam State Citizen Service Delivery Project | ACCSDP ARIAS Society | @accsdp_assam

Issued in public interest by:


Administrative Reforms, Training, Pension and Public Grievances Department, Government of Assam under the World Bank-financed Assam Citizen-Centric Service Delivery Project (ACCSDP), ARIAS Society

দৈনিক অগ্ৰদূত
৩০ জুন বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫



## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!



**বিশ্বজিৎ বৰুৱা**

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰখনলৈ কে'বাবাৰো সংকট আহিছিল। পাৰ হৈ যোৱা পাঁচোটা দশকত বৰভূঁইকঁপ, প্ৰবল বানপানী, ব্ৰহ্মপুত্ৰৰ ভয়াৰহ খহনীয়া ইত্যাদি বিভিন্ন সংকটৰ মোকাবিলা কৰি অহা ডিব্ৰুগড়বাসী সংকটৰ সন্মুখীন হ'লেই নাম ল'বলগীয়া হয় ডিব্ৰুগড় নাগৰিক সংঘৰ। টোপনিত থকা নাগৰিকেও সংকট অহাৰ শৰদত সাৰ পাই চিঞৰি উঠে ঃ নাগৰিক সংঘ ক'ত? ইয়াৰ কাৰণটোৱেই যে সময়ে সময়ে নাগৰিকসকলৰ এই দাবীসমূহ যথাযুক্ত স্থানত উপস্থাপন কৰিবলৈ ডিব্ৰুগড় নাগৰিক সংঘই দায়িত্ব গ্ৰহণ কৰি আহিছে।

ইয়াৰ কাৰণ হৈছে, এই ঐতিহ্যমণ্ডিত চহৰখনৰ উন্নয়নত কোনা ৰাজনৈতিক নেতাৰে একে উশাহতে ক'ব পৰাকৈ অৰিহণা নাই। চহৰখনৰ স্থায়ী সম্পদ কোনোটোতেই মন্ত্ৰী-বিধায়কৰ একো স্থায়ী অৱদান নাই। চিকিৎসা মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ, স্বাস্থ্য গৱেষণা প্ৰতিষ্ঠানৰ পৰা ব্ৰহ্মপুত্ৰৰ কড়াল গ্ৰাসৰ পৰা চহৰখনক ৰক্ষা কৰা মূল মথাউৰিটোলৈকে— কোনোটোতেই মন্ত্ৰী-মুদাগৰৰ অৰিহণা নাই, বৰঞ্চ নাগৰিকৰ মিলিত প্ৰচেষ্টাৰহে ফচল সেয়া। আনকি বহু চৰ্চিত বগীবিল দলং, ডিব্ৰুগড়ৰ নতুন ৰেলৱে ষ্টেচন আদি কোনোটোলৈ বিশেষ কোনো ৰাজনৈতিক নেতাৰ কোনো অৰিহণা নাই। বৰঞ্চ ডিব্ৰুগড়ৰ নাগৰিকেহে এই উন্নয়নত এশ শতাংশ সফলতাৰ দাবী কৰিব পাৰে। এফালৰ পৰা যদি আমি চাই যাওঁ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন নহ'লহেঁতেন যদিহে শিক্ষা জগতৰ প্ৰতি উছৰ্গিত প্ৰাণ লক্ষী দত্তই নেতৃত্ব নল'লেহেঁতেন, আটাইকেইখন মহাবিদ্যালয়— ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড় মনোহাৰী দেবী কানৈ মহিলা মহাবিদ্যালয়, ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ আইন মহাবিদ্যালয় আদি প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে ড° ৰোহিণীকান্ত বৰুৱাৰ পৰিবাৰে উদ্যোগ নল'লেহেঁতেন, অসম চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে ড° বেৰী হোৱাইটে বিশ্বৰ এই কোণত মেডিকেল স্কুল প্ৰতিষ্ঠা নকৰিলেহেঁতেন, ভাৰতীয় আঞ্চলিক চিকিৎসা গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠান নহ'লহেঁতেন, যদিহে ড° বংশীধৰ বৰুৱা, ড° মথুৰা ভট্টাচাৰ্যকে আদি কৰি এচাম উছৰ্গিত প্ৰাণে অহোপুৰুষাৰ্থ নকৰিলেহেঁতেন। সেয়েহে ডিব্ৰুগড়ৰ প্ৰতিটো সম্পদৰ প্ৰকৃত দাবীদাৰ ডিব্ৰুগড়ৰ নাগৰিক সমাজহে। ডিব্ৰুগড়ৰ নাগৰিকৰ অবিহনে অন্যৰ অৰিহণা যৎসামান্য। বগীবিল দলঙৰ প্ৰতিষ্ঠা ইয়াৰ এক অন্যতম উদাহৰণ। স্বাধীনতা প্ৰাপ্তিৰ পাছত অসমৰ প্ৰতিটো উন্নয়নৰ দাবীৰ বিপৰীতে লিখিবলগীয়া হয় অসমীয়াৰ সংগ্ৰামী ইতিহাসৰ ৰক্তাক্ত অধ্যায়।

পূৰ্বানুৰতী সংখ্যাত উল্লিখিত গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ আঁৰতো আছে ছহিদৰ কেঁচা তেজৰ বৰঙণি; কিন্তু ইয়াৰ বিপৰীতে বগীবিল দলং আদায়ৰ ইতিহাস এনে ধৰণৰ যে এই বৃহৎ প্ৰকল্প আদায় কৰিবলৈ যোৱাৰ বাটত ডিব্ৰুগড় বা অঞ্চলটোৰ জনগণে এদিনো বিক্ষোভৰ কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া নহ'ল, ৰাজপথত এদিনো জ্বলাবলগীয়া নহ'ল টায়াৰ বা কোনো পাহোৰাল ডেকাই বুকু পাতি দিব লগা নহ'ল শাসকৰ গুলিৰ সন্মুখত। বগীবিল দলং প্ৰতিষ্ঠাৰ আঁৰত যাৰ সবাতোকৈ অৰিহণা প্ৰবল সেয়া হৈছে ডিব্ৰুগড় নাগৰিক সংঘ। ডিব্ৰুগড় নাগৰিক সংঘৰ প্ৰাক্তন সম্পাদক আৰু বৰ্তমানৰ সভাপতি জ্যেষ্ঠ অধিবক্তা যোগেন্দ্ৰ নাথ বৰাই কয় ঃ সৰু সৰু দাবী উত্থাপন কৰিবলৈ যাওঁতে ধৰ্ণা, বন্ধ, সত্যাগ্ৰহ আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব লগা হয়; কিন্তু বগীবিল দলং নিৰ্মাণৰ বাবে চৰকাৰক সৈমান কৰিবলৈ কোনো আন্দোলন কৰিবলগীয়া হোৱা নাছিল। এদিনো এটাও টায়াৰ ৰাজপথত নজ্বলিল। তাৰ পৰিৱৰ্তে দেখা গৈছিল তেতিয়াৰ দিনত যাতায়াত-যোগাযোগ আদিৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন অসুবিধা আৰু সীমিত সুবিধাৰ মাজতে দিল্লীলৈ দৌৰা-দৌৰি, কাৰ্যালয়ে কাৰ্যালয়ে, ফাইলৰ পাছে পাছে দৌৰি চৰকাৰক সৈমান কৰাই অৱশেষত এই বৃহৎ প্ৰকল্প সম্ভৱ হৈ উঠিছিল। কেনেদৰে সেয়া সম্ভৱ হৈছিল সেই কথা আন্দোলন জৰ্জৰ ৰাজ্যখনৰ উন্নয়নপ্ৰসাৰী লোকসকলে জনাৰ প্ৰয়োজন বুলি ভাবি উল্লেখ কৰিলো।

আইনবিদ বৰাৰ লেখাত পালো— 'পথ, দলং, উদ্যোগ আদি স্থাপন বা নিৰ্মাণৰ কাম চৰকাৰী বা বেচৰকাৰী দুয়োটা পন্থাৰে হ'ব পাৰে। বেচৰকাৰীভাৱে কোনোবা স্বেচ্ছাসেৱী সংগঠন বা ৰাইজৰ প্ৰত্যক্ষ তৎপৰতাতো এনে কাম সম্ভৱ হ'ব পাৰে। চৰকাৰীভাৱে সমাপন হোৱা কামৰ আঁচনি চৰকাৰে নিৰ্ণয় কৰে, কিছুমান কাম নিৰ্ধাৰণ কৰে জনপ্ৰতিনিধিয়ে, কিছুমান কাম হ'ব পাৰে ৰাইজৰ আবেদন-নিবেদন অথবা দাবী উত্থাপনৰ জৰিয়তে। ডিব্ৰুগড়ৰ বগীবিলত প্ৰায় ছহেজাৰ কোটি টকাৰ ব্যয় সাপেক্ষে বগীবিল দলং প্ৰাপ্তি সম্ভৱ হৈছিল শেষৰটো দিশৰ যোগেদিহে।' অৰ্থাৎ পোনতে এই দলং নিৰ্মাণৰ বাবে চৰকাৰৰ কোনো আঁচনি নাছিল, বিধানসভা বা লোকসভাত কোনো জনপ্ৰতিনিধিয়ে এই

### ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ

বিষয়টো উত্থাপন কৰা নাছিল যে এসময়ৰ অবিভক্ত লখিমপুৰ জিলাখনৰ উত্তৰ আৰু দক্ষিণপাৰ সংযোগী এখন দলঙৰ প্ৰয়োজনীয়তা অপৰিসীম। পোনতে এই দাবী উত্থাপন হৈছিল ডিবৰুৰ একাংশ সমাজ সচেতন ৰাইজৰ দ্বাৰা। কালক্ৰমত নেতৃস্থানীয় কেইজনমান সমাজ কৰ্মীৰ তৎপৰতাত ৰাইজৰ দ্বাৰা উত্থাপিত এই দাবীক বিভিন্ন সভা-সমিতি পাতি, প্ৰস্তাৱ গ্ৰহণ কৰি, স্মাৰক পত্ৰ প্ৰদান কৰি— এনেদৰে বিভিন্ন উপায়েৰে এক সবল জনমত গ্ৰহণ কৰি ডিব্ৰুগড় নাগৰিক সংঘৰ যোগেদি এই দাবী লৈ যোৱা হয় কেন্দ্ৰীয় চৰকাৰৰ চোতাললৈ। ১৯৭৭ত ডিব্ৰুগড় নাগৰিক সংঘৰ এটি সঁজাতী দলে দিল্লীলৈ গৈ পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ তদানীন্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ হাতত প্ৰথমখন দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰ পাছৰ পৰাই ডিব্ৰুগড় নাগৰিক সংঘই একাণপতীয়া আৰু নিৰৱচ্ছিন্নভাৱে এই দাবী কেন্দ্ৰীয় চৰকাৰৰ কৰ্ণকুঁহৰত পেলাই অহাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে আৰু প্ৰায় দুকুৰি বছৰ ধৰি ৰাইজৰ এই দাবী খামোচ মাৰি ধৰি আগুৱাই গৈ থাকিল— যি কাৰ্য অৱশেষত সফলকাম হ'লগৈ। মন কৰিবলগা— কেন্দ্ৰীয় চৰকাৰক এই বৃহৎ পুঁজি বিনিয়োগৰ প্ৰকল্পটোৰ সফলতাৰ আঁৰত কেতিয়াও ৰাজপথৰ আন্দোলন কৰিবলগীয়া হোৱা নাছিল; মাত্ৰ কাকত-কলমৰ যুঁজেৰে এই অসাধ্য সাধন হৈছিল।

শৰৎ চন্দ্ৰ নেওগে কয় ঃ ১৯৭৫ৰ পৰাই ডিব্ৰুগড় নাগৰিক সংঘই এটা দাবী লৈ সোচ্ছাৰ হৈ আছিল যে খোৱাং আৰু ডিব্ৰুগড়ৰ মাজত এটা ৰেলপথ স্থাপন কৰিলেই গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত ৰেল যাতায়াত কম খৰচী আৰু কম সময় সাপেক্ষ হৈ উঠিব। গুৱাহাটীৰ পৰাই ডিব্ৰুগড়লৈ ৰেলপথেৰে আহিবলৈ হ'লে নাহৰকটীয়া-দুলীয়াজান-তিনিচুকীয়া হৈ এটা দীঘলীয়া পাক মাৰিহে ডিব্ৰুগড়ত উপস্থিত হ'ব পাৰি। ইয়াৰ বাবে যাত্ৰীৰ বহু সময় আৰু ধনৰ অপচয় হয়; কিন্তু শিৱসাগৰ-মৰাণ হৈ খোৱাঙৰ ৰাংচালিলৈকে ব্ৰিটিছে স্থাপন কৰি যোৱা ৰেলপথ আছিলেই, মাত্ৰ খোৱাং আৰু ডিব্ৰুগড় ৰেলপথ স্থাপন কৰিলেই গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত পোনপটীয়া সংযোগ স্থাপন হ'ব। এই দাবীকে চৰকাৰৰ ওচৰত উত্থাপন কৰিবলৈ 'মৰাণ ডিব্ৰুগড় ৰেল লাইন সম্প্ৰসাৰণ সমিতি, নামৰ এখন সমিতি গঠন কৰি সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হয় সমাজকৰ্মী আৰু সাংবাদিক জগত চন্দ্ৰ নেওগক। নেওগে এই দাবী চৰকাৰৰ ওচৰত উত্থাপন কৰাৰ ক্ষেত্ৰত আগভাগ লয় আৰু তেওঁৰ কাৰ্যাৱলী প্ৰেৰণাদায়ক হৈ পৰাৰ বাবে ডিব্ৰুগড় নাগৰিক সংঘই নেওগ বৰবৰুৱাৰ বাসিন্দা হোৱা সত্ত্বেও নাগৰিক সংঘই তেওঁক আমন্ত্ৰিত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি লোৱা হ'ল। প্ৰয়াত নেওগৰ উচ্ছ্বাস আৰু দিক্ নিৰ্দেশনাৰে ডিবৰুৰ অধিবক্তা প্ৰয়াত বিনন্দ চন্দ্ৰ বৰুৱাই পোনপ্ৰথমবাৰৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰ সংযোগী দলং এখনৰ প্ৰয়োজনীয়তাৰ বিষয়ে দাবী উত্থাপন কৰি ভাৰতৰ প্ৰধানমন্ত্ৰীক সম্বোধন কৰি এখন স্মাৰকপত্ৰৰ খচৰা প্ৰস্তুত কৰে। এই স্মাৰকপত্ৰখনত স্বাক্ষৰ কৰিছিল প্ৰয়াত বৰুৱাৰ উপৰি অসম বিধানসভাৰ তেতিয়াৰ অধ্যক্ষ প্ৰয়াত ৰমেশ চন্দ্ৰ বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ৰেক্টৰ প্ৰয়াত লক্ষী প্ৰসাদ দত্ত আৰু জগত চন্দ্ৰ নেওগে। এই স্মাৰক পত্ৰখনেই বগীবিল দলঙৰ লাইখুঁটা বুলি অভিহিত কৰিব পৰা যায়। (আগলৈ)

*ফোন ঃ ৯৪৩৫০২৮০০৮*

---

# আম ফলৰ ৰজাই কেৱল নহয় ঃ এক বিশ্ববিশ্ৰুত নাম





**অনিতা গোস্বামী**

**বিভিন্ন** প্ৰাণী, চৰাই, ফুল আদিৰ মাজৰ পৰা নিৰ্দিষ্ট কোনোবা এজনক সিহঁতৰ ৰজা আৰু ৰাণী বুলি স্বীকৃতি দিয়া হয়। উদাহৰণ স্বৰূপে কোনোবাই যদি প্ৰশ্ন কৰে— 'বনৰ ৰজা কোন?' শিশুবোৰেও একমুখে কৈ উঠে— 'সিংহ'। ঠিক তেনেদৰে ফুলৰ ৰাণী গোলাপ আৰু চৰাইৰ ভিতৰত ময়ুৰ। ইহঁতৰ সবিশেষ কিছুমান স্বকীয় বৈশিষ্ট্যৰ কাৰণে এনে আখ্যা দিয়া হয়।

আমাৰ বনাঞ্চল অথবা বাগানসমূহত আপেল, আঙুৰ, আম, কমলা, লিচু, কঁঠাল আদি নানা প্ৰকাৰৰ সুস্বাদু ফল আছে। এই ফলবোৰ বিশেষ উপকাৰী। অতীজত ঋষি-মুনিসকলে এই ফল খায়েই জীৱন-যাপন কৰিছিল। এই ফলবোৰৰ ৰজা আকৌ আম। লগতে আমি এই কথাও জানো যে এই আম একান্তই ভাৰতীয় ফল। অতীজত এক উপকথা আছিল যে লংকাধিপতি ৰাৱণে শ্ৰীৰামচন্দ্ৰৰ পত্নী সীতা দেৱীক হৰণ কৰি অনাৰ পাছত ৰামভক্ত হনুমানে সীতাৰ অন্বেষণত গৈ লংকাৰ অশোক বনত প্ৰৱেশ কৰিছিল। সেই বনৰ আম খাই হনুমানে গুটিবোৰ চাৰিওপিনে পেলাই দিছিল। ফলস্বৰূপে কেউপিনে আম গছৰ বংশ বৃদ্ধি হয়। মালয়ৰ পৰা আৰম্ভ কৰি শ্যাম কম্বোজ পৰ্যন্ত ই বিয়পি পৰে। সকলোৱে জানে যে আমৰ আদি স্থান দক্ষিণ ভাৰত। সম্প্ৰতি অৱশ্যে মেঘালয়েও এই সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে।

'ম্যাংগো' প্ৰকৃততে এটা তামিল শব্দৰ ৰূপান্তৰ। তামিলসকলে আমক 'ম্যান-কে' বা 'ম্যান গে' বোলে। পৰ্তুগীজসকলৰ ওচৰত আকৌ সেইটো 'ম্যাংগা'ত পৰিণত হয়। অৱশেষত ইংৰাজীত 'ম্যাংগো'। সংস্কৃতত অৱশ্যে আম বা আম্ৰ চিৰকালৰ শব্দ। তাৰেই এক কাব্যিক প্ৰতিশব্দ হ'ল 'ৰমান'।

এই আম গছ ভাৰতীয়সকলৰ ওচৰত কেৱল এডাল ফলৰ গছেই নহয়। ই হ'ল কল্পতৰু। ইয়াৰ স'তে জড়িত হৈ আছে আম্ৰপালি তথা বুদ্ধৰ স্মৃতি— যাক আজিও ভাৰতীয়সকলে অতি শ্ৰদ্ধাৰে স্মৰণ কৰে। হেজাৰ হেজাৰ বছৰ ধৰি ভাৰতৰ জনসাধাৰণৰ স'তে আমৰ গছৰ নিবিড় সম্পৰ্ক। আম কেৱল এডাল গছেই নহয়। ভাৰতীয় সভ্যতা-সংস্কৃতিৰ স'তে গংগা, সিন্ধু, গোদাবৰী, ব্ৰহ্মপুত্ৰ, নৰ্মদা আদিৰ যি অংগাংগী সম্পৰ্ক, আমৰ স'তেও সেই একেই সম্পৰ্ক। এই আমক লৈয়েই কিমান যে কাহিনী, কিমান উপকথা। শ্ৰীকৃষ্ণৰ যেনেকৈ অষ্টোত্তৰ শতনাম, আমৰো ঠিক তেনেকৈ এই কাহিনী আৰু উপকথাবোৰক লৈ বিভিন্ন নাম। উদাহৰণ স্বৰূপে হাজীপুৰৰ যি আম গছৰ তলত খোৱা ফকিৰৰ আশ্ৰয় আছিল, সেই আমৰ নাম তেওঁৰ নাম অনুসাৰে 'ন্যাংৰা'। বিশ্ব বিনন্দিত এই আমৰ কলমৰ ডালবোৰ ডিভিজনেল কমিছনাৰ কৰ্কবান চাহাবৰ নেতৃত্বত কোম্পানীৰ ফৌজে পহৰা দিছিল। আকৌ 'ফজলি' নামটো মালদহৰ কালেক্টৰ বেভেন্‌ছ চাহাবে দিয়া। এই নাম দিয়াৰ মূলতে হ'ল— ফজলি নামৰ গাঁৱৰ এজনী দুখীয়া মুছলমান মহিলাই তেওঁক নিজৰ গছৰ এই আম খুৱাই চমৎকৃত কৰিছিল। গতিকে তেওঁ ইয়াৰ নাম ৰাখে ফজ্‌লি। ঠিক তেনেদৰে মিথিলাৰ জনৈক ব্ৰাহ্মণ জমিদাৰ কৃষ্ণ প্ৰসাদৰ নামেৰে আমাৰ অন্য এক নাম কিষণভোগ। ঠিক তেনেদৰে ৰজা-ৰাণী, বাদশ্বাহ, নবাব আদি বহুতৰে নামেৰে আম আছে। গোৱাৰ আলফাম্মো নিশ্চয় কোনোবা পৰ্তুগীজ চাহাবৰ নাম। নামটো প্ৰকৃততে আছিল আফান্মো। ইয়াত চাহাবসকলেও আম ইমানেই ভাল পাইছিল যে ইয়াক লৈ বিস্তৰ মূৰ ঘমাইছিল। পলাশীৰ আম বাগানত চাহাবসকলৰ দ্বাৰা আমৰ ভাগ্য বিপৰ্যস্ত হ'লেও, পৰৱৰ্তী কালত অন্য বহুতো আমৰ বাগানত তেওঁলোকৰ অৱদান উল্লেখযোগ্য আছিল।

আমৰ নামৰ যি বৈশিষ্ট্য, ৰূপ-ৰস, স্বাদ আৰু গোন্ধতো তাৰেই প্ৰতিধ্বনি। এনে আম আছে— যিবোৰ অতিশয় মিঠা, সুস্বাদৰ। আকৌ অন্য কিছুমান আম টেঙা। সকলোৱে জানে যে পকিলে আম মিঠা হয়।

এই প্ৰসংগতে অতীজৰ এক কথালৈ আহো। ১৯২৭ত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ মালয় উপদ্বীপৰ পিনাভ ভ্ৰমণ কৰিবলৈ গৈছিল। পিনাভৰ বিখ্যাত ফল 'ডুৰিয়ানা' বা ডুৰি এন তেওঁক খাবলৈ দিয়া হয়। ডুৰি এনৰ জন্মস্থান মালয় উপদ্বীপ। গছডাল বৰ ডাঙৰ। ৫০ৰ পৰা ৮০ ফুট পৰ্যন্ত ওখ হয় এই গছ। দেখিবলৈ ই অতি সুন্দৰ। গছ ৰোপণৰ ১০-১২ বছৰৰ পাছতহে ফল লাগে। ফলটো কঁঠাল পৰিবাৰভুক্ত। কঁঠালৰ কোঁহৰ দৰে এই ফল।

এই ফল খাই ১৯২৭ৰ ১৪ আগষ্টত কবিগুৰুৱে তেওঁৰ কন্যা মীৰা দেৱীলৈ লিখিছিল— ইয়াত ডুৰিয়ানা বুলি কঁঠালৰ দৰে ফল আছে। তাৰ দুৰ্গন্ধ জগত বিখ্যাত।

সাহস কৰি খাইছো। যিসকলে এই ফল ভাল পায়, তেওঁলোকে কয়— এইটো ফলৰ ৰজা। হায়! আম থাকোতেই এই কথা...।

বৰ্তমান অৱশ্যে বিদেশীসকলেও আমৰ স্বাদ পাই পৰম তৃপ্ত হৈ ভাৰতীয়ৰ লগত সুৰ মিলাই ইয়াৰ আখ্যা দিছে— 'প্ৰিন্স অৱ ফ্ৰুট বুলি। এজন ফৰাচীয়ে অক্ষয় নদীৰ বিশেষ ভ্ৰমণ কালত তেওঁৰ বন্ধু অমলা শংকৰক এটা শুকান আমৰ গুটি দেখুৱাই কৈছিল— 'এয়া চোৱা, তোমালোকৰ দেশৰ আমৰ স্মৃতি। জীৱনত যাৰ সোৱাদ আজিও পাহৰিব পৰা নাই।'

গছ হ'ল বহুতৰ বাবে উপাস্য দেৱতা। আমাৰ দেশ ভাৰতবৰ্ষত প্ৰতিজোপা গছেই (বৃক্ষ) দেৱতাৰ অধিষ্ঠান বুলি বিশ্বাস কৰা হয়। সেয়ে অতীজত কোনো গছ কটাৰ আগতে তাক পূজা কৰি লোৱা হৈছিল। পূজা-অৰ্চনাৰ অন্তত গছৰ আত্মাক প্ৰাৰ্থনা কৰি কোৱা হয়— 'হে বৃক্ষ, তোমাক কাটিবলৈ আমি বাধ্য হৈছো। গতিকে অনুগ্ৰহ কৰি প্ৰতিশোধ নলৈ তুমি যেন অন্য বৃক্ষত আশ্ৰয় গ্ৰহণ কৰা।'

এই গছসমূহৰ ভিতৰত কিছুমানক আকৌ বিশেষভাৱে পূজা কৰা হয়। সেই গছসমূহৰ বিশেষ বিশেষ বৈশিষ্ট্যৰ কাৰণে এই মৰ্যাদা দিয়া হয়। উদাহৰণ স্বৰূপে বটগছ, বেলগছৰ কথা আমি ক'ব পাৰো। তদুপৰি আম গছৰ লগতো জড়িত হৈ আছে ভাৰতীয় সভ্যতা-সংস্কৃতি। আজিও বহুতে আম গছৰ তলত চাকি-বন্তি জ্বলায়। বিয়া আদি উৎসৱ পাৰ্বণত পানী তুলিবলৈ যাওঁতে আমৰ পাতত সেন্দূৰ আঁকি ঘটত ভৰাই দিয়া হয়। নতুনকৈ ঘৰ লোৱাৰ সময়ত, বিয়া আদিৰ সময়ত, আমৰ পাতত সেন্দূৰ দি সেই পাতেৰে মালা গাঁথি দুৱাৰ ডলিত ওলোমাই দিয়া হয়। তদুপৰি 'হোম' আদিৰ বাবেও আমৰ ডাল ব্যৱহাৰ কৰা হয়।

গতিকে দেখা যায় যে আমগছ আমাৰ পৰম উপাস্য দেৱতা; কিন্তু আমাৰ জ্ঞান আৰু ধাৰণা— এই গছৰ ফল আমক 'ফলৰ ৰজা' বুলি কোৱাতেই সীমাবদ্ধ।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

---


(আজি হুল দিৱস উপলক্ষে)

# হুল দিৱস আৰু ইয়াৰ প্ৰাসংগিকতা

**ড° লীনা শৰ্মা**

**ভাৰতৰ** প্ৰাচীন জনগোষ্ঠীসমূহৰ অন্তৰ্গত চাওতালসকল অসমলৈ প্ৰব্ৰজিত হোৱা জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম। ঐতিহাসিক দৃষ্টিকোণেৰে আলোচনা কৰিলে দেখা যায় যে অষ্ট্ৰিক ভাষী লোকসকল ভাৰতলৈ প্ৰব্ৰজিত হৈ ক্ৰমে ভাগলপুৰ আৰু বৰ্ধমানৰ পশ্চিমাঞ্চল, মেদেনীপুৰ, ময়ুৰভঞ্জ, নীলগিৰি, চাওঁতাল পৰগণা, হাজাৰিবাগ, চৌব্বিশ পৰগণা, দিনাজপুৰ, মালদা আদি অঞ্চলত স্থায়ীভাৱে বাস কৰিবলৈ লয়। পৰৱৰ্তী কালত এই লোকসকলৰ কিছুসংখ্যক লোকক ব্ৰিটিছসকলে জলপাইগুৰি আৰু অসমলৈ চাহ বাগিচাত কাম কৰিবলৈ বনুৱা হিচাপে লৈ আহে। ১৯০১ৰ লোকপিয়ল মতে,অসমত বাস কৰা চাওতাল (আদিবাসী) লোকৰ সংখ্যা ৩০১২৯ জন। ১৮৫৫ত সুদখোৰ মহাজনৰ অত্যাচাৰ আৰু খেতিবাতিৰ হেতু চিদু, কানহু, চাদ আৰু ভৈৰৱ নামে চাৰিজন ভাই-ককায়েকৰ নেতৃত্বত চাওতালসকলে চৰকাৰ কৰ্তৃপক্ষ আৰু সুদখোৰ মহাজনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। বহু কষ্টেৰে এই বিদ্ৰোহ দমন কৰি ব্ৰিটিছসকলে চাওতালসকলক 'চাওতাল পৰগণা'ৰ এক নিৰ্দিষ্ট বেষ্টনিৰ ভিতৰত ৰাখিছিল

হুল মানে বিদ্ৰোহ। ১৮৫৫ৰ ৩০ জুনত চাওতাল



বিদ্ৰোহৰ অন্যতম নেতা চিধু, কানহু, চাদ, ভৈৰৱৰ নেতৃত্বত ভগনা দিহিৰ পথাৰত হেজাৰ হেজাৰ চাওতাল, চামাৰ,বাগদি আৰু মুছলমান আদি নানান ধৰ্ম আৰু জাতৰ মানুহক ইংৰাজ-জমিদাৰ আৰু ব্যৱসায়ীসকলৰ অতিমাত্ৰা শোষণৰ বিৰুদ্ধে প্ৰতিবাদৰ আহ্বান জনাইছিল। এই হুল আছিল তথাকথিত নিম্ন শ্ৰেণীৰ মানুহৰ বিদ্ৰোহ। ভাৰতৰ মাটিত দলিত আদিবাসীসকলৰ প্ৰথম সংগঠিত আন্দোলন। হুল চাওতাল তথা আদিবাসীসকলৰ কাৰণে গৌৰৱৰ কাৰণ। চাওতাল বিদ্ৰোহ বা চান্তাল হুলৰ সূচনা হৈছিল ১৮৫৫ত পশ্চিমবংগৰ মুৰ্চিদাবাদ আৰু বিহাৰৰ ভাগলপুৰ জিলাত। ইংৰাজৰ আমোলত স্থানীয় জমিদাৰ, মহাজন আৰু ইংৰাজ কৰ্মচাৰী সকলৰ অন্যায়-অত্যাচাৰৰ বলি হৈ চাওতালসকলে তেওঁলোকৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিছিল। এই আন্দোলনৰ নেতৃত্ব দিছিল চাৰি ভ্ৰাতৃয়ে। ১৭৯৩ত লৰ্ড কৰ্ণৱালিচৰ প্ৰৱৰ্তিত চিৰস্থায়ী বন্দবস্ত নীতিৰ ফলত চাওতালসকলৰ ওপৰত অত্যাচাৰ বাঢ়ি গৈছিল। ১৮৫৫ৰ ৩০ জুনত আৰম্ভ হোৱা বিদ্ৰোহ ১৮৫৬ৰ নৱেম্বৰত শেষ হয়। এই যুদ্ধত ইংৰাজ সৈন্যসহ প্ৰায় ১০ হেজাৰ চাওতাল যোদ্ধাৰ মৃত্যু হৈছিল। চাওতাল বিদ্ৰোহত নাৰীসকলে স্ব-ইচ্ছাৰে অংশগ্ৰহণ কৰিছিল। স্ব-অধিকাৰৰ বাবে নাৰীসকলেও ওলাই আহি হাতত অস্ত্ৰ তুলি লৈছিল। সিদু-কানহুৰ লগত আছিল দুই ভনীয়েক ফুলমণি আৰু ঝানু মুৰ্মু। ১৮৫৫তেই ফুলমণি ইংৰাজ শাসকৰ অত্যাচাৰ আৰু ধৰ্ষণৰ বলি হয় আৰু গুলিবিদ্ধ মৃতদেহ জামছেদপুৰৰ ৰেল লাইনৰ কাষত উদ্ধাৰ হয়। এই ফুলমণিক লৈ চাওতালসকলৰ মাজত লোকগীতো প্ৰচলিত আছে। এই বিদ্ৰোহত নাৰীৰ অংশগ্ৰহণে বিদ্ৰোহক এক ভিন্ন মাত্ৰা প্ৰদান কৰিছিল। তেওঁলোকে সকলো সময়তেই পুৰুষ যোদ্ধাৰ কাষত থাকি শক্তি আৰু প্ৰেৰণা যোগাইছিল। বিপ্লৱী বীৰ চিদুৰ পত্নী চুমি, হাঞ্জমা মাঝিৰ পত্নী মুনিয়া পুত্ৰ বধু কাঞ্চনীয়ে চাওতাল বিদ্ৰোহলৈ অৱদান আগবঢ়াই গৈছে।

চাওতাল বিদ্ৰোহৰ ইতিহাসৰ লিপিকাৰ কলিয়ান হাড়ামে তেওঁৰ চাওতালী ভাষাৰ গ্ৰন্থ 'হড়কোৰেন মাৰে হাপৰামকো ৰেয়াঃ কাথা' শীৰ্ষক গ্ৰন্থত চাওতাল বিদ্ৰোহৰ ইতিবৃত্ত লিখি থৈ গৈছে। চাওতালসকলৰ এই বিদ্ৰোহেই ভাৰতবৰ্ষত স্বাধীনতাৰ বীজ ৰোপণ কৰিছিল। বিদ্ৰোহৰ পাছত চাওতালসকলৰ সমস্যা বিবেচনা কৰি তেওঁলোকৰ বাবে এখন জিলাৰ ব্যৱস্থা কৰা হৈছিল। সেয়াই ডুমকা জিলা। এই ঠাইখনেই চাওতাল পৰগণা নামে পৰিচিত হয়। এই পৰগণাত মহাজনৰ প্ৰৱেশ নিষিদ্ধ আছিল যদিও ইংৰাজ মিছনেৰীসকলে অবাধে প্ৰৱেশ কৰি চাওতালসকলৰ মাজত শিক্ষাৰ প্ৰচলনৰ লগতে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিছিল। চাওতাল বিদ্ৰোহ (হুল) হ'ল চাওতালসকলৰ বা ভাৰতৰ কিছু নিষ্পেষিত মানুহৰ আত্মবিশ্লেষণ বা আত্মপ্ৰতিষ্ঠাৰ যুঁজ। ভাৰতীয় তথাকথিত উচ্চ বংশীয় ব্ৰাহ্মণ্যবাদৰ দ্বাৰা শোষিত হোৱা চাওতালসকলৰ এই আত্মপ্ৰতিষ্ঠাৰ যুঁজখন সাহিত্যত প্ৰতিফলিত হৈছিল। হুলৰ পাছত ভাৰতলৈ আগমন ঘটা মিছনেৰী বা আন ইংৰাজসকলেও চাওতাল সকলৰ মৌখিক সাহিত্য,অভিধান,ব্যাকৰণ আদিৰ বিষয়ে লিখিছিল।এই ক্ষেত্ৰত পি অ' ব'ডিঙৰ নাম বিশেষভাৱে উল্লেখযোগ্য। চগৰাম মুৰ্মুয়ে বিশেষ স্বীকৃতি নাপালেও ইংৰাজ সকলক চাওতাল সকলৰ বিভিন্ন তথ্য সংগ্ৰহ কৰি সহায় কৰিছিল।হুলৰ প্ৰায় ৩৬-৩৭ বছৰ পাছতহে মুখে মুখে চলি অহা সাধুবোৰে লিখিত ৰূপ পাইছিল 'হুল ৰেয়াঃ কাথা'ৰ জৰিয়তে। চাওতালসকলৰ মৌখিক সাহিত্যবোৰৰ লিখিত ৰূপে জনগোষ্ঠীটোক আত্মপ্ৰতিষ্ঠিত কৰাৰ লগতে মানুহৰ মাজত তেওঁলোকৰ বাৰেৰহণীয়া কৃষ্টি জনাজাত হোৱাটো সহায় কৰিছিল।

চাওতাল জনগোষ্ঠীৰ মাজত প্ৰচলন থকা চিদু-কানহুৰ বীৰত্বৰ গাথা সম্বলিত লোকগীতসমূহক আখ্যানমূলক গীতৰ অন্তৰ্ভুক্ত কৰিব পাৰি। গীতবোৰ চাওতাল বিদ্ৰোহক লৈয়েই ৰচিত। চাওতাল বিদ্ৰোহ (হুল সেৰেঞ)ৰ কিছুমান লোকগীত হ'ল— ১) দেলায়া বিৰিদ পে দেলায়া তিংগুণ পে জানাম দিসম লাগিৎতে হো দেলায়া পায়াৰাক তাবোন পে অসমীয়া অৰ্থ— উঠা জাগ্ৰত হোৱা, নিজৰ মাতৃভূমিক ৰক্ষা কৰিবলৈ সচেষ্ট হোৱা। আঁহা, জন্মভূমিৰ হকে আমি আগুৱাই যাওঁ। চিদু কানহুৰ বীৰত্বক লৈ ৰচনা কৰা গীতবোৰ চাওতাল বিদ্ৰোহৰ সময়ছোৱাত ৰচিত। সেই ফালৰ পৰা গীতবোৰক বুৰঞ্জীমূলক মালিতাৰ শাৰীত স্থান দিব পাৰি। মানৱ সমাজত ঐক্য- সম্প্ৰীতি সমন্বয় নাথাকিলে যে সমাজ বৰ্তি থাকিব নোৱাৰে তাৰ প্ৰকাশো চিদু কানহুৰ গীতত পোৱা যায়। হুলৰ প্ৰধান কাৰণ আছিল চাওতালসকলক শোষণ আৰু জন্মভূমিৰ পৰা তেওঁলোকক বঞ্চিত কৰাটো। হুলৰ জৰিয়তে শোষণকাৰীক প্ৰত্যাহ্বান জনোৱাৰ উপৰি তেওঁলোক নিজেই আত্ম-প্ৰতিষ্ঠিত হ'ল । ইয়াৰ লগতে শিক্ষাৰ প্ৰয়োজনীয়তাও তেওঁলোকে বুজিবলৈ চেষ্টা কৰিছিল। কিয়নো চাওতাল হুল অসফল হোৱাৰ এক অন্যতম কাৰণ আছিল তেওঁলোকৰ নিৰক্ষৰতা। চাওতালসকলে আত্মপ্ৰতিষ্ঠাৰ যুঁজখনত অকলেই আগুৱাই গৈ সফলতা অৰ্জন কৰিবই লাগিব বুলি তেওঁলোকৰ দৃঢ় বিশ্বাস আছিল। চাওতাল কলা-সংস্কৃতিসমৃদ্ধ লেখাসমূহে তেওঁ লোকৰ উন্নতিত সহায়ক হোৱাৰ লগতে 'হুল' সম্বন্ধীয় লেখাসমূহে তেওঁলোকৰ সামাজিক অধিকাৰ সাব্যস্ত কৰিবলৈ উদগনি যোগাই আহিছে।

প্ৰসংগ পুথিঃতথ্যসূত্ৰ—
১) বৰুৱা, বুবুল (অনুবাদ)-চাওতাল গণসংগ্ৰামৰ ইতিহাস, ২০০৬, নতুন সাহিত্য পৰিষদ, শোণিতপুৰ ২) বাস্কে, ধীৰেন্দ্ৰ নাথ-সাওতাল গণসংগ্ৰামে নাৰী সমাজেৰ ভূমিকা ,২০০৬, সুবৰ্ণৰেখা, কলকাতা ৩) মাৰ্ডী, পাল্টন-চাওতাল হুল, ২০০৮, স্বকীয় প্ৰকাশ,চিৰাং

---

# চাওতাল হুল

## ব্ৰিটিছৰ বিৰুদ্ধে চাওঁতালৰ গণ বিদ্ৰোহ

**মিন্টু হেম্বৰম**

**১৮৫৫ৰ** ৩০ জুন। চাওঁতালসকলৰ বাবে এক ঐতিহাসিক দিন। চাওতালসকলে ব্ৰিটিছৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে ১৮৫৫ৰ ৩০ জুনত হুল তথা বিদ্ৰোহ ঘোষণা কৰে। ১৮৫৫ৰ চাওঁতাল বিদ্ৰোহ আছিল দীৰ্ঘদিনৰ শোষণ-বঞ্চনাৰ বুকুত জন্ম লোৱা, পুঞ্জীভূত ক্ষোভৰ এক অনিবাৰ্য বিস্ফোৰণ। কোনো ধৰণৰ ৰাজনৈতিক দল-সংগঠন অবিহনেই কেৱল এক আপোচবিহীন সংগ্ৰামী আদৰ্শকে খামুচি ধৰি কিছুমান অতিলৌকিক ঐন্দ্ৰজালিক কৰ্মকাণ্ডৰে নিপীড়িত মানুহখিনিক সংগঠিত কৰি চিদু মুৰ্মু, কানহু মুৰ্মুৰ নেতৃত্বত গঢ়ি উঠা এই বিদ্ৰোহে তেতিয়া ব্ৰিটিছৰ শাসনৰ ভেটিটোকে কঁপাই তুলিছিল।

মন কৰিবলগীয়া যে চাওঁতাল বিদ্ৰোহ (হুল)ৰ সূত্ৰপাত হৈছিল আজিৰ পৰা প্ৰায় ২৩৭ বছৰ আগেয়ে। ১৭৮৪ৰ ১৭ জানুৱাৰীৰ দিনা চাওতাল নেতা তিলক মাঝি তথা তিলকা মুৰ্মুৰ নেতৃত্বত ভাগলপুৰ আৰু ৰাজমহলৰ কালেক্টৰ ক্লীৱলেণ্ডক হত্যাৰ জৰিয়তে ভাৰতৰ চাওতাল বিদ্ৰোহৰ আনুষ্ঠানিক সূত্ৰপাত হোৱা বুলি ধৰা হয়। সেয়া আছিল আগজাননী। ১৭৮৫ত তিলকা মুৰ্মুক ফাঁচি দি ব্ৰিটিছে এই বিদ্ৰোহ দমন কৰে। তাৰ পাছত সাতটা দশক পাৰ হৈ গ'ল। চিপাহী বিদ্ৰোহৰ দুবছৰ পূৰ্বে চাওতাল বিদ্ৰোহৰ পৰৱৰ্তী ৰণ দামামা বাজি উঠে ১৮৫৫ত। চিদু-কানহু আৰু তেওঁলোকৰ সহযোগীসকলৰ নেতৃত্বত এই বছৰতেই চাওতাল বিদ্ৰোহ পুনৰ আৰম্ভ হয়। এই বিদ্ৰোহক চিদু-কানহুৰ উপৰি তেওঁলোকৰ দুই ভ্ৰাতৃ চাঁদ মুৰ্মু, ভৈৰৱ মুৰ্মু, ভগ্নী ফুল' মুৰ্মু, ঝানু মুৰ্মু আৰু শ্যাম পাৰগানাকে ধৰি বহুতেই সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল। প্ৰথম অৱস্থাত বিদ্ৰোহৰ ৰূপ আছিল মন কৰিবলগীয়া। ১৮৫৫ৰ ৩০ জুনৰ দিনা ভগনাডিহিত ১০ হেজাৰো অধিক চাওতাল লোকে এখন মুক্ত চাওতাল ৰাজ্য প্ৰতিষ্ঠাৰ বাবে শপত গ্ৰহণ কৰে আৰু তেওঁলোকে কলিকতা অভিমুখে এক গণ পদযাত্ৰা আৰম্ভ কৰে। এই পদযাত্ৰাৰ প্ৰয়াস এক অভূতপূৰ্ব পদক্ষেপ আছিল আৰু ইয়াক ভাৰতৰ স্বাধীনতাকামী আন্দোলনৰ প্ৰথমটো পদযাত্ৰা বুলিও চিহ্নিত কৰিব পাৰি। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত চাওঁতাল বিদ্ৰোহ কিন্তু ক্ৰমে হিংসাত্মক হৈ উঠিবলৈ ধৰে। ফলত বহু ঠাইত ইংৰাজৰ লগত প্ৰত্যক্ষ সংঘৰ্ষ আৰু সমুখ সমৰতো অৱতীৰ্ণ হৈছিল চাওতাল বাহিনী। অৱশেষত ব্ৰিটিছ কোম্পানীৰ নৃশংস সামৰিক অভিযানৰ ফলশ্ৰুতিত চাওতালসকল সামৰিক ভাৱে পৰাজিত হয় আৰু ১৮৫৬ৰ ফেব্ৰুৱাৰীৰ মাজভাগত চিদু কালহুৰ মৃত্যুৰ পাছত চাওঁতাল বিদ্ৰোহ প্ৰশমিত হৈ পৰিবলৈ আৰম্ভ কৰে।



চাওঁতাল বিদ্ৰোহীসকলৰ সন্মুখত সেইদিনা কোনো ৰাজনৈতিক আদৰ্শ নাছিল; নাছিল কোনো ধৰণৰ ৰাজনৈতিক সংগঠন; কিন্তু এটা মৌলিক প্ৰশ্নকে তুলি ধৰিছিল দেশবাসীৰ সন্মুখত। সেয়া হ'ল মূৰৰ ঘাম মাটিত পেলাই অৰণ্যৰ জীৱ-জন্তুৰ স'তে যুঁজ দি যি মাটি তেওঁলোকে ভাঙি উলিয়াইছে, সেই মাটিৰ প্ৰকৃত গৰাকী তেওঁলোকেই। সেই মাটিতে তেওঁলোকে শস্য উৎপাদন কৰে আৰু সেই শস্যৰ গৰাকীও তেওঁলোকৰ হাড়ভঙা পৰিশ্ৰমৰ ফলতেই পৰিণত হৈছে জনপদলৈ। গতিকে এইখন দেশৰ গৰাকীও তেওঁলোকেই। এই দেশৰ প্ৰতিটো সম্পদ ভোগ কৰাৰ ন্যায্য অধিকাৰো তেওঁলোকৰ হাততে;কিন্তু আজিও এই লোকসকলে স্বাধীন ভাৰতত সাংবিধানিক অধিকাৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে, অৱহেলিত হৈ থাকিল।

চাওতাল বিদ্ৰোহৰ অৱসান ঘটিল। দৰিদ্ৰ, অশিক্ষিত চাওঁতালসকলে তেজৰ আখৰেৰে লিখি গ'ল ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ এটা অবিস্মৰণীয় অধ্যায়। ২৫ হেজাৰ চাওঁতাল ছহিদৰ এই আত্মত্যাগ ইতিহাসৰ পাতৰ পৰা কোনোদিনেই নিশ্চিহ্ন হৈ নাযায়। এই কথা আজি নিঃসন্দেহে ক'ব পাৰি যে অৰ্থনৈতিক অধিকাৰ অৰ্জনৰ বাবে অন্যায়ৰ প্ৰতিবাদ জনাই চাওতাল বিদ্ৰোহীসকলে সেইদিনা সংগ্ৰামী ভূমিকা পালন কৰিলে আৰু সকলো স্তৰৰ খাটি খোৱা মানুহকে সৰ্বগ্ৰাসী শোষণ ব্যৱস্থাৰ ৰক্তাক্ত শাসনৰ পৰা মুক্ত কৰিবলৈ যি প্ৰতিৰোধ সংগ্ৰাম তেওঁলোকে গঢ়ি তুলিলে, মুক্তিকামী সংগ্ৰামী মানুহৰ বাবে সেয়া চিৰদিন জ্বলন্ত প্ৰেৰণাৰ এক উৎস হৈ ৰ'ব।

*ফোন ঃ ৯৮৫৪২২০৫৫৫*

## বানত মৃতকৰ সংখ্যা দুজনলৈ বৃদ্ধি ঃ দুদিনৰ পাছত উদ্ধাৰ নিৰুদ্দিষ্টৰ মৃতদেহ

# চিৰাঙত আই নৈৰ খহনীয়া খহনীয়া অব্যাহত

অগ্রদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুন ঃ** চিৰাঙৰ চলিত বানত মৃত লোকৰ সংখ্যা দুজনলৈ বৃদ্ধি পালে। আজিও বানৰ কবলত পৰি মৃত্যু হোৱা এজন লোকৰ মৃতদেহ উদ্ধাৰ। যোৱা সোমবাৰে বিয়লিৰ ভাগত মাক্রা নৈ পাৰ হৈ গৰু আনিবলৈ গৈ নিৰুদ্দেশ হৈ আছিল লোকজন। উটুৱাই নিয়া লোকজনক সুবাইঝাৰ ওদালগুৰি গাঁৱৰ বাসিন্দা জেৰেশ্বৰ বড়ো (৬৫) বুলি চিনাক্ত কৰা হয়। লোকজনক বিচাৰি যোৱা দুদিনৰ পৰাই এছডিআৰএফৰ জোৱানে অভিযান চলাই কালি মৃত গৰুটো উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল যদিও লোকজনক পোৱা নাছিল। আজি নৈৰ পানী কমি অহাত উদ্ধাৰ হয় লোকজনৰ মৃতদেহটো। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰিক্ষাৰ ব্যৱস্থা কৰে।

উল্লেখ্য যে কালি সন্ধিয়া চিৰাঙৰ কুংক্রাঝোৱা গাঁৱত মাক্রা নৈৰ বাঢ়নী পানীয়ে উটুৱাই লৈ যোৱা আন এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছিল স্থানীয় লোকে। মৃত লোকজন দৈসুমগুৰী গাঁৱৰ শৈলেন বসুমতাৰী (৫৫) বুলি চিনাক্ত কৰা হৈছে। প্রাপ্ত তথ্য অনুসৰি, বিয়লিৰ ভাগত বজাৰৰ পৰা নিজ গৃহলৈ আহি থকা অৱস্থাত কালামাটিৰ মাক্রা নৈ পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়তে নৈৰ প্রৱল সোঁতে লোকজনক উটুৱাই লৈ গৈছিল। ইয়াকে লৈ চিৰাঙত চলিত বানত মৃত্যু হোৱা লোকৰ সংখ্যা দুজনলৈ বৃদ্ধি হয়। ইপিনে, জিলাখনত আজি বান পৰিস্থিতি কিছু উন্নত হৈছে। আটাইকেইখন নৈৰ পানী কমিছে। অৱশ্যে ঠায়ে ঠায়ে নৈৰ পানী কমি অহাত গৰাখহনীয়া বৃদ্ধি পাইছে।

ইফালে, চিৰাঙৰ ভূটান সীমান্তৰ দুই



নম্বৰ আইপোৱালিত গৰাখহনীয়াই ভয়ংকৰ ৰূপ লৈছে আই নৈয়ে। ভূটানৰ পৰা নামি অহা খৰস্রোতা নৈখনে গাঁওখন নিশ্চিহ্ন কৰাৰ উপক্রম কৰিছে। কে'বাশ বিঘা কৃষিভূমি ইতিমধ্যে নৈৰ খহনীয়াত পৰিছে। নৈৰ গতি সলোৱা দেখি ইতিমধ্যেই ৩০খন ঘৰ ভাঙি আঁতৰাই লৈছে গঞাই। তাৰ পাছতে উক্ত অঞ্চল নৈৰ বুকুত জাহ গৈছে খহনীয়াত। দুই নম্বৰ আইপোৱালি গাঁৱৰ খোৱাপানীৰ বাবে থকা একমাত্র কুঁৱাটো এতিয়া নৈৰ মাজত পৰি ৰৈছে। গাঁওবাসীয়ে খোৱাপানী এতিয়া আন গাঁৱৰ পৰা সংগ্রহ কৰিবলগীয়া হৈছে। ইয়াৰ ফলতে গাঁওখনত খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে আজি আই নৈৰ ভয়ংকৰ খহনীয়াৰ পৰা গাঁওখনক ৰক্ষা কৰাৰ বাবে তৎকালীন ব্যৱস্থা গ্রহণৰ দাবী জনাইছে গাঁওবাসীয়ে।

## গ্রন্থ উন্মোচনী সভা

**গুৱাহাটী, ২৯ জুন ঃ** অহা পহিলা জুলাইত দিনৰ ১১ বজাত গুৱাহাটী প্রেছ ক্লাবত জ্যেষ্ঠ সাংবাদিক প্রয়াত ভৱেশ চন্দ্র ভৰালীৰ গল্প সংকলন 'ষ্টাফ ৰিপ'ৰ্টাৰ' আৰু চলচ্চিত্র বিষয়ক প্রবন্ধ সংকলন 'ঈশচিত্রভৰ' নামৰ গ্রন্থ দুখন উন্মোচন কৰা হ'ব। গ্রন্থ দুখন উন্মোচন কৰিব বিশিষ্ট লোক সংস্কৃতিৰ গৱেষক ড০ প্রবীণ চন্দ্র দাস আৰু বিশিষ্ট কবি, সমালোচক অনুভৱ তুলসীয়ে। প্রয়াত ভৰালীয়ে ছাত্র অৱস্থাৰ পৰাই বিভিন্ন কাকত আৰু আলোচনীত গল্প, কবিতা, প্রবন্ধ ইত্যাদি লিখাৰ উপৰি ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় চলচ্চিত্রৰ বিষয়েও কিছু লিখা মেলা কৰিছিল। সুদীৰ্ঘ প্রায় ২৭ বছৰ ধৰি 'তিনিদিনীয়া অগ্রদূত' কাকতত সহকাৰী সম্পাদক হিচাপে কৰ্মৰত হৈ থকা ভৰালীয়ে কৰ্মৰত অৱস্থাতে ২০১৯ৰ ১৪ মে'ত ইহলীলা সম্বৰণ কৰে। তেওঁৰ পৰিবাৰ কণিকা বৈশ্য ভৰালী আৰু বন্ধুবৰ্গৰ প্রচেষ্টাত উক্ত গ্রন্থ দুখনি প্রকাশ কৰা হৈছে। কণিকা বৈশ্য ভৰালীয়ে উক্ত গ্রন্থ উন্মোচনী সভালৈ সকলো বন্ধু-বান্ধৱ তথা শুভাকাংক্ষীক সাদৰেৰে নিমন্ত্রণ জনাইছে।

### গাড়ীৰ চালক-হেণ্ডিমেনক গ্রেপ্তাৰ

## শ্রীৰামপুৰত বাৰ্মিজ চুপাৰি বোজাই ট্রাক জব্দ

অগ্রদূত বাৰ্তা

**শ্রীৰামপুৰ, ২৯ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে আজি শ্রীৰামপুৰত ৩১ নম্বৰ 'গ' ঘাইপথত অভিযান চলাই এখন বাৰ্মিজ চুপাৰি ভৰ্তি ট্রাক জব্দ কৰে। এক বিশেষ সূত্রে লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্রাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই ইউ পি-১৪-২২৯৩ নম্বৰৰ ট্রাকখনক আটক কৰি তালাচী চলোৱাত ট্রাকখনৰ পৰা বৃহৎ পৰিমাণৰ বাৰ্মিজ চুপাৰি উদ্ধাৰ হয়। পাছত ট্রাকখনৰ চালক-হেণ্ডিমেন ক্রমে বিমলেশ যাদৱ আৰু অনুপ কুমাৰক আটক কৰে আৰু চুপাৰিসমূহ জব্দ কৰে। চালক আৰু হেণ্ডিমেনজন উত্তৰ প্রদেশৰ বাসিন্দা। জব্দ কৰা বাৰ্মিজ চুপাৰিখিনিৰ বজাৰ মূল্য ৫০ লাখ টকা হ'ব বুলি আৰক্ষী সূত্রত প্রকাশ। চুপাৰিখিনি অসমৰ দৰঙৰ পৰা দিল্লীলৈ লৈ গৈ আছিল বুলি ধৃত চালকজনে প্রকাশ কৰে।

## বাসুগাঁও-কোকৰাঝাৰ সংযোগী পথৰ মাজত বৃহৎ গাঁত ঃ ৰাইজৰ প্রতিবাদ



অগ্রদূত বাৰ্তা

**গৰুভাষা, ২৯ জুন ঃ** বাসুগাঁও-কোকৰাঝাৰ সংযোগী বিপিন দৈমাৰী পথৰ মাজত বাৰাগঞ্জ নামে ঠাইত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাত আজি স্থানীয় ৰাইজে তীব্র প্রতিবাদ জনায়। অতি গুৰুত্বপূৰ্ণ গড়কাপ্টানী পথৰ ওপৰেৰে দৈনিক শ শ যান-বাহন অহা-যোৱা কৰে। ইয়াৰ উপৰি বৃহৎ বৃহৎ আকাৰৰ এনটিপিচিৰছাই কড়িওৱা ট্রাকসমূহ অবাধ গতিত উক্ত পথেৰে অহা-যোৱা কৰি থকাত ভূতৰ ওপৰত দানহ পৰাদি পথছোৱা বিধ্বস্ত কৰি পেলায়। মেৰামতিৰ কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰাত জাণ্ডুৰ খাই উঠে স্থানীয় ৰাইজে। অতিষ্ঠ স্থানীয় ৰাইজ আজি সমবেত হৈ এনটিপিচিৰছাই কড়িওৱা ট্রাকসমূহ আজি অৱৰোধ কৰি প্রতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে পথৰ মাজত ঠায়ে ঠায়ে সৃষ্টি হোৱা বৃহৎ গাঁতসমূহ মেৰামতিৰ ব্যৱস্থা নকৰিলে যিকোনো মুহূৰ্তত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনাই অধিক। পথছোৱা মেৰামতি কৰি যাতায়াত সুগম কৰি তুলিবলৈ ৰাইজে আহ্বান জনায়। ইয়াৰ অন্যথা প্রতিবাদ তীব্রতৰ কৰাৰ হুংকাৰ দিয়ে স্থানীয় ৰাইজে। ইফালে, বাসুগাঁৱৰ পৰা কাশীকোত্রালৈ যোৱা পথছোৱা ঠায়ে ঠায়ে বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাত যান-বাহন চলাচল কৰোতে যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। এনে পথৰ বাবে যানবাহন সততে বিকল হোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। চৰকাৰ-কৰ্তৃপক্ষই গুৰুত্ব আৰোপ কৰিব বুলি পথচাৰী ৰাইজে আশা প্রকাশ কৰে।

### দুৰ্যোগৰ মাজতো মুনাফালোভী বণিয়াই কম পৰিমাণৰ সামগ্রী যোগানেৰে ধন ঘটাৰ অভিসন্ধি টাৰ্প'লিন কেলেংকাৰিৰ তথ্য পোহৰলৈ আনিলে মৰিগাঁও ৰাজহ চক্র বিষয়াৰ কাৰ্যালয়ে

## মৰিগাঁৱত অব্যাহত বানৰ বিভীষিকা

অগ্রদূত বাৰ্তা

**মৰিগাঁও, ২৯ জুন ঃ** মৰিগাঁও জিলাত কলং-কপিলীৰ বাঢ়নী পানীয়ে জিলাখনৰ বিভিন্ন প্রান্ত জলমগ্ন কৰাৰ ফলত এতিয়াও এক বিভীষিকাময় পৰিস্থিতিয়ে বিৰাজ কৰিছে। কলং-কপিলীৰ জলপৃষ্ঠ বৃদ্ধি পাই থকাৰ সময়তে কলঙৰ মথাউৰিটোৰ দুই নম্বৰ নাৰমাৰি, দমাল তিনিআলি, টেঙাগুৰি আদি বহুকেইটা স্থানৰ জৰাজীৰ্ণ অৱস্থাই মৰিগাঁও চহৰলৈ ভাবুকি কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। মৰিগাঁও জিলা প্রশাসনে বানাক্রান্তক বানসাহায্য প্রদানেৰে সাময়িকভাৱে সকাহ দিয়াৰ বাবে চেষ্টা চলাইছে যদিও বান বিভীষিকাৰ মাজতো একাংশ সামগ্রী যোগান ধৰা বণিয়াই নিম্নমানৰ, কম পৰিমাণৰ সামগ্রী যোগানেৰে মুনাফা লুটাৰ অভিসন্ধি পোহৰলৈ আহিছে। উল্লেখ্য যে মৰিগাঁও জিলা প্রশাসনে বান দুৰ্গতৰ সহায়ৰ বাবে সৌৰ লেম্প প্রদানৰ ব্যৱস্থা কৰিছে। অথচ যোগানকাৰী প্রতিষ্ঠানে যোগান ধৰা সৌৰলেম্পসমূহ নিম্নমানৰ হোৱাৰ লগতে বুজন পৰিমাণৰ সৌৰলেম্প ব্যৱহাৰৰ অনুপযোগী হোৱা বুলি বানাক্রান্তই অভিযোগ কৰিছে। আনহাতে, একাংশ ব্যৱসায়িক প্রতিষ্ঠানে নিৰ্ধাৰিত পৰিমাণতকৈ কমসংখ্যক সামগ্রী যোগান ধৰি মুনাফা লুটাৰ অভিসন্ধি কৰাৰ অভিযোগ উঠিছে। মৰিগাঁও ৰাজহ চক্র বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ সঠিক নিৰীক্ষণ ব্যৱস্থাৰ বাবে সম্প্রতি এই অনিয়ম পোহৰলৈ আহে। প্রাপ্ত অভিযোগ অনুসৰি, মৰিগাঁও চহৰৰ নাৰায়ণ এন্টাৰপ্ৰাইজ নামৰ ব্যৱসায়িক প্রতিষ্ঠানটোৱে যোগান ধৰা টাৰ্প'লিনৰ পেকেটত এই বিসংগতি ধৰা পৰে। উল্লেখ্য যে এটা পেকেটত ১০খনকৈ টাৰ্প'লিন থকা বুলি উল্লেখ কৰিছিল যদিও মৰিগাঁও ৰাজহ চক্র কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে সন্দেহবশতঃ নাৰায়ণ এন্টাৰপ্ৰাইজে যোগান ধৰা তিনিটা পেকেট খুলি হিচাপ কৰাত প্রতিটো পেকেটত ১০খনৰ পৰিৱৰ্তে সাত বা আঠখন টাৰ্প'লিন পোৱাত সেইবোৰ গ্রহণ কৰিবলৈ অমান্তি হয়। অৱশ্যে পাছত উপায়ান্তৰ হৈ নিৰ্দিষ্ট সংখ্যাৰ টাৰ্প'লিন প্রদান কৰিবলৈ বাধ্য হয় যোগানকাৰী ব্যৱসায়িক প্রতিষ্ঠানটোৱে।

## বৰঢ়মপুৰৰ মাজপোটনিত চাঞ্চল্যকৰ হত্যাকাণ্ড

বিশেষ সংবাদদাতা/অগ্রদূত বাৰ্তা

**নগাঁও/পুৰণিগুদাম, ২৯ জুন ঃ** নগাঁও জিলাৰ ইটাচালি আৰক্ষী চকীৰ অন্তৰ্গত বঢ়মপুৰৰ মাজপোটনিত আজি এগৰাকী মহিলাক হত্যা কৰা এক ঘটনাই সমগ্র অঞ্চলটোত চেপা উত্তেজনা সৃষ্টি কৰিছে। হত্যাকাণ্ডৰ বলি হোৱা মহিলাগৰাকীৰ নাম বিজুমণি বৰা। প্রায় ৪৫ বছৰীয়া অবিবাহিতা মহিলাগৰাকীক দুৰ্বৃত্তই আজি পুৱাৰ ভাগত ডিঙিত খুঁচি খুঁচি হত্যা কৰা হৈছে বুলি আৰক্ষীয়ে সন্দেহ প্রকাশ কৰিছে। ঘটনাৰ বিষয়ে আজি

**অমানৱীয় হত্যাৰ বলি হ'ল বিশেষভাৱে সক্ষম মহিলা**

বিয়লি ভাগত সদৰী হৈ পৰাত লোকে-লোকাৰণ্য হৈ পৰে ঘটনাস্থলীত। ঘৰত অকলশৰীয়াকৈ থকা এই বিশেষভাৱে সক্ষম মহিলাগৰাকীক কোনে হত্যা কৰিলে সেয়া বৰ্তমানলৈকে পোহৰলৈ অহা নাই যদিও কোনো লোকৰ স'তে মাটিবাৰী সম্পৰ্কীয় বিবাদৰ পৰিণতিতেই এনে এক জঘন্য হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰিছে ৰাইজে। আৰক্ষীয়ে ইতিমধ্যে দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে স্নিফাৰ ডগৰ সহায়ত অনুসন্ধান আৰম্ভ কৰিছে। মৃতদেহটো ইতিমধ্যে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্রেৰণ কৰা হৈছে।

## দুমুনিচকী শিঙিমাৰীত গোৱালৰ সলিল সমাধি

### ম'হৰ নেগুৰত ধৰি গভীৰ জলাশয় পাৰ হোৱাৰ চেষ্টা

অগ্রদূত বাৰ্তা

**দুমুনিচকী/ছিপাঝাৰ, ২৯ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰৰ গৰুখুঁটি কৃষি প্রকল্পৰ আজি ম'হ চৰাবলৈ গৈ কৰুণ মৃত্যুক আঁকোৱালি লয় এজন গোৱালে। প্রাপ্ত তথ্য মতে, ম'হৰ নেগুৰত ধৰি গভীৰ জলাশয় পাৰ হ'বলৈ চেষ্টা কৰিছিল ম'হ পালক আৱৰ আলীৰ পুত্র আৰিফ আলী (৪২)এ। দুৰ্ভাগ্যবশতঃ ম'হৰ নেগুৰৰ পৰা হাত এৰা দি পানীত ডুবি যায় তেওঁ। স্থানীয় লোকে দেখা পাই উদ্ধাৰ কৰি ছিপাঝাৰ সামূহিক স্বাস্থ্য কেন্দ্রলৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত যুৱকজনে পিতৃ-মাতৃ, পত্নীসহ এগৰাকী কন্যা আৰু কণমানি পুত্রসহ অনেক গুণমুগ্ধক এৰি যায়। আৰিফৰ মৃত্যুত দুমুনিচকীৰ স্থানীয় অনুষ্ঠান-প্রতিষ্ঠানে গভীৰ শোক প্রকাশ কৰে। উল্লেখ্য যে আৰিফৰ ভনী জোঁৱাই তৌফিক আলীও ম'হ চৰাবলৈ গৈ বিগত ২৫ জুনত কুৰুৱাত নাও দুৰ্ঘটনাত আজিলৈ সন্ধানহীন হৈ আছে।

## নগাঁৱত হেৰ'ইনসহ এজন গ্রেপ্তাৰ



**বিশেষ সংবাদদাতা নগাঁও, ২৯ জুন ঃ** নগাঁৱৰ আৰক্ষীয়ে ড্রাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আজি এই অভিযানৰ অংশ হিচাপে নগাঁৱৰ হয়বৰগাঁও আৰক্ষীয়ে নগাঁও চহৰৰ সমীপৰ শিমলুগুৰিত অভিযান চলাই হেৰ'ইনসহ এজন ড্রাগছ সৰবৰাহকাৰীক গ্রেপ্তাৰ কৰিবলৈ সক্ষম হয়। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্রাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু উপ-পৰিদৰ্শক পিংকু বৰ্মনৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে আজি দুপৰীয়া শিমলুগুৰিৰ আফতাৰ আলী (২৯)ৰ ঘৰত অভিযান চলাই এই সফলতা লাভ কৰে। আৰক্ষীয়ে আফটাবৰ ঘৰৰ পৰা ২৪টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰ আৰু ৩২টা খালী কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। হেৰ'ইনখিনিৰ ওজন ৩.০২ গ্রাম। আফতাৰে দীৰ্ঘদিন ধৰি ড্রাগছৰ ব্যৱসায় চলাই আহিছিল বুলি আৰক্ষী সূত্রই জনাইছে।

## মৈৰাবাৰীত ড্রাগছসহ সৰবৰাহকাৰী গ্রেপ্তাৰ ঃ আৰক্ষীৰ শূন্যলৈ গুলি

অগ্রদূত বাৰ্তা

**ভূৰাগাঁও, ২৯ জুন ঃ** যোৱা নিশা মৰিগাঁও আৰক্ষীৰ চোৰাংচোৱা আৰু আৰু মৈৰাবাৰী আৰক্ষীৰ ভাৰপ্রাপ্ত আৰক্ষীৰ এক যৌথ অভিযানত মৈৰাবাৰী থানাৰ অন্তৰ্গত পলাশজুৰি গাঁৱৰ পৰা বৃহৎ পৰিমাণৰ ড্রাগছসহ নিজাম উদ্দিন (৩৫) নামৰ এজন ড্রাগছ ব্যৱসায়ীক গ্রেপ্তাৰ কৰা হয়। অভিযানকালত ড্রাগছ ব্যৱসায়ীজনে আৰক্ষীৰ বেষ্টনি ফালি পলায়নৰ চেষ্টা কৰাত আৰক্ষীয়ে নিজামক কৰায়ত্ত কৰিবলৈ শূন্যলৈ তিনি জাই গুলিচালনা কৰিবলগীয়া হয়। ড্রাগছ ব্যৱসায়ীজনৰ পৰা অভিযানকাৰী দলটিয়ে ১০টা ড্রাগছ ভৰ্তি চাবোনৰ বাকচসহ এখন এএছ-০১ বি ডব্লিউ ০০৫১ নম্বৰৰ চাৰিচকীয়া বাহন জব্দ কৰে। ড্রাগছ ব্যৱসায়ী নিজামে দৌৰি পলায়নৰ চেষ্টা কৰিছিল যদিও অভিযানকাৰী দলটিয়ে পিছে পিছে খেদি গৈ এখন পথাৰৰ মাজৰ পৰা কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইতিমধ্যে মৈৰাবাৰী আৰক্ষীয়ে নিজামক মৰিগাঁও আদালতত হাজিৰ কৰোৱাত আদালতে জেললৈ প্রেৰণ কৰে।

## অৰুণাচলত দুৰ্ঘটনাত পতিত হৈ সন্ধানহীন সেনাৰ চুবেদাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৯ জুন ঃ** দেশৰ নিৰাপত্তাৰ বাবে কৰ্তব্য পালনৰ সময়তে প্রতিকূল বতৰৰ মাজত দেশৰ সেনাৰ এজন চুবেদাৰ এক শোকাবহ দুৰ্ঘটনাৰ সন্মুখীন হৈ যোৱা তিনিদিনে নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে এইগৰাকী সেনা জোৱানৰ সন্ধানত বৃহৎ উদ্ধাৰ অভিযান অব্যাহত আছে যদিও এই পৰ্যন্ত তেওঁৰ সন্ধান ওলোৱা নাই। আজি সেনাৰ তৃতীয় ক'ৰৰ কাৰ্যালয়ৰ পৰা এক বিবৃতিত প্রকাশ কৰা অনুসৰি, যোৱা ২৬ জুনত দিনৰ প্রায় দুই বজাত এই শোকাবহ ঘটনাটো সংঘটিত হয় অৰুণাচল প্রদেশৰ নামনি সোৱণশিৰি জিলাৰ এক দুৰ্গম অঞ্চলত। সেনাৰ ৰেড শ্বিল্ড ডিভিজনৰ এটা অভিযানকাৰী দলে সীমান্তৰ এই অঞ্চলত টহল দিয়াৰ সময়তে পাহাৰীয়া এক জলধাৰাত পিচলি পৰি যায় চুবেদাৰ অমৰেন্দ্র কুমাৰ। লগে লগে সেই খৰস্রোতা প্রবাহত উদ্ধাৰ অভিযান চলোৱা হয়। উল্লেখ্য যে স্থানীয় লোকৰ লগতে স্থানীয় প্রশাসনৰ সহযোগত পাহাৰীয়া সুঁতিৰ লগতে নামনি অংশতো সেনাই বৃহৎ পৰিসৰত উদ্ধাৰ অভিযান আৰম্ভ কৰিলেও এই পৰ্যন্ত দুৰ্ঘটনাগ্রস্ত চুবেদাৰজনৰ সন্ধান লাভ কৰা নাই। প্রতিকূল বতৰৰ বাবে এই অভিযানৰ সময়ত যথেষ্ট সমস্যাৰ উদ্ভৱ হোৱাৰ উপৰি অভিযান ধীৰ গতিত কৰিবলগীয়া হোৱাৰ বিষয়ে প্রকাশ কৰি সেনাই বিবৃতিটোত লগতে প্রকাশ কৰিছে যে ইয়াৰ মাজতে উদ্ধাৰ অভিযান অবিৰতভাৱে অব্যাহত আছে।

## কাৰ্বি আংলঙৰ ১১ খণ্ড উন্নয়নত পিএমএৱাইজি আঁচনিত অনিয়ম

### চি বি আইৰ তদন্তৰ দাবী ছাত্র সংগঠনৰ ঃ মুখ্য কাৰ্যবাহীক স্মাৰকপত্র

বিশেষ সংবাদদাতা

**বকলীয়াঘাট, ২৯ জুন ঃ** কাৰ্বি আংলঙৰ মুঠ ১১ টা খণ্ড উন্নয়ন কাৰ্যালয়ৰ অধীনত থকা পিএমএৱাইজি আঁচনি ৰূপায়ণৰ নামত সংঘটিত হৈছে বিয়াগোম কেলেংকাৰি। এই অভিযোগ কাৰ্বি আংলঙৰ সক্রিয় ছাত্র সংগঠন ইউনাইটেড ষ্টুডেন্ট'ছ ইউনিয়ন অৱ কাৰ্বি আংলং চমুকৈ উচুকাৰ। সুদীৰ্ঘ দিন ধৰি ছাত্র সংগঠনটোৱে পিএমএৱাইজি আঁচনি ৰূপায়ণত অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰি আহিছিল যদিও তদন্তৰ দিশত অগ্রগতি নহ'ল বুলি জনাইছে নেতৃত্বই। এই সন্দৰ্ভত একাধিকবাৰ বিভাগীয় কৰ্তৃপক্ষক লিখিতভাৱে অভিযোগ দিয়াৰ পাছতো ফল নধৰাত আজি পুনৰ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙক বিষয়টো গুৰুত্বসহকাৰে গ্রহণ কৰি পদক্ষেপ



ল'বলৈ স্মাৰকপত্র প্রদান কৰে। দুই দফীয়া স্মাৰকপত্রখনত কাৰ্বি আংলঙৰ মুঠ ১১ টা খণ্ড উন্নয়ন কাৰ্যালয়ৰ পিএমএৱাইজি আঁচনি সন্দৰ্ভত চিবিআই তদন্ত দাবী কৰে। লগতে প্রাথমিক শিক্ষকসকলক শিক্ষাৰ পৰিৱৰ্তে অন্য কামত যাতে চৰকাৰে নিয়োজিত নকৰে, সেই কথা স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে ছাত্র সংগঠন উচুকাৰ কেন্দ্রীয় সমিতিৰ সভাপতি বিবিছন টেৰণ আৰু সাধাৰণ সম্পাদক জিন্টু হাজৰিকা স্বাক্ষৰিত স্মাৰকপত্রখন পোৱাৰ লগে লগে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে নিজেই ম'বাইল যোগে কাৰ্বি আংলঙৰ ডিআৰডিএৰ প্রজেক্ট ডাইৰেক্টৰ শশীকান্ত তিমুঙক এঘাৰখন খণ্ড উন্নয়ন কাৰ্যালয়ৰ উক্ত আঁচনি সন্দৰ্ভত তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। মন কৰিব লগা কথা এয়ে যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধিনৰ মুঠ ১১ টা খণ্ড উন্নয়ন কাৰ্যালয় পিএমএৱাইজি আঁচনি ৰূপায়ণত সংঘটিত বিয়াগোম কেলেংকাৰিত কোন জড়িত, সেয়া উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্তহে পোহৰলৈ আহিব।

## জেংখা বজাৰত নিশা অগ্নিকাণ্ডত ২০ খনৰো অধিক দোকান ভস্মীভূত



অগ্রদূত বাৰ্তা

**ডংকামোকাম, ২৯ জুন ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ জেংখা বজাৰত আজি নিশা ৯-৩০ বজাত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত সৰু-ডাঙৰ ২০ খনৰো দোকান ভস্মীভূত হয়। বজাৰখনত সংঘটিত এই অগ্নিকাণ্ডত প্রায় ৫০ লাখ টকাৰ সা-সম্পত্তি ভস্মীভূত হয়। দুখন অগ্নিনিৰ্বাপক বাহিনীৰ বাহনে জুই নিয়ন্ত্রণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই যদিও শ্বৰ্ট-শ্বাৰ্কিটৰ ফলত হোৱা বুলি অনুমান কৰা হৈছে।

## টিহু ৰাজহ চক্র কাৰ্যালয়ৰ বৰবাবু মনো কুমাৰ দাসৰ মৃত্যুত শোক প্রকাশ

অগ্রদূত বাৰ্তা

**টিহু, ২৯ জুন ঃ** টিহুৰ নাথকুছি নিবাসী বিশিষ্ট সমাজকৰ্মী তথা টিহু ৰাজহ চক্র কাৰ্যালয়ৰ বৰবাবু মনো কুমাৰ দাসৰ আজি নাথকুছিস্থিত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৮ বছৰ। উল্লেখ্য যে প্রয়াত দাস নাথকুছিৰ ঐতিহ্যমণ্ডিত বাসন্তী পূজা, নাথকুছি বাৰোৱাৰী লক্ষ্মী পূজা, নাথকুছি আঞ্চলিক মুক্তিধাম আদিৰ লগত সক্রিয়ভাৱে জড়িত থাকি ইয়াৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। প্রয়াত দাসে দীৰ্ঘদিন ধৰি গেষ্ট্রিক ৰোগত আক্রান্ত হৈ আছিল আৰু যোৱা ১২ জুনত চেন্নাইলৈ চিকিৎসাৰ বাবে গৈ যোৱা নিশা উভতি আহি ঘৰ পাইছিল। কিন্তু আজি আকস্মিকভাৱে দাসৰ মৃত্যু হয়। সমাজপ্রাণ দাসৰ মৃত্যুত নমাটি মৌজা বাৰোৱাৰী বাসন্তী পূজা সমিতি আৰু বাসন্তী মন্দিৰ সমিতি, নাথকুছি বাৰোৱাৰী লক্ষ্মী পূজা সমিতি, নাথকুছি শিৱ মন্দিৰ সমিতি, নাথকুছি আঞ্চলিক মুক্তিধাম সমিতি, নাথকুছি ক্রীড়া সন্থা, নাথকুছি ব্যৱসায় সন্থা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, নাথকুছি উন্নয়ন সমিতি, টিহুৰ ৰাজহ চক্র বিষয়া অৰূপ চৌধুৰী আৰু ৰাজহ চক্র কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দই গভীৰ শোক প্রকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্র, এগৰাকী কন্যা, দুই ভ্রাতৃ, আত্মীয়সকল আৰু অজস্র গুণমুগ্ধক এৰি যায়।

### মাটিৰ বাচন তৈয়াৰ কৰি উলিয়াইছিল পঢ়া খৰচ

## আৰ্থিক অনাটনক নেওচি উজলিল চামতাৰ মানসী দাস

অগ্রদূত বাৰ্তা



**চামতা, ২৯ জুন ঃ** আৰ্থিক অনাটনক তীব্র প্রত্যাহ্বান জনাই সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত জিলিকি উঠিছে নলবাৰী জিলাৰ চামতা কুলবিলৰ হিৰাপাৰা চুবুৰীৰ হিৰা সম্প্রদায়ৰ কন্যা। পশ্চিম নলবাৰীৰ কুলবিলৰ হিৰাপাৰা নিবাসী এগৰাকী মাটিৰ বাচন তৈয়াৰ কৰি পৰিয়াল চলোৱা বিহুৰাম দাস আৰু বিমলা দাসৰ কন্যা মানসী দাসে তিনিটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি ৭৫ শতাংশ নম্বৰসহ ষ্টাৰ পাই উচ্চতৰ মাধ্যমিক পৰীক্ষাত কলা শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ আৰ্থিক দৈন্যতা যে মেধাৰ বাবে প্রাচীৰ নহয় তাকে প্রমাণ কৰিলে। আনকি নিজেও মাটিৰ বাচন তৈয়াৰ কৰি নিজৰ পঢ়া খৰচ উলিয়াইছিল মানসীয়ে। পঢ়া-শুনাৰ বাবে কোনো সুবিধা দিব নোৱাৰৰ পাছতো এনে ফলাফলৰ বাবে উচুপি কান্দি উঠিছে পিতৃ-মাতৃ। এনে পৰিস্থিতিত নিজৰ কৰ্মৰ সাঁচতীয়া ধনেৰে শিক্ষাৰ খৰচ বহন কৰিছিল পিতৃ বিহুৰামে। পশ্চিম নলবাৰী ইডেদ ভেলী একাডেমিৰ শিক্ষাৰ্থী মানসীয়ে অসমীয়াত ৮৭, ইংৰাজীত ৫২, ৰাজনীতি বিজ্ঞানত ৮৩, তৰ্ক বিজ্ঞান ৭৩, নৃতত্ত্বত ৮০, নম্বৰসহ মুঠ ৩৭৫ নম্বৰ লাভ কৰিছে। আৰ্থিক অৱস্থাৰ বাবে ক'ত নামভৰ্তি কৰিব সেয়া এতিয়ালৈ সিদ্ধান্ত লোৱা নাই যদিও মনতে সাংবাদিক হোৱাৰ হেঁপাহ মানসীৰ। অতি কষ্টেৰে অধ্যয়ন অব্যাহত ৰখা মানসীৰ এনে সাফল্যত পশ্চিম নলবাৰীৰ বিভিন্ন দল-সংগঠনে শুভেচ্ছা জ্ঞাপন কৰিছে। মানসীৰ উচ্চ শিক্ষাৰ বাবে এতিয়া আৰ্থিক দৈন্যতাই হেঙাৰ হিচাপে থিয় দিছে। সেয়েহে চৰকাৰ, দল-সংগঠন তথা ৰাইজক মানসীক শিক্ষাৰ ক্ষেত্রত সহায় কৰিবলৈ অনুৰোধ জনাইছে পৰিয়ালটোৱে। আনহাতে, আন এজন হিৰাপাৰাৰ ছাত্র অবিনাশ দাসে উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত প্রথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## কাৰ্বি আংলঙত নৈশ বাছত ড্রাগছসহ এজনক আটক

বিশেষ সংবাদদাতা

**বকলীয়াঘাট, ২৯ জুন ঃ** কাৰ্বি আংলং জিলাত বৰপথাৰত আজি নগালেণ্ডৰ ডিমাপুৰৰ পৰা তিনিচুকীয়া অভিমুখে এখন নৈশ বাছৰ পৰা বুজন পৰিমাণৰ নিষিদ্ধ ড্রাগছসহ এজন যুৱকক আটক কৰে আৰক্ষীয়ে। বৰপথাৰ থানাৰ আৰক্ষীয়ে এ আৰ-০৯ এ-৪৭৮৪ নম্বৰৰ নৈশ বাছখনত তালাচী চলাই চাৰিটা চাবোনৰ বাকচত অনা ৪৭.৪ গ্রাম ড্রাগছ জব্দ কৰে। লগতে তিনিচুকীয়াৰ কাকপথাৰৰ হীৰকজ্যোতি দহোটীয়াক গ্রেপ্তাৰ কৰে। উল্লেখ্য যে দিনৰ ভাগতো বোকাজান আৰু খটখটী আৰক্ষীয়ে ডিমাপুৰ আৰক্ষীৰ সহযোগত তিনি মহিলাসহ এজন যুৱকক ১৫ লাখ টকাৰ ড্রাগছসহ আটক কৰিছিল।

### কোকৰাঝাৰ ইউ এন একাডেমীত সম্বৰ্ধনা অনুষ্ঠান

## ৭২ কৃতী ছাত্র-ছাত্রীক সম্বৰ্ধনা জ্ঞাপন মন্ত্রী উৰ্খাও গৌৰাৰ



অগ্রদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কোকৰাঝাৰ ইউএন একাডেমীৰ কৃতী ছাত্র-ছাত্রীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে কোকৰাঝাৰস্থিত ইউএন একাডেমীৰ চৌহদত সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানতে ইউএন একাডেমীৰ সাতগৰাকী কৃতী ছাত্র-ছাত্রীক সম্বৰ্ধনা জনোৱা হয়। ট্রফী, কিতাপৰ টোপোলা আৰু আৰনাইৰে ছাত্র-ছাত্রীকেইগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে মন্ত্রী উৰ্খাও গৌৰা ব্রহ্ম, কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বড়োলেণ্ড বিশ্ববিদ্যালয় পঞ্জীয়ক সুবুং বসুমতাৰীয়ে। সম্বৰ্ধনা লাভ কৰা কৃতী ছাত্র-ছাত্রীকেইগৰাকী ক্রমে বীসৌনগিৰী মুছাহাৰী, জুগামী বসুমতাৰী, সিগাংছাৰ বসুমতাৰী, কলম্বাছ বড়ো, সঞ্জনা বড়ো, কৃষি মুছাহাৰী আৰু বিজিত গৌৰা বসুমতাৰী। ইয়াৰ উপৰি আজিৰ এই অনুষ্ঠানৰ জৰিয়তে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ডিষ্টিংচন আৰু ষ্টাৰ মাৰ্ক লাভ কৰা কোকৰাঝাৰ ইউএন একাডেমীৰ ৭২ গৰাকী ছাত্র-ছাত্রীকো একোখনকৈ আৰনাই আৰু কলমৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে ইউএন একাডেমী কোকৰাঝাৰৰ সঞ্চালক কৃষ্ণগোপাল বসুমতাৰীয়ে আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্রাক্তন সদস্য প্রফুল্ল কুমাৰ হাজোৱাৰী, কোকৰাঝাৰ মহাবিদ্যালয়ৰ প্রবক্তা ক্রমে বৈহিথি বৰগয়াৰী আৰু ডি ডি মুছাহাৰীকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ইউএন একাডেমীৰ শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্র-ছাত্রী উপস্থিত থাকে।

## ইৰান-আৰ্জেণ্টিনাই ব্ৰিক্সত অন্তৰ্ভুক্তিৰ বাবে কৰিলে আবেদন




**নিউজ ব্যুৰ', বেইজিং, ২৯ জুন ঃ** পাঁচ দেশৰ সংগঠন ব্ৰিক্সত সদস্য হিচাপে যোগদানৰ বাবে আবেদন কৰিলে ইৰান আৰু আৰ্জেণ্টিনাই। ব্ৰিক্সৰ শেহতীয়া শীৰ্ষ সন্মিলনৰ কেইদিনমানৰ পাছত এই তথ্য প্ৰকাশ কৰিলে ৰাছিয়াৰ চৰকাৰী সংবাদ মাধ্যমে। সদ্য সমাপ্ত ব্ৰিক্স সন্মিলনত নতুন দেশক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰসংগত বিস্তাৰিতভাৱে আলোচনা কৰা হৈছিল। উল্লেখ্য যে বৰ্তমানে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা ব্ৰিক্সৰ সদস্য ৰাষ্ট্ৰ। এইবাৰ ব্ৰিক্সৰ সদস্য হিচাপে সংগঠনটোত অন্তৰ্ভুক্ত হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে ইৰান আৰু আৰ্জেণ্টিনাই।

## পুত্ৰ আকাশৰ পাছত এইবাৰ কন্যা ইশাক গুৰু দায়িত্ব অৰ্পণ মুকেশ আম্বানীৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৯ জুন ঃ** ভাৰতৰ দ্বিতীয়জন সবাতোকৈ ধনাঢ্য উদ্যোগপতি মুকেশ আম্বানীয়ে তেওঁৰ কন্যা ইশা আম্বানীক ৰিলায়েন্স ৰিটেইলৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণৰ সিদ্ধান্ত ল'লে। আম্বানী কন্যাই এতিয়াৰে পৰা ৰিলায়েন্স ৰিটেইলৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ব্লুমবাৰ্গৰ এক প্ৰতিবেদনত এই বাতৰি প্ৰকাশ পাইছে। উল্লেখ্য যে দুদিন পূৰ্বে জিঅ'ৰ ব'ৰ্ডৰ বৈঠকত আম্বানীয়ে তেওঁৰ পুত্ৰ আকাশ আম্বানীক জিঅ' ইনফ'কম লিমিটেডৰ ব'ৰ্ডৰ অধ্যক্ষ নিযুক্তি দিছিল। পুত্ৰ আৰু কন্যাক এইদৰে ৰিলায়েন্স উদ্যোগ গোষ্ঠীৰ দুটা গুৰুত্বপূৰ্ণ বিভাগৰ মুৰব্বীৰ দায়িত্ব অৰ্পণৰ জৰিয়তে আম্বানীয়ে তেওঁৰ বাণিজ্যিক সাম্ৰাজ্য পৰিচালনাৰ দায়িত্ব নতুন প্ৰজন্মক গতালে। ইশাই ৰিলায়েন্স ৰিটেইলৰ মুৰব্বীৰ দায়িত্ব লাভ কৰাৰ পূৰ্বে ৰিলায়েন্স ৰিটেইল ভেন্সাৰ্ছ লিমিটেডৰ সঞ্চালক হিচাপে কাম কৰিছিল। ইশাই য়েল আৰু ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা আহৰণ কৰি ২০১৫ত ৰিলায়েন্স প্ৰতিষ্ঠানত বিষয়া হিচাপে যোগদান কৰিছিল। ২০১৮ৰ ডিচেম্বৰত আনন্দ পিৰামলৰ স'তে ইশাৰ বিবাহ সম্পন্ন হৈছিল।

## সংখ্যালঘু নিৰ্যাতন ঃ এইবাৰ কৰাচীত নাবালক হিন্দু কিশোৰক কৰিলে অপহৰণ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ জুন ঃ** পাকিস্তানৰ দক্ষিণ সিন্ধ প্ৰদেশত সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ এজন নাবালকক মটৰ চাইকেলেৰে অহা দুজন অজ্ঞাত পৰিচয়ৰ লোকে ঘৰৰ বাহিৰৰ পৰা অপহৰণ কৰিলে। যোৱা সোমবাৰে পুৰা আদেশ কুমাৰ নামৰ নাবালকে ঘৰৰ বাহিৰত প্ৰতিবেশী দুই বন্ধুৰ স'তে খেলা-ধূলা কৰি আছিল আৰু সেই সময়তে মটৰচাইকেলেৰে অহা দুজন লোকে নাবালকক অপহৰণ কৰি নিয়ে। ঘটনাৰ সন্দৰ্ভত স্থানীয় আৰক্ষীয়ে ইতিমধ্যে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে সিন্ধ প্ৰদেশত বাস কৰা সংখ্যালঘু লোকসকলে প্ৰায়ে নিৰ্যাতনৰ সন্মুখীন হৈ আহিছে।

## ৬০ ঘণ্টাত দুই দেশ ভ্ৰমণ, ১৫ বৈঠক সমাপ্ত কৰি ভাৰতলৈ উভতিল মোদী



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৬০ ঘণ্টাত দুখন দেশ ভ্ৰমণ কৰাৰ লগতে উক্ত দুই দেশত মুঠ ১৫খন বৈঠকত অংশ লৈ স্বদেশলৈ উভতি আহিল। জি-৭ শীৰ্ষ সন্মিলনত অংশ ল'বলৈ জাৰ্মানীলৈ যোৱা ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে সংযুক্ত আৰৱ আমিৰশ্বাহিতো উপস্থিত হৈছিল। জি-৭ সন্মিলনত অংশ লোৱাৰ লগতে মোদীয়ে একাধিক দেশৰ ৰাষ্ট্ৰপ্ৰধানৰ স'তে দ্বিপাক্ষিক বৈঠকত মিলিত হৈছিল। ইয়াৰ পাছতে জাৰ্মানীৰ পৰা ভাৰতলৈ ওভতাৰ পথত মোদীয়ে আবু ধাবিত উপস্থিত হৈ কে'বাখনো বৈঠকত অংশ লৈছিল। দুই ৰাষ্ট্ৰৰ ভ্ৰমণ কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাৰ পাছত মঙলবাৰে মাজনিশা মোদীয়ে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

## ২৪ ঘণ্টাত দেশত সামান্য বৃদ্ধি দৈনিক সংক্ৰমণ, মৃত্যু ৩০ জনৰ




**নিউজ ব্যুৰ' নতুন দিল্লী, ২৯ জুন ঃ** মঙলবাৰৰ তুলনাত বুধবাৰে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ সামান্য বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ১৪,৫০৬ জন লোক। মঙলবাৰে এই সংখ্যা আছিল ১১,৭৯৩ জন। দৈনিক সংক্ৰমণৰ শীৰ্ষত থকা মহাৰাষ্ট্ৰত বিগত এদিনত ৩,৪৮২ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। একেদৰে বিগত এদিনত কেৰালাত ২,৯৯৩, তামিলনাডুত ১,৪৮৪, কৰ্ণাটকত ৯৬৮, পশ্চিমবংগত ৯৫৪ আৰু দিল্লীত ৮৭৪ জন লোক ক'ভিড সংক্ৰমিত হ'ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ৩০ জন লোকৰ মৃত্যু হ'ল। কেৱল কেৰালাতে ১২ জন ক'ভিড ৰোগীয়ে যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে।

### শ্বপিং ম'লক ক্ষেপণাস্ত্ৰ আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰা ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী

# সন্ত্ৰাসবাদীত পৰিণত হ'ল পুটিন ঃ জেলেন'স্কিৰ অভিযোগ

**নিউজ ব্যুৰ' কীভ, ২৯ জুন ঃ** ৰাছিয়াই বিগত চাৰিমাহৰো অধিক দিন ধৰি ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰাখিছে। যোৱা ২৭ জুনত ৰাছিয়াই ইউক্ৰেইনৰ ক্ৰেমেনচুক চহৰত থকা এখন শ্বপিং ম'লত ক্ষেপণাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰিছিল। ৰাছিয়াৰ এই ক্ষেপণাস্ত্ৰ আক্ৰমণত কমেও ১৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছিল। শ্বপিং ম'লত





এইদৰে ৰুছ সেনাই ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলোৱা ঘটনাৰ পাছত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেন'স্কিয়ে ৰুছ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক সন্ত্ৰাসবাদী আখ্যা দিলে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদক উদ্দেশি এক ভিডিঅ' বাৰ্তাত জেলেন'স্কিয়ে কয় যে ৰাছিয়াক জবাবদিহি কৰা জৰুৰী হৈছে যাতে দেশখনৰ সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ বন্ধ কৰিব পাৰি। 'আমি ৰাছিয়াৰ হত্যাকাণ্ড বন্ধ কৰিবলৈ তৎকালে পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ ফলত বৰ্তমানলৈকে লক্ষাধিক লোক গৃহহাৰা হৈছে আৰু দেশ ত্যাগ কৰিবলৈকো বাধ্য হৈছে। যুদ্ধৰ পৰিণতিত বৰ্তমানলৈকে কে'বা হেজাৰ লোকৰ মৃত্যু হ'ল।' উক্ত ভিডিঅ' বাৰ্তাত জেলেন'স্কিয়ে এইদৰে কয়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে পুটিন সন্ত্ৰাসবাদীত পৰিণত হ'ল। শ্বপিং ম'লৰ দৰে স্থানক ক্ষেপণাস্ত্ৰ আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰা ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে গ্ৰহণ কৰা জৰুৰী বুলিও জেলেন'স্কিয়ে মন্তব্য কৰিলে।

## পহিলা জুলাইৰ পৰা দেশত নিষিদ্ধ হ'ব এবাৰ ব্যৱহাৰোপযোগী প্লাষ্টিক




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে পহিলা জুলাইৰ পৰা দেশত এবাৰ ব্যৱহাৰোপযোগী (ছিংগল ইউজ) প্লাষ্টিক নিষিদ্ধ কৰাৰ সিদ্ধান্ত ল'লে। এই সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত নিৰীক্ষণ কক্ষ স্থাপন কৰিব। এনে নিয়ন্ত্ৰণ কক্ষৰ জৰিয়তে প্লাষ্টিকৰ অবৈধ প্ৰস্তুতকৰণ, আমদানি, মজুতকৰণ, বিতৰণ আৰু বিক্ৰী নিৰীক্ষণত ৰখা হ'ব। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, দেশত বৰ্তমানে এবাৰ ব্যৱহাৰোপযোগী প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰৰ ফলত প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো এক বৃহৎ প্ৰত্যাহ্বানত পৰিণত হৈছে। এবাৰ ব্যৱহাৰোপযোগী প্লাষ্টিক হিচাপে পহিলা জুলাইৰ পৰা দেশত প্লাষ্টিকৰে তৈয়াৰী আইচক্ৰীম ষ্টিক, প্লেট, কাপ, গিলাচ, চামুচ, ষ্ট্ৰ' ইত্যাদি নিষিদ্ধ কৰা হ'ব।

## অৱশেষত সেউজ সংকেত তুৰস্কৰ, নাটোৰ সদস্য হ'ব ফিনলেণ্ড-ছুইডেন




**নিউজ ব্যুৰ' ষ্টকহোম, ২৯ জুন ঃ** ফিনলেণ্ড আৰু ছুইডেনে দীৰ্ঘদিন ধৰি উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ৰ সদস্য পদ গ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছে। কিন্তু এই দুই ৰাষ্ট্ৰক নাটোৰ অধীনস্থ কৰাৰ তীব্ৰ বিৰোধিতা কৰিছিল তুৰস্কই। অৱশেষত তুৰস্কই ফিনলেণ্ড আৰু ছুইডেনক নাটোৰ সদস্যপদ প্ৰদানৰ বাবে সেউজ সংকেত দিলে। লিখিতভাৱে তুৰস্কই অৱগত কৰিলে যে নতুন দুই ৰাষ্ট্ৰৰ নাটোৰ সদস্যপদ গ্ৰহণৰ ক্ষেত্ৰত তেওঁলোকৰ কোনো আপত্তি নাই। তুৰস্কই এইদৰে স্থিতি সলনি কৰাৰ আঁৰত আমেৰিকাৰ হাত থকা বুলি সন্দেহ কৰা হৈছে যদিও ৱাশ্বিংটনে এনে সন্দেহ অমূলক বুলি দাবী কৰিছে। উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰাৰ পাছতে নাটোত যোগদান কৰিবলৈ ফিনলেণ্ড আৰু ছুইডেন তৎপৰ হৈ উঠিছে। যোৱা মে'ত চৰকাৰীভাৱে নাটোত যোগদানৰ বাবে দুই ৰাষ্ট্ৰই আবেদন পত্ৰ দাখিল কৰিছিল। সেই সময়তে তুৰস্কই আপত্তি কৰি কৈছিল যে প্ৰয়োজনত ভেট' প্ৰয়োগ কৰি দুই দেশৰ নাটোত যোগদানত বাধা দিয়া হ'ব। কিন্তু অৱশেষত এই কঠোৰ স্থিতি প্ৰত্যাহাৰ কৰিলে তুৰস্কই।

## মাৰ্কিন ৰাষ্ট্ৰপতিৰ পত্নী-কন্যাৰ প্ৰৱেশ নিষিদ্ধ হ'ল ৰাছিয়াত



**নিউজ ব্যুৰ', মস্কো, ২৯ জুন ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ পত্নী জিল বাইডেন আৰু কন্যা অয়াছলৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিলে ৰাছিয়াই। ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ আৰম্ভ কৰাৰ পাছৰে পৰা আমেৰিকাই মস্কোৰ বিৰুদ্ধে নানা ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰি আহিছে। যোৱা এপ্ৰিলত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ দুই কন্যা আৰু প্ৰাক্তন পত্নীৰ বিৰুদ্ধে আমেৰিকাই নিষেধাজ্ঞা আৰোপ কৰিছিল। এইবাৰ ৱাশ্বিংটনক প্ৰত্যুত্তৰ দিলে মস্কোৱে। বাইডেনৰ পত্নী-কন্যাসহ আমেৰিকাৰ ২৫ জন লোকৰ ৰাছিয়াত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিলে পুটিন প্ৰশাসনে। আমেৰিকাৰ চাৰিজন ছিনেটৰ সদস্যৰ নামো মস্কোৱে প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰা তালিকাত আছে। আমেৰিকাৰ ওপৰত চাপ বৃদ্ধি কৰিবলৈ পুটিন প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰিলে।

## কানহাইয়াৰ আঠ বছৰীয়া পুত্ৰইহে অজানিতে বিতৰ্কিত প'ষ্ট আন ব্যক্তিলৈ ফৰৱাৰ্ড কৰিছিল

**নিউজ ব্যুৰ' উদয়পুৰ, ২৯ জুন ঃ** পয়গম্বৰ সন্দৰ্ভত বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাই প্ৰকাশ কৰা বিতৰ্কিত মন্তব্যৰ সমৰ্থনত সামাজিক মাধ্যমত এক প'ষ্ট প্ৰচাৰ কৰি নৃশংস হত্যাৰ বলি হ'ল কানহাইয়া লাল নামৰ এজন ব্যক্তি। ৰাজস্থানৰ উদয়পুৰত দৰ্জি হিচাপে কাম কৰা কানহাইয়াৰ শিৰশ্চেদ কৰিলে দুজন ব্যক্তিয়ে। পয়গম্বৰ প্ৰসংগত হোৱাটছএপত বিতৰ্কিত প'ষ্ট ফৰৱাৰ্ড কৰাৰ পাছত যোৱা ১৭ জুনত কানহাইয়াই ৰিয়াজ আটাৰী নামৰ এজন লোকৰ জৰিয়তে হত্যাৰ ভাবুকি লাভ




কৰিছিল। ভিডিঅ' বাৰ্তাৰ জৰিয়তে আটাৰীয়ে কানহাইয়াক ভাবুকি দিছিল। ইয়াৰ পাছতে কানহাইয়াই আৰক্ষীৰ পৰা নিৰাপত্তা বিচাৰিছিল। ভাবুকিত শংকিত হৈ কানহাইয়াই ছদিন ধৰি নিজৰ দোকান খোলা নাছিল। মঙলবাৰে ভয়-শংকাৰ মাজতে কানহাইয়াই তেওঁৰ দোকানখন খুলিছিল। উক্ত দিনাই দুজন লোকে গ্ৰাহকৰ বেশত পোছাক চিলোৱাৰ বাহানাৰে দোকানত প্ৰৱেশ কৰি কানহাইয়াক চোকা অস্ত্ৰৰে আঘাত হানি শিৰশ্চেদ কৰিছিল, আক্ৰমণকাৰী দুই ব্যক্তিক ৰিয়াজ আটাৰী আৰু ঘাউছ মহম্মদ নামৰে চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে ইতিমধ্যে দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰিলে। কানহাইয়াৰ মৰণোত্তৰ পৰীক্ষাত তেওঁৰ ডিঙিত সাত-আঠবাৰ আঘাত হনাৰ আৰু শৰীৰত দুই ডজনৰো অধিক আঘাতৰ চিন চিকিৎসকে ধৰা পেলালে। ইছলামিক ষ্টেট (আইছিছ)ৰ নৃশংস পদ্ধতিৰে উদয়পুৰত এইদৰে কানহাইয়াক শিৰশ্চেদ কৰা ঘটনাই দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কানহাইয়াৰ পৰিয়ালৰ লোকে প্ৰকাশ কৰা অনুসৰি, হোৱাটছএপত উক্ত বিতৰ্কিত প'ষ্ট কানহাইয়াই ফৰৱাৰ্ড কৰা নাছিল, তেওঁৰ আঠ বছৰীয়া পুত্ৰইহে অজানিতে উক্ত প'ষ্ট আন ব্যক্তিলৈ ফৰৱাৰ্ড কৰিছিল। এইদৰে বিতৰ্কিত প'ষ্ট ফৰৱাৰ্ড কৰাৰ পৰিণতিতে নৃশংস হত্যাৰ বলি হ'ল কানহাইয়া।

## উদয়পুৰ হত্যাকাণ্ডৰ এনআইএৰ তদন্তৰ নিৰ্দেশ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** ৰাজস্থানৰ উদয়পুৰত কানহাইয়া লাল নামৰ এজন দৰ্জিক দুজন লোকে নৃশংসভাৱে শিৰশ্চেদ কৰা ঘটনা সন্দৰ্ভত তদন্তৰ দায়িত্ব নেচনেল ইনভেষ্টিগেচন এজেন্সী (এনআইএ)ক অৰ্পণ কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ৰ মুখপাত্ৰই টুইটাৰত এই কথা প্ৰকাশ কৰি আজি কয়, 'গৃহ মন্ত্ৰণালয়ে এনআইএক ৰাজস্থানৰ উদয়পুৰত হোৱা কানহাইয়া লাল তেলীৰ হত্যাকাণ্ডৰ তদন্তৰ নিৰ্দেশ দিছে।' উল্লেখ্য যে এই হত্যাত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ইতিমধ্যে দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।




## সবাতোকৈ ধনী অৰ্বুদপতিৰ তালিকাত আদানী পঞ্চম, আম্বানী অষ্টম স্থানত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীয়ে পঞ্চম স্থান লাভ কৰিলে। ফ'ৰ্বছ ৰিয়েল টাইম বিলিয়নেৰ তালিকাত সম্প্ৰতি ১০১.৬ বিলিয়ন ডলাৰৰ সম্পত্তিৰে আদানীয়ে বিশ্বৰ পঞ্চমজন সবাতোকৈ ধনী অৰ্বুদপতি হিচাপে স্বীকৃতি লাভ কৰিলে। ইফালে, ৯৪.৭ বিলিয়ন ডলাৰৰ সম্পত্তিৰে তালিকাখনত বিশ্বৰ অষ্টম ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত হ'ল ৰিলায়েন্স গোষ্ঠীৰ মুৰব্বী মুকেশ আম্বানী। ধনাঢ্য ব্যক্তিৰ এই তালিকাত আদানীয়ে লেৰী পেজ, ৱাৰেন বফে আৰু মুকেশ আম্বানীক পুনৰ অতিক্ৰম কৰিলে। বৰ্তমানে লেৰী ৯৬.৭ বিলিয়ন ডলাৰৰ, বফে ৯৫.৪ বিলিয়ন ডলাৰৰ সম্পত্তিৰ অধিকাৰী। ধনাঢ্য ব্যক্তিৰ এই তালিকাত ২২৫.৩ বিলিয়ন ডলাৰৰ সম্পত্তিৰে প্ৰথম স্থানত আছে টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্ক।**

## শ্বাহৰুখৰ বিৰুদ্ধে ১০১ কোটিটকীয়া মানহানিৰ গোচৰত সাময়িক সকাহ দিলে আদালতে



**নিউজ ব্যুৰ', মুম্বাই, ২৯ জুন ঃ** 'ৰইচ' নামৰ ছবিখনৰ কাহিনী আৰু চিত্ৰনাট্য ৰচনা কৰা হৈছিল বাস্তৱৰ গেংষ্টাৰ আব্দুল লতিফৰ জীৱনৰ আধাৰত। উক্ত ছবিখনত লতিফৰ জীৱন কাহিনী শুদ্ধভাৱে উপস্থাপন কৰা হোৱা নাছিল বুলি অভিযোগ উত্থাপন কৰি লতিফৰ পৰিয়ালে অভিনেতা শ্বাহৰুখ খানসহ 'ৰইচ'ৰ প্ৰযোজকৰ বিৰুদ্ধে ১০১ কোটি টকাৰ মানহানিৰ গোচৰ তৰিছিল। এই গোচৰত নিম্ন আদালতৰ নিৰ্দেশত অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰিলে গুজৰাট উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে মানহানিৰ গোচৰত নিম্ন আদালতে পূৰ্বে দিয়া ৰায়ক অভিনেতা শ্বাহৰুখ, 'ৰইচ'ৰ প্ৰযোজক ফাৰহান আখতাৰ আৰু ছবিখনৰ পৰিচালক ৰাহুল ঢোলাকিয়াই গুজৰাট উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল। ন্যায়াধীশ উমেশ ত্ৰিবেদীয়ে অহা ২০ জুলাই পৰ্যন্ত নিম্ন আদালতৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰিলে। ফলত সাময়িকভাৱে সকাহ লাভ কৰিলে শ্বাহৰুখৰ লগতে ছবিখনৰ প্ৰযোজক আৰু পৰিচালকে।


## বিহাৰত এ আই এম আই এমৰ চাৰি বিধায়কৰ আৰ জে ডিত যোগদান



**নিউজ ব্যুৰ', পাটনা, ২৯ জুন ঃ** বিহাৰত অঘটনৰ সন্মুখীন হ'ল আছাদুদ্দিন ওৱেইছি নেতৃত্বাধীন এ আই এম আই এম দল। ওৱেইছিৰ দলৰ চাৰিজন বিধায়কে আৰ জে ডিত যোগদানৰ সিদ্ধান্ত ল'লে। বিহাৰ বিধানসভাৰ বিৰোধী নেতা তেজস্বী যাদৱে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। বিহাৰ বিধানসভাত এ আই এম আই এমৰ পাঁচজন বিধায়ক আছে আৰু ইয়াৰে চাৰিজনে আৰ জে ডিত যোগদান কৰিব।

## কেপিটল হিল হিংসাকাণ্ড ঃ সমৰ্থকৰ হাতত অস্ত্ৰ থকাৰ কথা জানিও উচটনি দিছিল ট্ৰাম্পে

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৯ জুন ঃ** আমেৰিকাত ২০২১ৰ ছয় জানুৱাৰীত কেপিটল হিলত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ একাংশ সমৰ্থকে সংঘটিত কৰা হিংসাত্মক ঘটনাৰ সন্দৰ্ভত আজি আদালতে পুনৰ শুনানি গ্ৰহণ কৰে। এই শুনানিত অংশ লৈ মাৰ্কিন কংগ্ৰেছ কমিটীৰ সন্মুখত ট্ৰাম্পৰ সহযোগী কেচিডি হছিংচনে সাক্ষী দিয়ে। কেচিডিয়ে ট্ৰাম্পৰ বিৰুদ্ধে সাক্ষী দিলে। মাৰ্কিন কংগ্ৰেছ কমিটীৰ আগত কেচিডিয়ে কয় যে হিংসাকাণ্ডৰ সময়ত ড'নাল্ড ট্ৰাম্পে এই কথা ভালদৰে জানিছিল যে তেওঁৰ সমৰ্থকৰ হাতত অস্ত্ৰ আছিল। কিন্তু ইয়াৰ পাছতো ট্ৰাম্পে সমৰ্থকসকলক উচটনি দিছিল আৰু প্ৰাক্তন ৰাষ্ট্ৰপতিজনে সমৰ্থকৰ স'তে আমেৰিকাৰ সংসদ কেপিটল হিললৈ যাবলৈ বিচাৰিছিল। সমৰ্থকৰ উক্ত প্ৰতিবাদত ট্ৰাম্পেও যোগদান কৰিব বিচাৰিছিল বুলি কেচিডিয়ে দাবী কৰে। কেচিডিয়ে



লগতে কয় যে ট্ৰাম্পক ছিক্ৰেট ছাৰ্ভিচ এজেণ্ট এজনে কেপিটল হিললৈ যাবলৈ বাধাদান কৰাত প্ৰাক্তন ৰাষ্ট্ৰপতিজনে উক্ত চোৰাংচোৱা বিষয়াজনৰ ডিঙিত হেঁচা মাৰি ধৰিছিল।

## সমাজকৰ্মী তিস্তাৰ গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা ৰাষ্ট্ৰসংঘৰ, প্ৰতিক্ৰিয়া ভাৰতৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুন ঃ** উচ্চতম ন্যায়ালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে গুজৰাট সংঘৰ্ষৰ গোচৰত পুনৰ তদন্ত কৰাৰ এক আবেদন দাখিল কৰা হৈছিল। এই আবেদন সৰ্বোচ্চ ন্যায়ালয়ে প্ৰত্যাখ্যান কৰাৰ পিছদিনাই গ্ৰেপ্তাৰ কৰা হৈছিল সমাজকৰ্মী তিস্তা শীতলবাদক। তিস্তাৰ গ্ৰেপ্তাৰক গৰিহণা দি এক বাৰ্তা প্ৰকাশ কৰিলে ৰাষ্ট্ৰসংঘই। টুইটাৰত ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ বিভাগে কালি এইদৰে কৈছিল, 'সমাজকৰ্মী তিস্তা শীতলবাদ আৰু দুই প্ৰাক্তন আৰক্ষী বিষয়াক গ্ৰেপ্তাৰৰ ঘটনাত আমি অত্যন্ত উদ্বিগ্ন। ২০০২ বৰ্ষৰ গুজৰাট সংঘৰ্ষত ক্ষতিগ্ৰস্ত মানুহৰো কাষত থিয় দিয়াৰ কাৰণে তেওঁলোকক হাৰাশাস্তি কৰা উচিত নহয়।' ৰাষ্ট্ৰসংঘৰ এই বাৰ্তাৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ভাৰতে। বৈদেশিক মন্ত্ৰণালয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয়, 'ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ বিভাগৰ বক্তব্য আমি শুনিছো। এইধৰণৰ মন্তব্য কৰি ৰাষ্ট্ৰসংঘই ভাৰতৰ স্বাধীন বিচাৰ ব্যৱস্থাত হস্তক্ষেপ কৰিলে। ৰাষ্ট্ৰসংঘই অত্যন্ত অযুক্তিকৰ কথা ক'লে। ভাৰতত আইন ভংগকাৰীৰ বিৰুদ্ধে যথোপযুক্ত ব্যৱস্থা লোৱা হয়। আইনী কাৰ্যকলাপক হাৰাশাস্তি হিচাপে অভিহিত কৰাটো মুঠেও গ্ৰহণযোগ্য নহয়।'

## একেলগে ২০০ কৰ্মচাৰীক বৰ্খাস্ত কৰিলে টেছলাৰ মুৰব্বী এলন মাস্কে




**নিউজ ব্যুৰ', টেক্সাছ, ২৯ জুন ঃ** বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কৰ মালিকানাধীন বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাৰ কমেও ২০০ জন কৰ্মচাৰীয়ে হঠাতে হেৰুৱালে চাকৰি। প্ৰকাশিত বাতৰি অনুসৰি, টেছলাই কেলিফ'ৰ্ণিয়াত থকা নিজৰ কাৰ্যালয় এটা বন্ধ কৰিলে। এই প্ৰতিষ্ঠানত কৰ্মৰত প্ৰায় ২০০ জন কৰ্মচাৰীক মাস্কে বৰ্খাস্ত কৰিলে। ব্লুমবাৰ্গৰ তথ্যত প্ৰকাশ পোৱা মতে, টেছলাই অব্যাহতি দিয়া কৰ্মচাৰীসকলৰ সৰহসংখ্যকে প্ৰতিঘণ্টাৰ কামৰ বিপৰীতে বেতন লাভ কৰিছিল। যোৱা সপ্তাহত টেছলাই বেতনভোগী কৰ্মচাৰীৰ সংখ্যা ১০ শতাংশ হ্ৰাস কৰাৰ এক সিদ্ধান্ত লৈছিল। ইয়াৰ বিপৰীতে কোম্পানীটোৱে প্ৰতিঘণ্টাত কাম কৰা কৰ্মচাৰীৰ সংখ্যা বৃদ্ধিৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। কিন্তু হঠাতে কেলিফ'ৰ্ণিয়াৰ টেছলাৰ কাৰ্যালয় বন্ধ কৰি ২০০ অংশকালীন কৰ্মচাৰীক অব্যাহতি দিলে মাস্কৰ প্ৰতিষ্ঠানটোৱে।

## কাঠমাণ্ডুত এইবাৰ সকলো ধৰণৰ 'ষ্ট্ৰীট ফুড'ৰ বিক্ৰী হ'ল বন্ধ



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ২৯ জুন ঃ** নেপালৰ ৰাজধানী কাঠমাণ্ডুত হাইজাৰ সংক্ৰমণ প্ৰতিৰোধৰ উদ্দেশ্যৰে 'ষ্ট্ৰীট ফুড' অৰ্থাৎ পথৰ দাঁতিত বিক্ৰী কৰা সকলো ধৰণৰ খাদ্যৰ বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰিলে প্ৰশাসনে। কাঠমাণ্ডু মেট্ৰ'পলিটান চিটি (কে এম চি)-এ এক জাননী জাৰি কৰি ৰাজধানী চহৰত 'ষ্ট্ৰীট ফুড'ৰ বিক্ৰী সাময়িকভাৱে বন্ধ ঘোষণা কৰিলে। উল্লেখ্য যে যোৱা দেওবাৰৰ পৰা বৰ্তমানলৈকে কাঠমাণ্ডুত ১২ জন লোক হাইজাত আক্ৰান্ত হ'ল। কাঠমাণ্ডুৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা মতে, প্ৰথমে পানীপুৰিত হাইজাৰ বীজাণুৰ উপস্থিতি ধৰা পেলোৱাৰ পাছত কাঠমাণ্ডুত পানীপুৰিৰ বিক্ৰী নিষিদ্ধ কৰা হৈছিল।






# কোকৰাঝাৰত বানাক্ৰান্তক সাহায্য বিতৰণ জমিয়ত উলেমাৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ জুন ঃ** বানপানীৰ কবলত পৰি ক্ষতিগ্ৰস্ত হোৱা কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলৰ বানাক্ৰান্তসকলক সহায়ৰ বাবে আগবাঢ়ি আহিছে ৰাজ্যিক জমিয়ত উলেমা। ৰাজ্যিক জমিয়ত উলেমাৰ হিন্দৰ সভাপতি মৌলানা মোস্তাক আনফৰৰ নিৰ্দেশ অনুসৰি আজি জিলাখনৰ বৃহত্তৰ মৌজাবাৰী অঞ্চলত বানাক্ৰান্ত পৰিয়ালক সাহায্য প্ৰদান কৰে জিলা জমিয়তে। কোকৰাঝাৰ জিলা জমিয়তৰ সভাপতি হাজী মছলেমউদ্দিন আহমেদ আৰু উপ-সভাপতি চেকেন্দাৰ আলীয়ে আজি মৌজাবাৰী ভ্ৰাতৃ সংঘ ক্লাব প্ৰাংগণত উপস্থিত হৈ বানাক্ৰান্ত পৰিয়ালৰ মাজত খাদ্য সামগ্ৰীকে ধৰি অন্যান্য সাহায্য বিতৰণ কৰে। জিলা জমিয়তৰ সভাপতি আহমেদে জানিবলৈ দিয়া মতে, মৌজাবাৰী, হেকাইপাৰা, নয়াপাৰা, বাঘমাৰা আদি গাঁৱৰ শতাধিক পৰিয়ালক আজি সাহায্য বিতৰণ কৰা হৈছে। ইতিমধ্যে জমিয়ত উলেমাৰ তৰফৰ পৰা জিলাখনৰ ইন্দ্ৰাকলনি, জয়পুৰ, ভাটিপাৰা, মোকৰাপৰা আদি গাঁৱত বানাক্ৰান্তৰ মাজত সাহায্য বিতৰণ কৰা হৈছে বুলি উল্লেখ কৰি কাইলৈও জিলাখনৰ বিভিন্ন গাঁৱত বানাক্ৰান্তৰ মাজত সাহায্য বিতৰণ কৰা বুলি জমিয়তৰ জিলা সভাপতিজনে সদৰী কৰিছে। উল্লেখ্য যে মৌজাবাৰী, হেকাইপাৰা, নামাপাৰা, বাঘমাৰা আদি গাঁৱৰ কাষেৰে বৈ যোৱা গৌৰাং নৈৰ খহনীয়া আৰু বাঢ়নী পানীয়ে প্ৰতি বছৰে গাঁওকেইখনৰ বিস্তৰ ক্ষতিসাধন কৰে। সেয়ে গাঁও কেইখনৰ ৰাইজে গৌৰাং নৈৰ খহনীয়া সমস্যাৰ স্থায়ী সমাধান কৰাৰ বাবে বিটিআৰ পৰিষদীয় আৰু ৰাজ্য চৰকাৰক দাবী জনাইছে।

# সৰ্থেবাৰীত গীতৰ পুথি 'সমবেত কণ্ঠ' উন্মোচন



অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ২৯ জুন ঃ** আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, শিশু সাহিত্যিক দীপংকৰ ডেকাৰ 'সমবেত কণ্ঠ' নামৰ গীতৰ পুথি এখন কালি সৰ্থেবাৰীত উন্মোচন কৰা হয়। অসমৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠী মৃত্যুঞ্জয় প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থখন উন্মোচন কৰে নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাই। বাপুজী মহাবিদ্যালয় সৰুক্ষেত্ৰীৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক পৰেশ ভূঞাৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ আঁত ধৰে সাংবাদিক গুণজিৎ চৌধুৰীয়ে। গ্ৰন্থখন উন্মোচন কৰি শিক্ষা বিষয়া ডেকাই কয় যে দীপংকৰ ডেকা এজন বিজ্ঞানৰ শিক্ষক যদিও সাহিত্যৰ কোমল শব্দবোৰে অহৰহ তেওঁক খুন্দিয়াই থাকে। যাৰ বাবে তেওঁ ধুনীয়া ধুনীয়া গীতবোৰ ৰচনা কৰিব পাৰে। তেওঁৰ গীতত গভীৰ আশাবাদ আৰু মানৱতাবাদৰ লগতে সমাজ সচেতনতা দেখিবলৈ পোৱা যায়। সভাত গীতিকাৰ ডেকাৰ গীত আৰু কবিতাৰ ওপৰত আলোকপাত কৰি জ্যেষ্ঠ সাংবাদিক চক্ৰেশ্বৰ ডেকাই কয় যে দীপংকৰ ডেকা শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত অত্যন্ত সচেতন। তেওঁৰ গীতত শব্দ আৰু ছন্দৰ যি সমাহাৰ তাৰবাবে তেওঁৰ গীতবোৰে শ্ৰোতাক সহজতে আকৰ্ষণ কৰে। বাপুজী মহাবিদ্যালয়ৰ অধ্যাপক বিপুল ডেকাই আলোচনাকালত দীপংকৰ ডেকাৰ গীতৰ প্ৰশংসা কৰে। সভাত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মাধুৰ্য মণ্ডিত বৰুৱাই এক সাৰুৱা ভাষণ দিয়ে। উপস্থিত ৰাইজৰ বক্তব্যত শিক্ষক খগেন্দ্ৰ নাথ ভূঞা, সাংবাদিক লাচিত তামুলী আদি কে'বাজনো ব্যক্তিয়ে চমু ভাষণ দিয়ে।

# আগিয়াত শ্ৰীশ্ৰী জগন্নাথদেৱৰ ৰথযাত্ৰা

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৯ জুন ঃ** গোৱালপাৰা জিলাৰ আগিয়াত আয়োজন কৰা হৈছে শ্ৰীশ্ৰী জগন্নাথ প্ৰভুৰ ৰথযাত্ৰা উৎসৱ। গোৱালপাৰা জিলা বিশ্ব হিন্দু পৰিষদৰ ধৰ্মাচাৰ্য প্ৰমুখ স্বামী শ্ৰীমৎ বিষ্ণুপদদেৱ তীৰ্থৰ নেতৃত্বত আগিয়া নাট্য মন্দিৰত অহা পহিলা জুলাইৰ পৰা ন জুলাইলৈ এই দাৰুব্ৰহ্ম শ্ৰীশ্ৰী জগন্নাথ ৰথযাত্ৰা উৎসৱ অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা শ্ৰীশ্ৰী জগন্নাথ দেৱৰ ভোগ পূজা, প্ৰসাদ বিতৰণ, হিন্দু সন্মিলন আৰু ৰথযাত্ৰা অনুষ্ঠিত হ'ব। ন জুলাইত বিশ্ব শান্তি কামনাৰে মহাবিষ্ণু হোম যজ্ঞ আৰু শ্ৰীশ্ৰী জগন্নাথ দেৱৰ উল্টাৰথ দ্বাৰা সমাপ্ত হ'ব নদিনীয়া শ্ৰীশ্ৰী জগন্নাথদেৱৰ ৰথযাত্ৰা উৎসৱ। অনুষ্ঠানত উপস্থিত থাকিব বিচৰা হিন্দু ধৰ্মাৱলম্বী লোকসকলক ৬৯০১৯৫৯৯৮০ আৰু ৬০০২১৬৭১৫৫ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# অভি-নীল হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ দিশে

## ■ আজি পুনৰ শুনানি গ্ৰহণ

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** ৰাজ্য কপোঁৱা অভি-নীল কাণ্ডৰ সন্দৰ্ভত আজি নগাঁও জিলা তথা সত্ৰ ন্যায়াধীশৰ আদালতে শুনানি গ্ৰহণ কৰে। আজি আদালতত এজন অনুসন্ধানকাৰী আৰক্ষী বিষয়া যতীন চন্দ্ৰ দাসৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয়। সাক্ষ্যদান কৰা আৰক্ষী বিষয়া দাসে অভি-নীল হত্যাকাণ্ডত ব্যৱহৃত অস্ত্ৰ-শস্ত্ৰসমূহ জব্দ কৰিছিল। আদালতে জব্দ কৰা অস্ত্ৰ-শস্ত্ৰ সন্দৰ্ভত তেওঁৰ সাক্ষী গ্ৰহণ কৰে। অৱশ্যে আজি আৰক্ষী বিষয়াজনৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ নহল। উল্লেখ্য যে গোচৰটোৰ সন্দৰ্ভত এই পৰ্যন্ত ৬৯ জন সাক্ষীৰ সাক্ষ্য আদালতে গ্ৰহণ কৰিছে। অভি-নীল হত্যাকাণ্ডৰ মুঠ ৭১ জন সাক্ষীৰ ৬৯ জনৰ সাক্ষ্যগ্ৰহণ সম্পূৰ্ণ হোৱাৰ পাছত আজি আৰক্ষী বিষয়া দাসৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হয়। ইয়াৰ পূৰ্বে আন এজন তদন্তকাৰী আৰক্ষী বিষয়াৰো সাক্ষ্য আদালতে গ্ৰহণ কৰিছিল। সুদীৰ্ঘ সাতদিন সাক্ষ্য গ্ৰহণৰ পাছত তেওঁৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছিল। আজিৰে আৰম্ভ হোৱা আৰক্ষী বিষয়া দাসৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ হোৱাৰ পাছত সাক্ষ্য গ্ৰহণৰ বাবে আন এজন সাক্ষী থাকিব। সেইগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ হ'লেই অভি-নীল হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আদালতে চূড়ান্ত ৰায় প্ৰদান কৰিব পাৰিব। উল্লেখ্য যে ২০১৮ৰ আঠ জুনত কাৰ্বি আংলং জিলাৰ ডকমকাত গুৱাহাটীৰ দুই তেজাল যুৱক নীলোৎপল দাস আৰু অভিজিৎ নাথক একাংশ দুৰ্বৃত্তই মৰিয়াই মৰিয়াই অতি নৃশংসভাৱে হত্যা কৰিছিল। যি ঘটনাই সমগ্ৰ দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ইয়াৰ প্ৰতিবাদ হৈছিল।

# বঙাইগাঁও জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৯ জুন ঃ** দলৰ ৰাজ্যিক সমিতিৰ নিৰ্দেশ মৰ্মে আজি বঙাইগাঁও জিলা বিজেপিৰ কাৰ্যালয়ত বঙাইগাঁও জিলা বিজেপিৰ জিলা কাৰ্যনাৰ্বাহক সভা অনুষ্ঠিত হয় । দলীয় পতাকা উত্তোলন কৰে জিলা সভানেত্ৰী হিমানী অধিকাৰীয়ে। তাৰ পাছতে ভাৰত মাতা , ড° শ্যামা প্ৰসাদ মুখাৰ্জী আৰু পণ্ডিত দীনদয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি আদৰণি ভাষণ প্ৰদান কৰে সভানেত্ৰীগৰাকীয়ে। সভাৰ শোক প্ৰস্তাৱ পাঠ কৰে জিলা উপ-সভাপতি দীনেশ চন্দ্ৰ সৰকাৰে। পাছত যথাক্ৰমে মণ্ডল সভাপতিসকলে তেওঁলোকৰ বিগত কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে। আনহাতে, জিলাখনৰ বিভিন্ন দিশ তথা সমস্যাসমূহ চৰকাৰক দৃষ্টিগোচৰ তথা ৰাজনৈতিক সমস্যাসমূহ অৱগত কৰাৰ ক্ষেত্ৰত 'ৰাজনৈতিক প্ৰস্তাৱ' উত্থাপন কৰে জিলা উপ-সভাপতি কৌস্তৱ দাসে। দুপৰীয়া গোট বৈঠক অনুষ্ঠিত হয় ক্ৰমে মণ্ডল সভাপতি, শক্তি কেন্দ্ৰ প্ৰমূখৰ মাজত। তাৰ পাছতে পৌৰ সভা, পঞ্চায়ত প্ৰতিনিধিৰ স'তে বুথ শক্তিকৰণ আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি সন্দৰ্ভত লগতে মৰ্চাৰ জিলা সভাপতিসকলৰ স'তে দলীয় কাৰ্যসূচী আৰু ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কে আলোচনা কৰা হয়। সভাত জিলাৰ সাংগঠনিক দিশ, আগন্তুক কাৰ্যক্ৰমনিকা সম্পৰ্কে আলোকপাত কৰে জিলা প্ৰভাৰী ব্ৰজ কুমাৰ দাসে। সভানেত্ৰী হিমানী অধিকাৰীয়ে সভাপতিত্ব কৰা সভা তদাৰক কৰে জিলা সাধাৰণ সম্পাদকদ্বয় শংকৰ বিশ্বাস আৰু জ্যোতিৰ্ময় সৰকাৰে। সভাত প্ৰাক্তন জিলা সভাপতি গোপেশ্বৰ তালুকদাৰ, ৰাজ্যিক বিষয়ববীয়া , জিলা বিষয় ববীয়া, মণ্ডল সভাপতিসকল উপস্থিত থাকে।

# কৃষ্ণাইখাট গিৰিজা দেৱীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৯ জুন ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া কৃষ্ণাইখাটৰ নিবাসী সৰ্বৰহী ধৰ্মপ্ৰাণা মহিলা গিৰিজা দেৱী(৯৫)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত মৃত্যু হয়। অমায়িক স্বভাৱৰ সৰলমনা বয়োজ্যেষ্ঠা মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত ইহ-সংসাৰত পাঁচজন পুত্ৰ-বোৱাৰী, তিনি কন্যা-জোঁৱাই, নাতি-নাতিনীসহ বহু ইষ্ট-কুটুম্বক এৰি যায়।

# শোণিতপুৰৰ বানবিধ্বস্ত অঞ্চলত পৰ্যাপ্ত নহয় সাহায্য

## ■ উপায়ুক্তক স্মাৰকপত্ৰ এছইউচিআইৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৯ জুন ঃ** ৰাজ্যৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত লোকৰ বিভিন্ন সমস্যাৰ পৰিপ্ৰেক্ষিতত এছইউচিআই (কমিউনিষ্ট)ৰ অসম ৰাজ্যিক সমিতিয়ে ২৩ৰ পৰা ২৯ জুনলৈকে আহ্বান জনোৱা দাবী সপ্তাহ পালনৰ অংশ হিচাপে দলৰ শোণিতপুৰ জিলা সমিতিৰ এক প্ৰতিনিধি দলে জিলাখনৰ বাঁহবাৰী, বান্দৰমাৰী, ৰোহিনীবিল আদি বানবিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰি যোৱা ২৭ জুনত শোণিতপুৰ জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। জিলা উপায়ুক্তৰ অনুপস্থিতিত অতিৰিক্ত জিলা উপায়ুক্তক প্ৰদান কৰা তথা দলৰ শোণিতপুৰ জিলাৰ সম্পাদক অজয় আচাৰ্য স্বাক্ষৰিত স্মাৰকপত্ৰত অভিযোগ কৰা হয় যে এইবোৰ অঞ্চলত বন্যাৰ্ত ৰাইজে খাদ্য-সামগ্ৰীসহ ত্ৰাণ সামগ্ৰী পৰ্যাপ্ত পৰিমাণে পোৱা নাই। পশু-খাদ্যৰ খুবেই অভাৱ হৈছে বুলিও প্ৰকাশ কৰা হয় স্মাৰকপত্ৰত। কৃষক ৰাইজৰ কঠীয়াতলি সম্পূৰ্ণৰূপে নষ্ট হৈ যোৱাত কৃষকসকল মাৰাত্মক সমস্যাৰ সন্মুখীন হোৱাৰ উপৰি শাক-পাচলিসহ সকলো ধৰণৰ খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটোৱাৰ ফলত ভূতৰ ওপৰত দানহ পৰাৰ অৱস্থা সৃষ্টি হৈছে। ইয়াৰ প্ৰতি প্ৰশাসনৰ কঠোৰ হস্তক্ষেপ দাবী কৰা হয়। তদুপৰি সকলো বান কবলিত মানুহৰ বাবে বিনামূলীয়া পৰ্যাপ্ত খাদ্য-সামগ্ৰী যোগান ধৰা, বানৰ কবলত পৰি ঘৰ-বাৰী, সা-সম্পত্তি, খেতি-বাতি হেৰুওৱাসকলক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা, পৰ্যাপ্ত খাদ্যৰ যোগান ধৰা আৰু গাভৰু, জীয়াভৰলী নৈৰ বিধ্বংসী গৰাখহনীয়া সমস্যাৰ বিজ্ঞান ভিত্তিক স্থায়ী সমাধানৰ পদক্ষেপ গ্ৰহণ কৰাৰো দাবী জনোৱা হয়।

# নগাঁৱত নগৰীয়া গৃহহীন লোকৰ আৱাস গৃহ উদ্বোধন বিধায়ক শৰ্মাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান সমিতি আৰু নগাঁও পৌৰসভাৰ অধীনত উত্তৰ-পূব ভাৰতৰ অন্যতম আগশাৰীৰ মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিছনৰ উদ্যোগত নগাঁও চহৰৰ পানীগাঁও ছয়আলিত স্থাপন কৰা 'নগৰীয়া গৃহহীন লোকৰ আৱাস গৃহটোৰ আজি উদ্বোধন কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। শ্ৰীমন্ত শংকৰ মিছনৰ ছয়আলিস্থিত কমলাা নেহেৰু চৌহদত এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত এগছি বন্তি জ্বলাই নাৰিকল ভাঙি বিধায়ক শৰ্মাই গৃহহীন লোকৰ আৱাস গৃহটো ৰাইজৰ বাবে মুকলি কৰে। গৃহহীন লোকৰ আৱাস গৃহটো উদ্বোধনৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাত মুখ্য বিধায়ক শৰ্মাই ভাষণ প্ৰসংগত এই আভাস গৃহটোৰ জৰিয়তে নগাঁৱৰ বহুদিনীয়া এটা অভাৱ পূৰণ হ'ল। যিসকল গৃহহীন লোক নিজৰ কোনো ঘৰ নাই, যিসকলে ৰাস্তাই-ঘাটে নিশা যাপন কৰিবলৈ বাধ্য আছিল, সেইসকলে আজিৰ পৰাা এটা ঠিকনা লাভ কৰিলে। এতিয়াৰ পৰা আৱাস গৃহটোটোত তেওঁলোকে নিৰাপদে থাকিব পাৰিব আৰু তেওঁলোকৰ বাবেও খোৱা-বোৱাৰো সুবিধা লাভ কৰিব বুলি বিধায়ক শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে। এই সভাতেই নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাই নিজৰ ভাষণ প্ৰদান কৰি শ্ৰীমন্ত শংকৰদেৱ মিছনৰ এনে প্ৰচেষ্টাৰ শলাগ লোৱাৰ উপৰি অহা পহিলা জুলাইৰ পৰা নগাঁও, পৌৰসভাত বলৱৎ হোৱাকৈ প্লাষ্টিক ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব বুলি জানিবলৈ দি এই ক্ষেত্ৰত সকলো ৰাইজৰ সহযোগিতা কামনা কৰে। শ্ৰীমন্ত শংকৰ মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই আঁত ধৰা সভাত নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ, জিলাৰ ভাৰপ্ৰাপ্ত সমাজ কল্যাণ বিষয়া ৰুবী কলিতা, নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰীতম ৰাজা শৰ্মা, শ্ৰীমন্ত শংকৰ মিছনৰ উপ-সভাপতিদ্বয় ৰঞ্জিত কুমাৰ তামুলী ফুকন, মাধন শইকীয়াকে ধৰি বহুকেইজন পৌৰ আয়ুক্ত উপস্থিত থাকে। সভাত বৰমপুৰ অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দুটি গীত পৰিবেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে।

# বানাক্ৰান্ত কৃষকক বীজ-সাৰ প্ৰদানৰ দাবী বাহাৰঘাট আছুৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৯ জুন ঃ** নলবাৰী জিলাৰ বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে আজি বৰভাগ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলৰ উপকাৰত অহাকৈ সাৰ-বীজ আদি যোগান ধৰাৰ লগতে ক্ষতিগ্ৰস্ত সকলো পৰিয়ালকে পৰ্যাপ্ত পৰিমাণে সহায় কৰাৰ আহ্বান জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰে। আনহাতে, কৃষিমন্ত্ৰীলৈও এখন পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰে আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে। আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আকাশ বৰুৱা আৰু সম্পাদক মইনুল হক স্বাক্ষৰিত স্মাৰকপত্ৰখনত বানে বিধ্বস্ত কৰা বাট-পথ আদি মেৰামতি কৰাৰ উপৰি বৰলীয়া নৈৰ ভগ্ন মথাউৰিৰে ওলাই অহা বাঢ়নী পানীৰ ফলত কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া ঠাই পূৰ্ণদৈচপৰাৰ ভগ্ন কালভাৰ্টটোৰ ওপৰেৰে অহা-যোৱা কৰিব পৰা ব্যৱস্থা কৰিবলৈ অহ্বান জনায়। প্ৰতিনিধি দলটোত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদককে ধৰি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মা, সদস্য ঋত্বিক আলী, আঞ্চলিক আছুৰ বিষয়ববীয়া জেহেৰুল ইছলাম, বিতু শৰ্মা, জাহিৰ হুছেইন, কৃষ্ণ শৰ্মা আদি কৰি কে'বাজনো বিষয়ববীয়াই সহযোগ কৰে।

# পুনৰ স্থগিত স্বাস্থ্য বিভাগৰ পৰীক্ষা

*এক পৃষ্ঠাৰ পৰা* আছিল। কিন্তু জটিল বান পৰিস্থিতিৰ বাবে অহা তিনি জুলাইলৈ পৰীক্ষা পিছুৱাই দিয়া হয়। কিন্তু পৰিস্থিতি উন্নতি নোহোৱা তথা কে'বাখনো জিলাত বানে নতুনকৈ উদ্বেগজনক ৰূপ ধাৰণ কৰাত তিনি জুলাইতো পৰীক্ষা স্থগিত ৰখাৰ জাননী আজি জাৰি কৰা হয়। ৰাজ্যৰ আয়ুষ সঞ্চালক, চিকিৎসা শিক্ষা সঞ্চালক, স্বাস্থ্য সেৱা সঞ্চালক আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সঞ্চালকে যুটীয়াভাৱে এই জাননী আজি জাৰি কৰে। পৰীক্ষাৰ দিন পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

# ৬৩ হেজাৰ পিএচিএছক ডিজিটেল

*এক পৃষ্ঠাৰ পৰা* (পিএচিএছ)ক ডিজিটেল ব্যৱস্থাৰ অধীনলৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ বাবে ২,৫১৬ কোটি টকা ব্যয় কৰা হ'ব। এই ব্যৱস্থাৰ জৰিয়তে অন্যান্য স্থানৰ বাদেও কমেও ১৩ কোটি ক্ষুদ্ৰ কৃষক লাভৱান হ'ব বুলি ধাৰণা কৰা হৈছে। ডিজিটেল ব্যৱস্থাৰ অধীনলৈ অনাৰ বাবে কৃষকসকলে প্ৰত্যক্ষ লাভৰ সুবিধাও পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সিদ্ধান্তক আদৰণি জনাইছে সমবায় বিভাগৰো দায়িত্বত থকা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। প্ৰধানমন্ত্ৰীৰ সমবায়ৰ জৰিয়তে সমৃদ্ধি শ্ল'গানৰ আধাৰত এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্বাহে কয় যে দেশৰ সমবায় ক্ষেত্ৰখন ডিজিটেল ব্যৱস্থাৰ ফলত অধিক শক্তিশালী হ'ব। সমবায় ক্ষেত্ৰখনৰ লগত জড়িত প্ৰতিজন লোকৰ জীৱনত এই সিদ্ধান্তই যোগাত্মক পৰিৱৰ্তন আনিব। সিদ্ধান্তটোক অতি দূৰদৰ্শী আখ্যা দি শ্বাহে কয় যে বৰ্তমানৰ ডিজিটেল যুগৰ লগত খোজ মিলোৱা সিদ্ধান্তটোৱে সমবায় ক্ষেত্ৰখনত পাৰদৰ্শিতা, কাৰ্যক্ষমতা আৰু বিশ্বাসযোগ্যতাও বৃদ্ধি কৰিব।

# ভূটানৰ কুৰিশ্বুৰ পানীয়ে পুনৰ বানৰ

*এক পৃষ্ঠাৰ পৰা* সৃষ্টি কৰি বিশেষকৈ মেধিকুছি, চাৰালপাৰা-নয়াপাৰাৰ লগতে দঙাৰপাৰত ধ্বংসলীলা চলায়। প্ৰলয়ংকৰী বানত তিনিওটা অঞ্চলত অৰ্ধশতাধিক পৰিয়াল গৃহহীন হৈছে। বানৰ সোঁতত উটি গৈছে সহস্ৰাধিক পশুধন। বানত বিচ্ছিন্ন হৈছে পাটলা-মানাহ ৰাষ্ট্ৰীয় উদ্যান পথ, ভৱানীপুৰ-গোপালদেৱ আতা সত্ৰ পথ, সৰুপেটা-শিমলাগুৰি পথ, চাউলীয়াবৰী-কেন্দুগুৰি পথৰ লগতে কে'বাটাও পথ। সমষ্টিটোৰ কৃষিভূমিৰ সকলো ধৰণৰ খেতি ধ্বংস কৰিছে বলীয়া বানে। বৃহত্তৰ অঞ্চলটোত বান পৰিস্থিতিৰ কিছু পৰিমাণে উন্নতি ঘটিছিল যদিও ভূটানৰ বৃহৎ নদীবান্ধ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত পুনৰ পহুমৰা নদী উফন্দি উঠে। ফলত কালিৰে পৰা ভয়াৱহ বানৰ কবলত পৰিছে মেধিকুছি, চাৰালপাৰা-নয়াপাৰা অঞ্চল। কালি কেন্দুগুৰি-চাউলীলীয়াবৰী গড়কাপ্তানী পকী পথৰ লগতে পকী কালভাৰ্ট এটা বানৰ সোঁতত বিচ্ছিন্ন হয়। বাতৰি লিখা পৰলৈকে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বান পৰিস্থিতি জটিল ৰূপত আছে। উল্লেখ্য যে মেধিকুছিৰ বন্যাৰ্ত গৃহহীন শতাধিক পৰিয়ালে বিগত প্ৰায় দুটা সপ্তাহ ধৰি স্থানীয় বিদ্যালয়, চিকিৎসালয়ত স্থাপিত আশ্ৰয় শিবিৰতেই আছে। আনহাতে, নয়াপাৰা-চাৰালপাৰাৰ বানত গৃহহীনৰ লগতে বানত ভেটি-মাটি তল যোৱা শতাধিক বন্যাৰ্ত ৰাইজে ডেনাৰটাৰী অঞ্চলত ৰেলআলিৰ দাঁতিতে অস্থায়ীভাৱে তিৰ্পালৰ তলতেই বিপদসংকুলভাৱে আশ্ৰয় লৈ আছে। সেইদৰে দঙাৰপাৰৰ বানত গৃহহীন পৰিয়ালে আন স্থানত আশ্ৰয় লৈ আছে। ভৱানীপুৰ বিধানসভা সমষ্টিৰ বানাক্ৰান্ত গৃহহীন পৰিয়াল সম্প্ৰতি দিশহাৰা হৈ পৰিছে। তেনেদৰে ভৱানীপুৰ সমষ্টিৰ উত্তৰ প্ৰান্তত ৰূপহী নদী উফন্দি উঠাত ৰূপহী, মাধপুৰ, পকালাগী, পানপাৰা, ৰাজাবিল আদি অঞ্চলত বান আৰু গৰাখহনীয়াৰ সৃষ্টি কৰিছে। বাতৰি লিখা পৰলৈকে ৰূপহী নদীৰ বান আৰু গৰাখহনীয়াৰ তাণ্ডৱ অব্যাহত আছে।

# শিমেলিবাৰীত বানপীড়িতৰ মাজত সাহায্য বিতৰণ

অগ্ৰদূত বাৰ্তা


**দুমুনিচকী, ২৯ জুন ঃ** আমিনগাঁৱস্থ জ্যোতি লেবছ লিমিটেডৰ উদ্যোগত জালুকবাৰী সমষ্টিৰ মান্দাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত শিমেলিবাৰী ঔতলত বানপীড়িতৰ মাজত কালি বান সাহায্য বিতৰণ কৰা হয়। বিতৰণ কাৰ্যসূচীত সহযোগিতা আগবঢ়াই বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা 'সমৃদ্ধিৰেখা'ই। জ্যোতি লেবছ লিমিটেডৰ হৈ এই বান সাহায্য বিতৰণ কৰে লেবছটোৰ ফেক্টৰী মেনেজাৰ অৰুনভ মজুমদাৰে। বান সাহায্য প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে জ্যোতি লেবছ লিমিটেডৰ প্ৰডাকছন মেনেজাৰ চন্দন দাস, মৃণ্ময়জ্যোতি বৰা, প্ৰকাশ শৰ্মা, মীনাক্ষী বুঢ়াগোহাঁই, ললিত দাস। বান সাহায্য প্ৰদানত বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা 'সমৃদ্ধিৰেখা'ৰ সভাপতি অমল চৌধুৰী, সম্পাদক সত্যবন দাস, স্থানীয় সমাজকৰ্মী আৰিফ আহমেদ, ইন্তাজুল হক, আহমেদ আলী, যুৱ নেতা বাবুল হুছেইন, দিলোৱাৰ হুছেইন প্ৰমুখ্যে বিভিন্নজনে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# আছুৰ প্ৰতিবাদত গা-লৰিল কামৰূপ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ২৯ জুন ঃ** কামৰূপ জিলাৰ শুৱালকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত হালোগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত সময়ে সময়ে অৱগত কৰি আহিছে। এই বৃহৎ অঞ্চলটোৰ জনসাধাৰণৰ চিকিৎসা সেৱাৰ একমাত্ৰ ভৰসা হালোগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত চিকিৎসকৰ নিয়মীয়া উপস্থিতিৰ লগতে চৰকাৰী ঔষধ পাতি যোগান ধৰাত স্বাস্থ্য বিভাগ সম্পূৰ্ণৰূপত ব্যৰ্থ হোৱাৰ অভিযোগত তথা যোৱা ২৬ জুনত দুপৰীয়া সময়লৈ এজনো চিকিৎসক উপস্থিত নথকাৰ অজুহাতত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই চিকিৎসা কেন্দ্ৰটোৰ মূল প্ৰৱেশদ্বাৰত তলা ওলমাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। তেনে সময়তে মহকুমা চিকিৎসা বিষয়া ডাঃ দীপক দাস আৰু শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই প্ৰতিবাদীসকলক আশ্বাস প্ৰদান কৰি প্ৰৱেশদ্বাৰৰ তলা খোলাৰ ব্যৱস্থা কৰে। এই ঘটনা সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত হালোগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত কামৰূপ জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক জ্ঞানেন্দ্ৰ দেৱ শৰ্মা উপস্থিত হৈ মহকুমা স্বাস্থ্য বিষয়া ডাঃ দীপক চন্দ্ৰ দাস, স্বাস্থ্য কেন্দ্ৰটোৰ জ্যেষ্ঠ চিকিৎসক ডাঃ যুগল চন্দ্ৰ দাস, স্বাস্থ্য কেন্দ্ৰটোৰ অন্য কেইগৰাকী চিকিৎসক, নাৰ্ছ, কৰ্মচাৰী, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে অঞ্চলটোৰ কে'বাটাও বেচৰকাৰী অনুষ্ঠান, অঞ্চলটোৰ একাংশ বিশিষ্ট সমাজকৰ্মীৰ স'তে এক আলোচনাত মিলিত হয়। আলোচনা মৰ্মে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে হালোগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমস্যাসমূহ অতি শীঘ্ৰেই সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে।

# শিক্ষয়িত্ৰী মানসী নাথৰ শিশু উপযোগী গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৯ জুন ঃ** বাগ্‌সাৰ জালাহ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ৪১৬/দুই নম্বৰ জালাহ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মানসী নাথৰ স্বৰচিত শিশুৰ উপযোগী এখন গ্ৰন্থ 'সাধুপুথি' আজি বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এখন সভাত উন্মোচন কৰে শালবাৰী মহকুমা প্ৰাথমিক বিদ্যালয়সমূহৰ পৰিদৰ্শক মিলন দাসে। পুথিখনৰ লেখিকা নাথৰ ঘৰ বাগ্‌সা জিলাৰ জালাহঘাটত। নাথৰ দ্বাৰা ইতিপূৰ্বে ৰচিত আন কে'বাখনো প্ৰকাশিত পুথি হৈছে কবিতাপুথি 'মনৰ আকাশ (২০১৮), প্ৰবন্ধপুথি 'আকাশ' (২০২০), কবিতা পুথি 'নাৰী' (২০২০) আৰু ২০২১ত প্ৰকাশ পোৱা 'অকণিৰ ওমলা কবিতা'। ভৱিষ্যতলৈ তেওঁ আৰু কে'বাখনো গ্ৰন্থ ৰচনাত মনোনিৱেশ কৰি থকা বুলি জানিবলৈ দিয়ে।

# গ্ৰাহামপুৰত উন্নতজাতৰ ছটা গৰু জব্দ আৰক্ষীৰ



**তামাৰহাট, ২৯ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অধীনস্থ মাছখিলি গাঁৱত আজি পুৱতি নিশা অভিযান চলাই ছটা উন্নত জাতৰ গৰু জব্দ কৰে। পশ্চিমবংগৰ পৰা গোপনে অনা গৰুকেইটা সংকোষ নদী পাৰ কৰাই আদিবাসী কল'নীৰ মাজেৰে পৰ্বতঝোৰা মহকুমাৰ গুমা বনাঞ্চলৰ দিশে লৈ থকাৰ সময়ত ডিম্বেশ্বৰ দাসৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে গৰুকেইটা জব্দ কৰে যদিও চোৰাং গৰুবেপাৰীকেইজন পলাই যায়। উক্ত গৰুকেইটা জব্দ কৰি গ্ৰাহামপুৰ আৰক্ষী চকীত নিয়ে। চোৰাং গৰুৰ বেহাৰ স'তে স্থানীয় একাংশ লোক জড়িত হৈ থকাত আৰক্ষীৰ গতি বিধি লক্ষ্য কৰি ভাৰত-বাংলাদেশলৈ গৰু সৰবৰাহ অব্যাহত ৰাখিছে। অবৈধ গৰুৰ বেহা বন্ধ কৰিবলৈ আৰক্ষী কঠোৰ হৈ পৰাৰ সময়ত অতি ভিতৰুৱা গাঁৱৰ পথেৰে প্ৰায়ে গৰু সৰবৰাহ কৰি আহিছে। বংগৰ পৰা গৰুসমূহ ক্ৰয় কৰাৰ পাছত আদিবাসী কলনীৰ মাজেৰে পৰ্বতঝোৰা মহকুমা বনাঞ্চলৰ মাজেদি ধুবুৰী জিলাৰ চৰ অঞ্চলত নি নাওযোগে বাংলাদেশত সৰবৰাহ কৰি আহিছে। তেনে অবৈধ গৰুৰ বেহাৰ স'তে স্থানীয় একাংশ সংগঠনৰ নেতৃত্বও জড়িত থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে।

# বানাক্ৰান্তই এমাহৰ ভিতৰতে পাব ক্ষতিপূৰণ ঃ মন্ত্ৰী মহন্ত

## ■ বান বিধস্ত অঞ্চল পৰিদৰ্শন-বানপীড়িতৰ লগত মত বিনিময়

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৯ জুন ঃ** 'হোজাইৰ বানাক্ৰান্তসকলে অহা এমাহৰ ভিতৰতে ক্ষতিপূৰণ লাভ কৰিব।' এই মন্তব্য ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ। কালিৰ পৰা বাহৰ পাতি থকা মন্ত্ৰীজনে আজি পুৱাই হোজাইৰ কে'বাটাও বানক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। তাৰে ভিতৰতে হোজাই সমষ্টিৰ নভঙা, কেন্দুগুৰি, কোমোৰাকটা আদি বান বিধস্ত অঞ্চল পৰিদৰ্শন কৰি বানপীড়িত ৰাইজৰ লগত মত বিনিময় কৰে। সাংবাদিকৰ স'তে হোৱা বাৰ্তালাপত হোজাইৰ দ্বিতীয়টো বানত মৃত্যু হোৱা সাতজন লোকৰ পৰিয়ালক ইতিমধ্যে চাৰি লাখকৈ টকাৰ চেক দিয়া হৈছে বুলি মন্তব্য কৰে। উল্লেখ্য যে বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাট-পথ অতি সোনকালে মেৰামতি কৰি দিয়া হ'ব আৰু ঘৰ-বাৰী আদিৰ মেৰামতিৰ বাবে অহা এক মাহৰ ভিতৰত ক্ষতিপূৰণ দিব বুলি মন্ত্ৰীজনে আশ্বাস দিয়ে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে কলি সন্ধিয়া অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মহন্তই হোজাইত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। সন্ধিয়া মন্ত্ৰীজনে হোজাইৰ যমুনামুখৰ বানাক্ৰান্ত অঞ্চল পৰিভ্ৰমণ কৰে। মন্ত্ৰীজনে সৰুপথাৰ পৰা যমুনামুখ লৈ যোৱা বিধ্বস্ত গড়কাপ্তানী পথছোৱাৰে যমুনামুখলৈ গৈ বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। পাছত তেওঁ বানত তল যোৱা যমুনামুখ ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসলায় পৰিভ্ৰমণ কৰে। তেওঁ যমুনাগুৰি, যমুনা নৈৰ পাৰৰ আৰু কহাৰগাঁৱৰ কপিলী নৈৰ পাৰৰ বানত ভগা মথাউৰি পৰিদৰ্শন কৰি বুজ লয়। শীঘ্ৰে যমুনামুখৰ লগতে হোজাই জিলাৰ স্বাস্থ্য বিভাগৰ অভাৱ-অভিযোগসমূহ নিৰূপনৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে যমুনামুখ সমষ্টিত দুবাৰকৈ হোৱা প্ৰলয়ংকৰী বানত হোৱ ক্ষতিগ্ৰস্ত লোকক অতি শীঘ্ৰে ক্ষতি পূৰণ দিয়াৰো প্ৰতিশ্ৰুতি দিয়ে। ইফালে, যমুনামুখ ক্ষুদ্ৰ চিকিৎসালয়ৰ এগৰাকী অস্থায়ী কৰ্মীয়ে নিজৰ চকৰি নিয়মীয়াকৰণৰ বাবে মন্ত্ৰীৰ ভৰিত ধৰি প্ৰাৰ্থনা কৰা আৰু এগৰাকী মহিলাই যমুনাগুৰিৰ মথাউৰিটো পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰি দিবলৈ কান্দি কান্দি কোৱাক লৈ বিশেষ তাৎপৰ্য বহন কৰিছে। ইফালে, যমুনামুখ সমষ্টিৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত হোজাই জিলা আমছুৱে মন্ত্ৰীজনক এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

■ ইউনিচেফৰ সাংবাদিক কৰ্মশালা সম্পন্ন

# পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যা বৃদ্ধি

**বৰমা, ২৯ জুন ঃ** ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যতে অপুষ্টিত ভোগা শিশু আৰু মহিলাৰ মাজত চৰকাৰে বিভিন্ন আঁচনি হাতত লৈছে যদিও আজি বহু শিশু-মহিলা পুষ্টিহীনতা আৰু ৰক্তহীনতাত ভুগি মৃত্যুমুখত পৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা অনুসৰি বাগ্‌সাত পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যা বৃদ্ধি পোৱা বাবে ২৬ জুনত কটন বিশ্ববিদ্যালয়, ইউনিচেফৰ উদ্যোগত আৰু বাগ্‌সা প্ৰেছ ক্লাব বৰমা, বৰমা মহাবিদ্যালয়ৰ সহযোগত এখন সাংবাদিক কৰ্মশালা অনুষ্ঠিত হয়। বৰমা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সাংবাদিক কৰ্মশালাখন উদ্বোধন কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচাৰ ভৱেশ চন্দ্ৰ গোস্বামীয়ে। কৰ্মশালাত সাম্প্ৰতিক সময়ত পুষ্টিহীনতাৰ কাৰণ উল্লেখ কৰি থলুৱা খাদ্যৰ প্ৰতি শিশুসকলক আকৃষ্ট কৰিবলৈ তেওঁ আহ্বান জনায়। প্ৰচুৰ পৰিমাণে পুষ্টি থকা ঘৰুৱা খাদ্য অথবা ফলমূলৰ প্ৰতি আমাৰ মানুহৰ আকৰ্ষণ নোহোৱা হোৱাৰ বাবে ক্ৰমাৎ এনে সমস্যা বৃদ্ধি পোৱা বুলি জানিব দিয়ে। কৰ্মশালাত সমল ব্যক্তি হিচাপে ধুবুৰী মেডিকেল কলেজৰ সহযোগী অধ্যাপক ডাঃ চাৰ্বিনা য়াচমিনে পুষ্টিহীনতাত কি আৰু ইয়াৰ কাৰণ তথা ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ কি কি ব্যৱস্থা আছে সেই সম্পৰ্কে উপস্থিত সাংবাদিকসকলক অৱগত কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা মণিকংকনা চাংমাই সমল ব্যক্তি হিচাপে থলুৱা খাদ্যৰে পুষ্টিহীনতা আঁতৰ কৰাৰ কৌশল তথা এই ক্ষেত্ৰত সাংবাদিকসকলৰ কৰণীয়া কি সেই সম্পৰ্কে বক্তব্য ৰাখে। কটন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° চয়নিকা দত্তই আঁত ধৰা কৰ্মশালাত জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰে সাংবাদিকসকলক পুষ্টিহীনতাৰ ওপৰত বাতৰি লিখি সকলোকে সজাগ কৰাৰ বাবে আহ্বান জনায়। কৰ্মশালাত জিলাখনৰ বহু সাংবাদিকে অংশগ্ৰহণ কৰে।

# কামপুৰত বানাক্ৰান্তলৈ সাহায্য শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২৯ জুন ঃ** ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে মৌলিক প্ৰয়োজনখিনিৰ বাবে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ এই সময়ছোৱাত বন্যাৰ্তৰ কাষত শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়। যোৱা ২৮ জুনত পুনৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু বিশ্ববিদ্যালয়খনৰ উদ্যোগত কামপুৰ অঞ্চলৰ ১২ টা আশ্ৰয় শিবিৰত থকা ছয়শতাধিক পৰিয়ালক বান সাহায্য বিতৰণ কাৰ্যসূচী সমাপন কৰা হয়। এই কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক তথা বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা) বাবুল বৰা, বিশ্ববিদ্যালয়খনৰ সহকাৰী গ্ৰন্থাগাৰিক শেখৰজ্যোতি নেওগ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি সচিব কৃষ্ণ কিংকৰ খাটনিয়াৰ, মূল কাৰ্যালয় পৰিচালনা সমিতিৰ সভাপতি তিলক চন্দ্ৰ কাকতি, কামৰূপ জিলা শাখাৰ সভাপতি-সম্পাদকৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটা দলে এই কাৰ্যসূচী ৰূপায়ণ কৰে।

# নগাঁৱৰ শিমলুগুৰিত ড্ৰাগছসহ সৰবৰাহকাৰী আটক বৰভেটি মহিলা জাগৰণ সমিতিৰ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৯ জুন ঃ** নগাঁও চহৰৰ দাঁতিকাষৰীয়া শিমলুগুৰিস্থিত এক ইটাভাটাৰ ওচৰত জুৰীয়াৰ পৰা ড্ৰাগছ লৈ নগাঁৱলৈ আহি থকা অৱস্থাত যোৱা ২৮ জুনত এজন ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰাৰ লগতে সৰবৰাহকাৰীটোৰ পৰা সাতটা সন্দেহজনক হেৰ'ইন ভৰ্তি কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয় বৰভেটি মহিলা জাগৰণ সমিতিৰ এটা দলে। সৰবৰাহকাৰীটোক উদ্ধাৰ কৰি আৰক্ষী চকীলৈ লৈ যায়। আটকাধীন সৰবৰাহকাৰীজনৰ নাম ছফিকুল ৰহমান। ধৃত ছফিকুলৰ ঘৰ নগাঁৱৰ বৰভেটিত। দীৰ্ঘদিন ধৰি উক্ত অঞ্চলত ছফিকুলে ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মহিলা সমিতিয়ে। সম্প্ৰতি সৰবৰাহকাৰীজনক হয়বৰগাঁও নগৰ আৰক্ষীয়ে সোধ-পোছ অব্যাহত ৰাখিছে বুলি জানিব পৰা হৈছে। উল্লেখ্য যে পূৰ্বেও বৰভেটি জাগৰণ মহিলা সমিতিয়ে কে'বাটাও ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰি আৰক্ষীক চমজাই দিছিল।

# টিহুৰ উত্তৰ দীঘেলীত বিষ্ণু ৰাভাৰ সংগ্ৰামী সতীৰ্থ অগিন ৰামছিয়াৰীক ৰাজহুৱাভাৱে স্মৰণ



অগ্ৰদূত বাৰ্তা

**টিহু, ২৯ জুন ঃ** টিহু অঞ্চলৰ উত্তৰ দীঘেলীত আজি বিয়লি কলাগুৰু বিষ্ণু ৰাভাৰ সংগ্ৰামী সতীৰ্থ অগিন ৰামছিয়াৰী আৰু বামপন্থী নেতা দীনেশ বসুমতাৰীক ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। উল্লেখ্য যে দীনেশ ৰামছিয়াৰীৰ যোৱা ১৫ জুনত আৰু অগিন ৰামছিয়াৰীৰ ২২ জুনত মৃত্যু হয়। চিপিআই(এম)ৰ টিহু আঞ্চলিক সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত উত্তৰ দীঘেলী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে টিহু আঞ্চলিক কৃষক সভাৰ সম্পাদক মনি ভট্টই। চিপিআই(এম)ৰ টিহু আঞ্চলিক সমিতিৰ সম্পাদক কৰুণা কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত নলবাৰী জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি খগেন ৰামছিয়াৰী, সদৌ অসম ট্ৰাইবেল সংঘৰ প্ৰাক্তন সম্পাদক থানেশ্বৰ বড়ো, শ্ৰমিক নেতা কনক বৰ্মন, চিপিআই(এম)ৰ নলবাৰী জিলা সমিতিৰ সম্পাদক মণ্ডলীৰ সদস্য বিজয় কলিতা, চিপিআই(এম)ৰ নামবৰভাগ আঞ্চলিক সমিতিৰ সম্পাদক পুৰুষোত্তম শৰ্মা, নলবাৰী জিলা গণতান্ত্ৰিক মহিলা সমিতিৰ সম্পাদিকা লিলি কলিতা, সাংবাদিক অজিত কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নন্দ বসুমতাৰী আদিয়ে অগিন ৰামছিয়াৰী আৰু দীনেশ বসুমতাৰীৰ বিষয়ে বক্তব্য দিয়ে। সভাৰ পূৰ্বে অগিন ৰামছিয়াৰীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী বিমলা ৰামছিয়াৰীয়ে আৰু মাল্যাৰ্পণ কৰে সমাজকৰ্মী কৰুণাকান্ত কলিতাই। দীনেশ বসুমতাৰীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যতীমা বসুমতাৰী আৰু মাল্যাৰ্পণ কৰে পঞ্চায়ত সদস্য মহেশ্বৰ বড়োই। অনুষ্ঠানত বিভিন্ন সংগঠনৰ নেতৃবৰ্গ আৰু উপস্থিত ব্যক্তিসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# গোৱালপাৰাৰ ভালুকডুবি মৰিয়মনগৰ পথত যানবাহনৰ দীঘলীয়া শাৰী

■ ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ জুন ঃ** প্ৰয়োজনীয় পাৰ্কিঙৰ ব্যৱস্থা নথকাৰ ফলত গোৱালপাৰা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত অহা লোকসকলে ওচৰৰে ভালুকডুবি-মৰিয়ম নগৰ পথৰ মছজিদৰ ওচৰত যানবাহন ৰখাবলগীয়া হয়। এইদৰে প্ৰতিদিনে উক্ত পথৰ ওপৰত যানবাহনৰ দীঘলীয়া শাৰী হোৱাত যাতায়াতৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে ৰাইজে। জানিব পৰা মতে, গোৱালাপাৰা জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ত যানবাহন চালকসকলৰ পৰীক্ষা লোৱা হয়। এই পৰীক্ষাৰ বাবে বিভিন্ন সৰু-ডাঙৰ বহু যানবাহনৰ সমাগম হয়। তদুপৰি পৰিবহণ বিভাগে জব্দ কৰিও বহু যানবাহন জমা কৰি থৈছে। ফলত চালকসকলে পৰীক্ষা দিবলৈ অনা যানবাহনসমূহ পথৰ দাঁতিত শাৰী পাতি থৈ দিয়াত ব্যাপক যানজঁটৰ সৃষ্টি হয়। তদুপৰি জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ ওচৰতে থকা এফচিআইৰ গুদামতো প্ৰয়োজনীয় পাৰ্কিঙৰ ব্যৱস্থা নথকাত পথৰ দাঁতিত যানবাহনসমূহ পাৰ্কিং কৰি থোৱাত ৰাইজৰ ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। যিকোনো সময়ত ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে ৰাইজে। সেয়ে পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ ভিতৰত তথা নিৰ্দিষ্ট ঠাইত যানবাহনসমূহ পাৰ্কিঙৰ ব্যৱস্থা কৰিবলৈ জিলা পৰিবহণ বিষয়াক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# পথ পুনৰ নিৰ্মাণৰ দাবীত বৰমা আছুৰ স্মাৰকপত্ৰ প্ৰদান

**বৰমা, ২৯ জুন ঃ** বাগ্‌সা জিলাৰ অন্তৰ্গত বৰমা-ধমধমা-তামুলপুৰ (গোসাঁই কমল পথ) গড়কাপ্তানী পথৰ দুৰৱস্থাই বিঘ্নিত কৰিছে যাতায়াত ব্যৱস্থা। সদা ব্যস্ত হৈ পৰা পথৰ মাজে মাজে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে আৰু কোনো কোনো অংশত পথটো খহি গৈছে যাৰ ফলত থেক পথটোৰে যাতায়াত কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। সম্প্ৰতি বিপজ্জনকভাৱে যাতায়াত কৰিব লগা হৈছে বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে বজাৰ-সমাৰ কৰিবলৈ অহা লোক। এই পথেৰে জৰুৰীকালীন অৱস্থাত চিকিৎসা ব্যৱস্থাৰ পৰাও বঞ্চিত হ'বলগা হৈছে বহু ৰোগী। সেয়ে যোৱা ২৮ জুনত বৰমা আঞ্চলিক ছাত্ৰ সন্থাই উক্ত পথটো পুনৰ নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সুচল কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই এক স্মাৰকপত্ৰ প্ৰদান কৰে। অন্যথা ৰাইজৰ সহযোগত এক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে।

# ছোটো স্যামথাইবাৰীত ঘাইপথত যুৱকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৯ জুন ঃ** চিৰাঙৰ ছোটো স্যামথাইবাৰীত ৩১ নম্বৰ ঘাইপথত কালি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো বৰপেটা জিলাৰ কলগাছিয়াৰ নিকটৱৰ্তী ছেওৰা চাপৰিৰ গফুৰ আলীৰ পুত্ৰ আতিকুল ইছলাম ওৰফে ছিকন্দৰ (২৯) বুলি চিনাক্ত কৰা হৈছে। যুৱকজনে ভঙা-ছিঙা সামগ্ৰীৰ ব্যৱসায় কৰিছিল। কি কাৰণত মৃত্যু হৈছে সেয়াও ৰহস্যজনক। পুৱা চিদলী থানাৰ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালক চমজাই দিয়ে।

# দহোটীয়া মাধ্যমিক বিদ্যালয়ৰ ১০৮ বৰ্ষপূৰ্তি উদ্‌যাপনৰ সমিতি গঠন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৯ জুন ঃ** নগৰৰ উপকণ্ঠত অৱস্থিত দহোটীয়া মাধ্যমিক বিদ্যালয়ৰ ১০৮ বৰ্ষপূৰ্তি অনুষ্ঠান উদ্‌যাপনৰ বাবে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক অপূৰ্ব শৰ্মা সভাপণ্ডিতৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, বিশিষ্ট অৱসৰপ্ৰাপ্ত নেইষ্টৰ বিজ্ঞানীদ্বয় ড° পৰাণ বৰুৱা, ড° প্ৰমোদ চন্দ্ৰ নেওগ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰকাশ বৰা, সুৰেশ চন্দ্ৰ বৰা, ৰামেশ্বৰ দত্ত, লবন শৰ্মা আদি ব্যক্তিসকলে অংশগ্ৰহণ কৰা সভাত উপস্থিতসকলক আদৰণি জনায় বিদ্যালয়ৰ বৰ্তমানৰ প্ৰধান শিক্ষক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে মুখ্য আহ্বায়ক দীপক চন্দ্ৰ দাসে। বিদ্যালয়খনৰ শতবৰ্ষ উদ্‌যাপন কৰা আলোচনাত অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ বৰা, ৰূপেশ্বৰ শইকীয়া, শিল্পী গৌৰী ভূএগ, শিক্ষক অৰূপ দত্ত, ত্ৰিদিপ বৰুৱা। বিভিন্ন আলোচনাৰ শেষত বিদ্যালয়খনৰ স্মৃতি ৰোমন্থন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ শৈক্ষিক দিশৰ কৰ্মশালা, লোক শিল্প, ঢোল, খোল সংস্কৃতি আদি বিভিন্ন দিশ সামৰি আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰাৰ বাবে স্থানীয় বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীক সভাপতি, প্ৰাক্তন বিধায়ক হেমন্ত কলিতাক কাৰ্যকৰী সভাপতি, আনন্দ বৰা, প্ৰবীণ কলিতা, চেনীৰাম শইকীয়াক উপ-সভাপতি, বিদ্যালয়ৰ প্ৰধান শিক্ষক ধীৰেন্দ্ৰ কুমাৰ গগৈক সাধাৰণ সম্পাদক, মুখ্য সহকাৰী সম্পাদক দীপক চন্দ্ৰ দাস, স্মৃতিগ্ৰন্থ সভাপতি প্ৰকাশ বৰা, সম্পাদক ৰমেন শইকীয়া, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমন্বয়ৰক্ষী সমিতিৰ বাবে লবন চন্দ্ৰ শৰ্মা, সত্যৰঞ্জন শৰ্মা, সুৰেশ চন্দ্ৰ বৰা, তপন গগৈ, অৰবিন্দ দাসক নিৰ্বাচিত কৰা হয়। ইয়াৰ উপৰি কে'বাখনো উপ-সমিতিও গঠন কৰা হৈছে। বৰ্তমান বিদ্যালয়খন দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰিকৰণ কৰিবলৈ লোৱা ব্যৱস্থাত ১০৮ বৰ্ষপূৰ্তি উদ্‌যাপন কৰিবলৈ সুবিধা প্ৰদান কৰিব লাগে বুলি সভাই এক প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে বিদ্যালয়খন একত্ৰিকৰণ হ'লে ছাত্ৰ-ছাত্ৰীসকলে যাতে একো অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবেও কৰ্তৃপক্ষক আহ্বান জনায়। বৰ্তমান শতবৰ্ষ অতিক্ৰম কৰা গৃহটি সুন্দৰৰূপ দি অতীতক স্মৰণৰ বাবে স্থায়ীৰূপত ৰাখিব লাগে বুলিও সহমত পোষণ কৰে।

# অভয়াপুৰীত বাহনৰ খুন্দাত গুৰুতৰভাৱে আহত চাইকেল আৰোহী

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৯ জুন ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত যোৱা ২৭ জুনৰ নিশা চাৰিচকীয়া বাহন এখনৰ খুন্দাত গুৰুতৰভাৱে আহত হয় চাইকেল আৰোহী। জানিব পৰা মতে, অভয়াপুৰী শিৱপুৰৰ হৰেন চন্দ্ৰ সৰকাৰে (৬০) নিশা ৮-৩০ বজাত বজাৰৰ পৰা চাইকেলেৰে ঘৰলৈ গৈ আছিল। কিন্তু ৰাজবাৰীমান পাওঁতে পিছপিনৰ পৰা এএছ-১৯জি-১৪৯১ নম্বৰৰ চাৰিচকীয়া (আই টেন) বাহন এখনে খুন্দিয়ায়। ফলত গুৰুতৰভাৱে আহত লোকজনক প্ৰথমে অভয়াপুৰীৰ দীনৰাম হাস্পতাল পাছত বঙাইগাঁও লৱাৰ আসাম হাস্পতাললৈ নিয়ে যদিও অৱস্থা অতি সংকটজনক হোৱাত গুৱাহাটীৰ চিকিৎসালয়লৈ নিয়া হয়। এই সন্দৰ্ভত অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰিছে পৰিয়ালৰ লোকে।




বৰষুণত স্বাভাৱিত জীৱন যাত্ৰা ব্যাহত অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাত।

# কেৱল শ্ৰদ্ধাযুক্ত মনৰ অধিকাৰীজনেহে প্ৰকৃত জ্ঞান লাভ কৰিব পাৰে ঃ ড° দেৱ গোস্বামী

■ প্ৰতিষ্ঠাবৰ্ষৰ কৃতী ছাত্ৰক সুঁৱৰি মাজুলী মহাবিদ্যালয়ত 'বদন-বন্দন' শীৰ্ষক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৯ জুন ঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত মাজুলী মহাবিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ, বিশিষ্ট শিক্ষাবিদ, মাজুলীৰ সাহিত্য জগতৰ অন্যতম কাণ্ডাৰীস্বৰূপ, ৰসবেত্তা বদন দোলাকাষৰীয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে কালি মহাবিদ্যালয়খনত 'বদন-বন্দন' শীৰ্ষক এখনি স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন হৈ যায়। মাজুলীৰ বৌদ্ধিক জগতৰ ভোটাতৰাস্বৰূপ ব্যক্তি সদ্যপ্ৰয়াত দোলাকাষৰীয়াক স্মৰণ কৰিবলৈ কালি দিনৰ ১২.৪৫ বজাৰ পৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিত প্ৰয়াত ব্যক্তিজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দোলাকাষৰীয়াৰ ভ্ৰাতৃ, শিল্পী জয় দোলাকাষৰীয়াই আৰু স্মৃতি তৰ্পণ কৰে তেওঁৰ পত্নী গোলাপী দোলাকাষৰীয়াই। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° লীমা দত্তই আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে তুলসী ৰাজখোৱাই। অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দোলাকাষৰীয়াৰ জ্ঞানৰ বিশালতাৰ আৰু অধ্যয়ন পিপাসুৰ বিষয়ে উল্লেখ কৰে। গীতাৰ ব্যাখ্যাৰ পৰা ইংৰাজী কবিৰ প্ৰসংগ, আকৌ তাৰ লগতে মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন আদিৰ প্ৰসংগ উপস্থাপনেৰে লিখা ভিন্নস্বাদৰ সমৃদ্ধ লেখাৰে মাজুলীৰ জ্ঞানৰ জগতখন তেওঁ কেনেকৈ জীপাল কৰি থৈ গ'ল, তাৰ চমু আলোকপাতেৰে বদন দোলাকাষৰীয়াৰ সাহিত্যকীৰ্তি সম্পৰ্কে ব্যাখ্যা কৰে। অনুষ্ঠান




মুখ্য বক্তা ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী নিজৰ সাৰগৰ্ভ বক্তব্যত উল্লেখ কৰে যে সমাজৰ সকলোতকৈ শ্ৰেষ্ঠ সম্পদেই হৈছে জ্ঞান। সাধাৰণ জ্ঞান সমাজৰ প্ৰতিজনৰ বাবেই লভ্যমান হ'ব পাৰে; কিন্তু কেৱল শ্ৰদ্ধাযুক্ত মনৰ অধিকাৰীজনেহে প্ৰকৃত জ্ঞান লাভ কৰি এজন প্ৰকৃত মানুহত পৰিণত হ'বলৈ সক্ষম হয়। জ্ঞানপিপাসু বদন দোলাকাষৰীয়া আছিল তেনে এজন প্ৰকৃত মানুহ, বয়স অনুযায়ী সমাজৰ সকলোকে যথোচিত সন্মান আৰু মৰ্যাদা প্ৰদান কৰিছিল। এনে এজন ব্যক্তিৰ জ্ঞানসমৃদ্ধ লেখাসমূহ সংৰক্ষণৰ বাবে আউনীআটী সত্ৰই ব্যৱস্থা লোৱাৰ বিষয়েও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, পৰিয়ালৰ তৰফৰ পৰা ললিত শইকীয়া, অৱসৰপ্ৰাপ্ত অভিযন্তা জিতেন দোলাকাষৰীয়া, আউনীআটী হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰশান্ত দোলাকাষৰীয়া, সমাজকৰ্মী যুগল হাজৰিকা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰী প্ৰশাসনিক সমন্বয়ক ড° আনন্দ হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক অমৃতেশ্বৰ চুতীয়া, শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, ড° ৰাজেন বৰা, অজয় প্ৰসাদ সিংহ আদিয়ে বদন দোলাকাষৰীয়াৰ বৰ্ণাঢ্য জীৱনৰ বিভিন্ন দিশৰ অৱলোকন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই।

# যোৰহাট গড়মূৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পকীবেৰাৰ আধাৰশিলা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৯ জুন ঃ** যোৰহাট গড়মূৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পকীবেৰাৰ আধাৰশিলা যোৱা ২৫ জুনত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী আৰু ৰাজ্য সভাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছাই স্থাপন কৰে। তদুপলক্ষে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰশান্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাৰতীয় ষ্টেট বেংকৰ যোৰহাটৰ উপ-মহা প্ৰবন্ধক জিতেন্দ্ৰ কান্ত ঠাকুৰ, সহকাৰী প্ৰবন্ধক নয়নজ্যোতি শৰ্মা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিপুল শইকীয়া, উপ-সভাপতি অৰুণ বৰা, প্ৰাক্তন সভাপতি দিগন্ত দত্ত, অনুসূচিত জনজাতি পৰিষদৰ সভাপতি তথা প্ৰাক্তন ছাত্ৰ জগত দাস, জিলা পৰিষদৰ সদস্য ৰঞ্জন শইকীয়া, উত্তৰ গড়মূৰ গাঁও পঞ্চায়তৰ সভাপতি প্ৰেমদা হাতীবৰুৱা, আঞ্চলিক সদস্যা ৰুবী ভৰালী প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰশান্ত শইকীয়াই আঁতধৰা সভাত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনায়। ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা সভাত শিক্ষক বিদ্যুৎ বিকাশ বৰবৰা, মিতালী বৰুৱাই গীত পৰিৱেশন কৰে। প্ৰধান শিক্ষয়িত্ৰী মালাবিকা পূজাৰীয়ে শলাগ জ্ঞাপন কৰা সভাত বিধায়কে বিদ্যালয়ৰ উন্নয়নৰ কাৰণে ৫০ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে সাংসদজনে বিদ্যালয়ৰ পকীবেৰাৰ কাৰণে ১০ লাখ টকাৰ অনুদান আগবঢ়ায়।

# কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিলীপ শইকীয়াক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৯ জুন ঃ** কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিলীপ শইকীয়াক কালি বিদ্যালয়খনৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিলীপ শইকীয়াই ১৯৮৫ৰ বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰে পৰা সহ-শিক্ষকতা কৰি ২০২০ত বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি ২০২১ৰ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে। কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষক গোট, বিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটোত সমল ব্যক্তিৰূপে উপস্থিত থাকে নবোজ্জ্বল হাইস্কুলৰ প্ৰবীণ শিক্ষক সঞ্জীৱ উপাধ্যায়, নগৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদ্ম শৰ্মা প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি।বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষক কমল চন্দ্ৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটো বিদায়ী প্ৰধান শিক্ষকজনক সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, চেলেং, ধুতি-চুৰীয়া, সঁফুৰা, ছাতি আৰু এযোৰ পাদুকাৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে উক্ত অনুষ্ঠানটোত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ মুনীন্দ্ৰ নাথক সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ষ্টাৰ মাৰ্কসহ উত্তীৰ্ণ হোৱাত ছাত্ৰজনক সম্বৰ্ধনা জনোৱা হয়।

# ঘগ্ৰাপাৰৰ চতমাত শতাধিক বানাক্ৰান্তক সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৯ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ সমীপৰ চতমাত বানাক্ৰান্তৰ মাজত যোৱা ২৮ জুনত গুৱাহাটীৰ বামুণীমৈদামস্থিত অৰোৱা ফাইন আৰ্টছৰ অংশীদাৰ আৰু ছপাশালটোৰ কৰ্মচাৰীৰ সৌজন্যত তথা চতমা নৱ-যুৱক সংঘ আৰু সাৰ্বজনীন বাসন্তী পূজা পৰিচালনা সমিতিৰ সহযোগত বান সাহায্য বিতৰণ কৰা হয়। কালি দুপৰীয়া স্থানীয় বাসন্তী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত সাহায্য বিতৰণ অনুষ্ঠানটোৰ আঁত ধৰে চতমা বাসন্তী পূজা পৰিচালনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ শৰ্মাই। ইয়াৰ পাছতে গাঁৱৰ প্ৰায় শতাধিক দুখীয়া বানাক্ৰান্তৰ মাজত অৰোৱা ফাইন আৰ্টছৰ অংশীদাৰ মুনিন মিশ্ৰ আৰু কৰ্মচাৰী ক্ৰমে উদ্ধৱ পাঠক, ধনজিৎ দাস, জোতিৰ্ময় শৰ্মা, বুলু মিশ্ৰ, ফলদা পাঠকে বানাক্ৰান্তৰ মাজত কিছু সাহায্য প্ৰদান কৰে। কালি উক্ত কাৰ্যসূচীত অৰোৱা ফাইন আৰ্টছৰ কৰ্মচাৰীসকলক সহযোগ কৰে চতমা নৱ-যুৱক সংঘৰ সভাপতি সত্যেন কুমাৰ শৰ্মা, সম্পাদক মৃগেন শৰ্মা, চতমা বাসন্তী পূজা পৰিচালনা সমিতিৰ সম্পাদক মুন শৰ্মাসহ অমৰেন্দ্ৰ শৰ্মা, ৰাজীৱ শৰ্মা, হীৰেন শৰ্মা, মানৱ শৰ্মা, মুনীন্দ্ৰ শৰ্মা, মুকুট শৰ্মা, প্ৰদীপ শৰ্মা, মিণ্টু শৰ্মা, কমল শৰ্মা আদিয়ে। প্ৰায় শতাধিক বানাক্ৰান্ত পৰিয়ালক আজি দলটোৱে চাউল, আলু, মিঠাতেল, দাইল, চেনি বিস্কুট, চাহপাত, নিমখ আদি নিত্য ব্যৱহাৰ্য সামগ্ৰী সাহায্য হিচাপে আগবঢ়ায়। ছপাশালটোৰ কৰ্মচাৰীবৃন্দৰ এনে মহানুভৱতাক ৰাইজে শলাগ লৈছে।

# মাজুলীৰ বিভিন্ন ঠাইত জিলা চিকিৎসা বিভাগৰ 'মেগা স্বাস্থ্য পৰীক্ষা শিবিৰ'

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৯ জুন ঃ** মাজুলী জিলা চিকিৎসা বিভাগে যোৱা ২৫ জুনৰ পৰা বানাক্ৰান্ত ৰাইজৰ সুবিধাৰ্থে এক 'মেগা স্বাস্থ্য পৰীক্ষা শিবিৰ'ৰ আয়োজন কৰিছে। উক্ত চিকিৎসা শিবিৰসমূহত স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰোগৰ নমুনা সংগ্ৰহ, ঔষধ বিতৰণ, মেলেৰিয়া আদি বিভিন্ন ৰোগৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। সেই অনুসৰি ভকত চাপৰি অঞ্চলৰ মদাৰগুৰি প্ৰাথমিক বিদ্যালয়ত, মিছামৰা অঞ্চলৰ চেৰপাইখোৱা এমই বিদ্যালয়ত ২৭জুনত টাকাৰচুকৰ কাঠনী জাৰৰচুক প্ৰাথমিক বিদ্যালয় আৰু লাচন চিকাৰী অঞ্চলৰ নামনি লাচন প্ৰাথমিক বিদ্যালয়ত এই মেগা স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। ৰাইজক এই বিনামূলীয়া স্বাস্থ্য শিবিৰত উপস্থিত হৈ সুবিধা গ্ৰহণ কৰিবৰ বাবে স্বাস্থ্য বিভাগে জনোৱা আহ্বানৰ প্ৰতি ৰাইজৰ বিপুল সঁহাৰি লাভ কৰে। প্ৰতিকূল বতৰকো নেওচি অনুষ্ঠিত কৰা চিকিৎসা বিভাগৰ এনে পদক্ষেপত ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# কৃষকৰ পুত্ৰ চিন্ময়ৰ ৰসায়ন বিজ্ঞানত সৰ্বোচ্চ নম্বৰ অৰ্জন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৯ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত গোলাঘাট জিলাৰ ঢেকিয়াল মৌজাৰ হালোৱা গাঁও নিবাসী এজন সাধাৰণ কৃষক সমীন্দ্ৰ শইকীয়া আৰু জোনাকী শইকীয়াৰ পুত্ৰ চিন্ময় শইকীয়াই ৰসায়ন বিজ্ঞানত অসমৰ ভিতৰতে সৰ্বোচ্চ ৯৯ শতাংশ নম্বৰ অৰ্জনৰ লগতে ডিষ্টিংচনসহ উত্তীৰ্ণ হৈ নিজৰ জন্মস্থান আৰু তেওঁ পঢ়া কল্পতৰু একাডেমী (তেলগৰম, নুমলীগড়)ক গৌৰান্বিত কৰি তোলে। চিন্ময়ে ইংৰাজীত ৮০, অসমীয়াত ৮৭, গণিতত ৯৭, পদাৰ্থ বিজ্ঞানত ৯৩ আৰু ৰসায়ন বিজ্ঞানত ৯৯ শতাংশ নম্বৰসহ মুঠতে অৰ্জন কৰে ৯১.২ শতাংশ নম্বৰ। উল্লেখ্য যে দুবছৰৰ পূৰ্বে ৯৪.৫ শতাংশ নম্বৰ অৰ্জন কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা দৰিদ্ৰ সীমাৰেখা তলৰ ব্যক্তি সমীন্দ্ৰ শইকীয়াৰ পুত্ৰ চিন্ময়ক উক্ত কল্পতৰু একাডেমী কৰ্তৃপক্ষই বিনামূলীয়াকৈ পঢ়াৰ সুবিধা কৰি দিছিল। চিন্ময়ে এতিয়া অভিযন্তা প্ৰৱেশ পৰীক্ষাৰ প্ৰস্তুতি চলাইছে।

■ লুণ্ঠনৰ স্বাৰ্থতে গুৱাহাটীৰ পৰা ফাৰ্ম আমদানি কৰাৰ অভিযোগ

# যোৰহাট পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ দৌৰাত্ম্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৯ জুন ঃ** নৱ গঠিত যোৰহাট পৌৰ সভাৰ পৌৰপতি আৰু উপ-পৌৰপতিৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ উঠিৰজা বহিৰজা হৈ পৰিছে পৌৰসভাখনৰ অসম প্ৰশাসনিক সেৱাৰ কাৰ্যবাহী বিষয়াজন। শেহতীয়াকৈ নেওগ উপাধিধাৰী পৌৰ সভাখনৰ কাৰ্যবাহী বিষয়াজনে নিজৰ স্বাৰ্থ পুৰাবলৈকে স্থানীয় ঠিকাদাৰক বঞ্চিত কৰি গুৱাহাটীৰ ফাৰ্মক কাম আবণ্টন দিয়াৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। প্ৰাপ্ত তথ্য অভিযোগ অনুসৰি, নগৰৰ নআলিৰ যোৰহাট কলেজৰ ওচৰত থকা আৰবান পানী যোগান আঁচনিৰ এটা অভাৰহেড টেংকী পৰিষ্কাৰ কৰা কামৰ নামত কোনো ধৰণৰ বিজ্ঞাপন নিদিয়াকৈয়ে গুৱাহাটীৰ তিনিখন ফাৰ্মক টেণ্ডাৰ মাৰিবলৈ সুযোগ দিয়া হৈছে। এই ফাৰ্ম তিনিখন হ'ল গুৱাহাটীৰ মা এণ্টাৰপ্ৰাইজ, পল্টন বজাৰৰ কেএম এণ্টাৰপ্ৰাইজ আৰু আমবাৰীৰ এনএন এণ্টাৰপ্ৰাইজ। উল্লেখ্য যে নিৰ্বাচিত এখন পৌৰসভা থকাৰ পাছতো পৌৰ সভাখনক অন্ধকাৰত ৰাখি নিজৰ পছন্দৰ ফাৰ্মক কামটো আদায় দিয়াৰ স্বাৰ্থতে কাৰ্যবাহী বিষয়াজনে এই ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি অভিযোগত প্ৰকাশ। ইপিনে, আন এক সূত্ৰই সদৰী কৰা অনুসৰি, কিছুদিন পূৰ্বে এই অভাৰহেড টেংকীৰ পৰা পানী লিক কৰাত পৌৰ সভাৰে মাষ্টাৰ ৰোল কৰ্মচাৰীৰ হতুৱাই মেৰামতিৰ কামখিনি কৰোৱা হয় আৰু বৰ্তমান তাত পানীৰ কোনো লিক নাই। সন্দেহ কৰা হৈছে মাষ্টাৰ ৰোল কৰ্মচাৰীৰ হতুৱাই কৰা কামটোকে নিয়মীয়াকৰণৰ নামত এনেকৈ গোপনে নিজৰ পছন্দৰ ফাৰ্মৰ পৰা টেন্দাৰ আহ্বান কৰা হৈছে আৰু তাৰ জৰিয়তে মোটা অংকৰ টকা আত্মসাত কৰাৰ ফন্দি পাতিছে। সূত্ৰটোৱে দাবী কৰা অনুসৰি, মাত্ৰ কেইহেজাৰ মান খৰচ পৰা কামটোৰ বাবে ক্ৰমে মা এণ্টাৰপ্ৰাইজৰ পৰা ৯৪,৪০০ টকা, কেএম এণ্টাৰপ্ৰাইজৰ পৰা ১,০৫,৬১০ টকা আৰু এনএন এণ্টাৰপ্ৰাইজৰ পৰা ১,২০,৩৬০ টকা মূল্যত টেণ্ডাৰ পৰিছে। ইয়াৰে নিম্নতম মূল্যৰ টেণ্ডাৰ মৰা ফাৰ্মক কাম আবণ্টন কৰাৰ নিয়ম। সেই মৰ্মে এণ্টাৰপ্ৰাইজে কামটো নিশ্চিতভাৱে লাভ কৰিব। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল ইতিপূৰ্বে হৈ যোৱা কামৰ বিপৰীতে সিমান টকা খৰচ হোৱাই নাছিল, মাত্ৰ ৰাইজৰ কৰ-কাটলেৰে গঠিত পুঁজিৰ ধন আত্মসাত কৰাৰ লক্ষ্যৰে এই চক্ৰান্ত কৰা বুলি মুকলি অভিযোগ উঠিছে। বৰ্তমানো পৌৰপতিৰ স্বাক্ষৰ নোহোৱা ফাইলটোৰ ক্ষেত্ৰত পৌৰপতিয়ে কি সিদ্ধান্ত লৈ সেয়া লক্ষ্যণীয় হ'ব।



'ডান্স ইণ্ডিয়া ডান্স লিটিল মাষ্টাৰ্ছ'ৰ অধিকাৰী নৰজিৎ নাৰ্জাৰী বৰমাত সম্বৰ্ধনা।

# অল ইণ্ডিয়া ডেমোক্ৰেটিক ইয়ুথ অৰ্গেনাইজেছনৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৯ জুন ঃ** সৰ্বভাৰতীয় যুৱ সংগঠন অল ইণ্ডিয়া ডেমোক্ৰেটিক ইয়ুথ অৰ্গেনাইজেছনৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস লখিমপুৰৰ জিলা কাৰ্যালয়ত পালন কৰা হয়। অনুষ্ঠানটোৰ পতাকা উত্তোলন কৰে ৰাজ্যিক সম্পাদক বিৰিঞ্চি পেগুৱে সংগঠনৰ জিলা সভাপতি হেমকান্ত মিৰিৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাচক্ৰৰ সভাত মুখ্য বক্তাৰূপে উপস্থিত থাকে এআইডিএছঅ'ৰ অসম ৰাজ্যিক কমিটীৰ সভাপতি প্ৰজ্জ্বল দেৱ। মুখ্য বক্তাৰ ভাষণ প্ৰসংগত সংগঠনৰ লক্ষ্য দায়িত্ববোধক গুৰুদায়িত্ব হিচাপে গ্ৰহণ কৰি সমাজৰ দৰিদ্ৰ, নিষ্পেষিতজনৰ পক্ষত থিয় হৈ পুঁজিবাদৰ শোষণ-দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি যাবলৈ আহ্বান জনায়। সংগঠনৰ সদস্য ৰেৱত শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত সংগঠনৰ বিষয়ববীয়া, সদস্য গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ৰঙাপৰাত বলিদান দিৱস উপলক্ষে সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিক সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৯ জুন ঃ** ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতিষ্ঠাপক সভাপতি শ্যামা প্ৰসাদ মুখাৰ্জীৰ পুণ্য তিথি বলিদান দিৱসৰ লগত সংগতি ৰাখি কালি বিজেপি ৰঙাপৰা নগৰ মণ্ডলৰ উদ্যোগত সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। কালি বিয়লি পাঁচ বজাত ৰঙাপৰা নগৰস্থিত অসম কেশৰী সংঘত অনুষ্ঠিত সভাত ক'ভিড কালত ক'ভিড যোদ্ধাৰূপে অৱদান আগবঢ়োৱা আৰক্ষী, সংবাদ কৰ্মী, আশাকৰ্মী আৰু স্বেচ্ছাসেৱী সংগঠনৰ সদস্যসকলক সম্বৰ্ধনা জনোৱা হয়। ক'ভিড কালত নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি ৰাইজৰ সেৱাত নিয়োজিত প্ৰশাসনিক বিষয়া, স্বাস্থ্য কৰ্মী, সংবাদ কৰ্মীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ৰঙাপৰা নগৰ মণ্ডলৰ সম্পাদক বিজয় কলিতাই আঁত ধৰা সভাত সভাপতিত্ব কৰে ৰঙাপৰা নগৰ মণ্ডলৰ সভাপতি আৰু ৰঙাপৰা এক নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিচনাৰ স্বপন ধৰে। জনসংঘ তথা বৰ্তমানৰ বিজেপি দলক প্ৰতিষ্ঠা কৰা শ্যামা প্ৰসাদ মুখাৰ্জী এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়ত এক দেশ এক আইনৰ দাবী উত্থাপন কৰিছিল। সেই দাবী পূৰণ নোহোৱাত মন্ত্ৰী পদৰ পৰা পদত্যাগ কৰি বলিদান দিছিল আৰু তেতিয়াৰ পৰা বিজেপিয়ে বলিদান দিৱস পালন কৰি আহিছে বুলি মন্তব্য কৰে শোণিতপুৰ জিলা বিজেপি উপ- সভাপতি তথা ৰঙাপৰা নগৰ মণ্ডলৰ প্ৰভাৰি কমল কলিতাই মন্তব্য কৰে। শ্যামা প্ৰসাদ মুখাৰ্জীৰ ৬৯ সংখ্যক বলিদান দিৱস উপলক্ষে ৰাজ্যিক সমিতিৰ নিৰ্দেশ মৰ্মে ৰঙাপৰা নগৰ মণ্ডলে এই কাৰ্যসূচী হাতত বুলি শোণিতপুৰ জিলা বিজেপিৰ প্ৰাক্তন উপ-সভাপতি মুনিন বৰুৱাই উল্লেখ কৰে। সভাত ৰঙাপৰা পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস, উপ-পৌৰপতি তৃপ্তি গুহ, ৱাৰ্ড কমিচনাৰ গণেশ কৰ্মকাৰ, শুভ্ৰা পাল, ক্ষীণমায়া সোণাৰি, ৰবিশংকৰ দে, ৰাজা বাবু শ্বাহ আৰু মালতি ৰায়, ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেবেন বৰা, ৰঙাপৰা ৰেলৱে চিকিৎসালয়ৰ মুখ্য চিকিৎসক ডাঃ ৰামকেশ প্ৰসাদ, ডাঃ নৱনীতা দাস, ডাঃ চেলিম আলী আহমেদ, ডাঃ পি সিদ্ধাৰ্থ, ডাঃ অশ্বিন কুমাৰ আৰু ডঃ নিৰ্বান পালৰ লগতে অঞ্চলটোৰ বহু বিজেপিৰ সদস্যই অংশগ্ৰহণ কৰে।

# জালুকনিবাৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ এশ শতাংশ উত্তীৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৯ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত জালুকনিবাৰী আটলাণ্টিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ এশ শতাংশ উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পৰীক্ষাত অৱতীৰ্ণ হোৱা বিদ্যালয়ৰ ২২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ কেইগৰাকীয়ে সফলতাৰে উত্তীৰ্ণ হয়। উল্লেখ্য যে আটলাণ্টিক বিদ্যালয়খনৰ পৰা চতুৰ্থবাৰৰ বাবে এশ শতাংশ উত্তীৰ্ণ হৈছে। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক কলা শাখাত বিদ্যালয়ৰ ছাত্ৰ মানস প্ৰতিম বৰদলৈয়ে ছটা বিষয়ত লেটাৰ, ডিষ্টিংচনসহ অৰ্থনীতি বিজ্ঞানত ৯৯ শতাংশৰে ৰাজ্যৰ ভিতৰক সৰ্বোচ্চ নম্বৰ লাভ কৰি বিদ্যালয়ৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিদ্যালয়ৰ মানসপ্ৰতিম বৰদলৈৰ লগতে ক্ৰমে ইন্দ্ৰাণী হাজৰিকা, প্ৰীতি পুনম গগৈ আৰু প্ৰহেলিকা বৰগোহাঁয়ে চাৰি-পাঁচটা বিষয়ত লেটাৰসহ চাৰিজনে ডিষ্টিংচন, পাঁচগৰাকীয়ে লেটাৰ, ষ্টাৰ মাৰ্কসহ মুঠ ২১ গৰাকীয়ে প্ৰথম বিভাগত আৰু এগৰাকী ছাত্ৰীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়ৰ এশ শতাংশ ধাৰা অব্যাহত ৰাখে। বিদ্যালয়খনৰ সঞ্চালক ভাস্কৰজ্যোতি শইকীয়া, অধ্যক্ষা মুনমি বৰা, বিশেষ পৰামৰ্শদাতা পৰেশ বৰদলৈ, উপ-সঞ্চালিকা শান্তি ফুকন আৰু সম্পাদক নবাৰুণ বৰাৰ একান্ত প্ৰচেষ্টা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সেৱাৰ ফলতেই উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিগত চাৰিটা বৰ্ষতে এশ শতাংশ উত্তীৰ্ণ হাৰে অঞ্চলবাসীয়ে বিদ্যালয় কৰ্তৃপক্ষক একেমুখে ধন্যবাদ জ্ঞাপন কৰিছে।

# ঘগ্ৰাপাৰৰ এমবিচিয়াছ একাডেমীৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৯ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ঘগ্ৰাপাৰস্থিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান এমবিচিয়াছ একাডেমীৰ পৰীক্ষাৰ্থীসকলে আশানুৰূপ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। কলা আৰু বিজ্ঞান শাখাত মুঠ ৯৮ গৰাকী অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলটোক জিলিকাই তুলিছে। কলা শাখাত প্ৰথম বিভাগত ১৩ গৰাকী, দ্বিতীয় বিভাগত ৪২ গৰাকী আৰু তৃতীয় বিভাগত চাৰিগৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত প্ৰথম বিভাগত ৩৬ গৰাকীয়ে আৰু দ্বিতীয় বিভাগত তিনিগৰাকীয়ে উত্তীৰ্ণ হৈছে। শিক্ষানুষ্ঠানখনৰ এনে সফলতাত অঞ্চলটোৰ বৌদ্ধিক মহলে সন্তোষ প্ৰকাশ কৰিছে।

# পুৰণিগুদাম কলংপাৰ ছিনিয়ৰ ছেকেণ্ডাৰী, জুনিয়ৰ কলেজৰ এশ শতাংশ উত্তীৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২৯ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নগাঁও জিলাৰ পুৰণিগুদাম কলংপাৰ ছিনিয়ৰ ছেকেণ্ডাৰী আৰু জুনিয়ৰ কলেজখনৰ এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হোৱা খবৰে অঞ্চলটোৰ শৈক্ষিক সমাজক উৎফুল্লিত কৰি তুলিছে। বিগত বৰ্ষতো উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে পুৰণিগুদাম কলংপাৰ ছিনিয়ৰ ছেকেণ্ডাৰী আৰু জুনিয়ৰ কলেজখনে পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ ৰাখি এই বৰ্ষতো কলা আৰু বাণিজ্য শাখাত অৱতীৰ্ণ হোৱা মুঠ ৩৮গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকী উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কলংপাৰ ছিনিয়ৰ ছেকেণ্ডাৰী আৰু জুনিয়ৰ কলেজখনৰ পৰা চাৰিগৰাকীয়ে ষ্টাৰ, ১০গৰাকীয়ে বিভিন্ন বিষয়ত লেটাৰসহ প্ৰথম স্থান ১৫গৰাকীয়ে দ্বিতীয় স্থান আৰু ১৩গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তৃতীয় স্থান লাভ কৰি এশ শতাংশ উত্তীৰ্ণৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ পৱিত্ৰ বৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকল উৎফুল্লিত হৈ পৰিছে।

# পূব গোৱালপাৰাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উৎকৃষ্ট ফলাফল প্ৰদৰ্শন

■ বুৰঞ্জীত সৰ্বোচ্চ নম্বৰ লাভ দিম্পীমনী নাথৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ জুন ঃ** সদ্য ঘোষিত মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত গোৱালপাৰা জিলাৰ বাকাইটাৰীস্থিত পূব গোৱালপাৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে উৎকৃষ্ট ফলাফল প্ৰদৰ্শনৰ লগতে বুৰঞ্জী বিষয়ত দিম্পীমনী নাথে অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখ্য যে এইবেলি শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত (কলা শাখাত) মুঠ ১৪৬ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ১৪৪ গৰাকী অৰ্থাৎ ৯৮.৬৩ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। ইয়াৰে সাতগৰাকীয়ে ষ্টাৰ নম্বৰসহ মুঠ ৩৮ গৰাকীয়ে প্ৰথম বিভাগ, ৮৬ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ২০ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইপিনে, বুৰঞ্জীত ৰাজ্যখনৰ ভিতৰতে মুঠ তিনিগৰাকী শিক্ষাৰ্থীয়ে সৰ্বোচ্চ ৯৯ নম্বৰ লাভ কৰিছে। উক্ত সন্মানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে পূব গোৱালপাৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ দিম্পীমনী নাথে।

# শুৱালকুছিত যুৱ ব্যৱসায়ীৰ 'শিল্প বচাওক' অভিযান

■ যন্ত্ৰচালিত শালৰ বস্ত্ৰ বিক্ৰী বন্ধ কৰক



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৯ জুন ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ লগতে অসমৰ চৌদিশে যন্ত্ৰচালিত শালৰ বস্ত্ৰৰ পয়োভৰে থলুৱা তথা হস্ততাঁত বস্ত্ৰ শিল্পৰ শ্মশান যাত্ৰা হৈছে। ইয়াৰ প্ৰতিৰোধৰ দাবীত শুৱালকুছিৰ শতাধিক যুৱ ব্যৱসায়ীয়ে যোৱা ২৯ জুনৰ সন্ধিয়া আঠ বজাত শুৱালকুছিৰ বস্ত্ৰ বিপণীসমূহক যন্ত্ৰচালিত শালৰ বস্ত্ৰৰ লগতে বিদেশী বস্ত্ৰ বিক্ৰী বন্ধ কৰিবলৈ অনুৰোধ জনায়। ই কেৱল শুৱালকুছিৰ বস্ত্ৰতে সীমাবদ্ধ নাৰাখি অসমৰ সকলো থলুৱা বস্ত্ৰৰ স্বাভিমান ৰক্ষাৰ বাবে শুৱালকুছিৰ পৰাই জনজাগৰণৰ যাত্ৰা আৰম্ভ কৰা হ'ব বুলি যুৱ ব্যৱসায়ীসকলে জনায়। উল্লেখ্য যে চৰকাৰৰ হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ ভুল নীতি আৰু এচাম লাভখোৰ ধুৰন্ধৰ বস্ত্ৰ ব্যৱসায়ীৰ হাতোৰাত শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ মৃত্যুঘণ্টা বাজিছে। 'ছাঁটে শুকুৱা মুঠিতে লুকুৱা' এই ঐতিহ্যমণ্ডিত বস্ত্ৰৰ সীমাহীন দুৰ্দশাই শিল্পটোৰ নাজল-নথল অৱস্থাৰ সৃষ্টি কৰিছে। বিষয় সন্দৰ্ভত বছৰৰ পাছত বছৰ ধৰি ৰাজ্য চৰকাৰৰ বস্ত্ৰ শিল্প বিভাগত অভিযোগ কৰা হৈছিল যদিও বিভাগটোৱে চকুমুদা কুলিৰ ভাওত অৱস্থান কৰাত উদ্যোগটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। লগতে যুৱ দলটোৱে ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। কিয়নো অসমৰ স্বাভিমান পাট-মুগা বস্ত্ৰৰ দুৰ্গতি মানে অসমৰ অসমীয়াৰ সাতামপুৰুষীয়া স্বভিমানৰ বুকুত কুঠাৰাঘাত। সেয়ে অসমৰ বাহিৰত যন্ত্ৰচালিত শালত নিম্নমানৰ সূতাৰে নিৰ্মিত সস্তীয়া বস্ত্ৰ ক্ৰয় কৰি বহিৰা বণিকক লাভান্বিত কৰাৰ বিপৰীতে অসমৰ থলুৱা উদ্যোগসমূহক ধ্বংসৰ গৰাহলৈ ঠেলি নিদিবলৈও ৰাইজক অনুৰোধ জনায় যুৱ ব্যৱসায়ীৰ দলটোৱে।

# ১০১ টা কৃষি গোটক সোণোৱাল স্বায়ত্তশাসিত পৰিষদৰ পাৱাৰ টিলাৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৯ জুন ঃ** সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কৃষি বিভাগৰ ২০২১-২০২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে পৰিষদৰ ২৬ টা সমষ্টিৰ অধীনস্থ ১০১ টা কৃষি গোটক কালি একোখনকৈ ৰাজসাহায্যযুক্ত পাৱাৰ টিলাৰ বিতৰণ কৰা হয়। এই উপলক্ষে পৰিষদৰ ডিব্ৰুগড়স্থিত কাৰ্যালয়ৰ চৌহদত এক অনুষ্ঠুপীয়া অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষি বিভাগৰ কাৰ্যবাহী সদস্য বসন্ত সোণোৱালে আঁত ধৰা কাৰ্যসূচীৰ আৰম্ভণিতে খ্ৰীং খ্ৰীং বাইথ'ৰ প্ৰতীকৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পৰিষদৰ অধ্যক্ষ মদন চন্দ্ৰ হাজৰিকাই। পাৱাৰ টিলাৰসমূহ বিতৰণৰ লগতে হিতাধিকাৰী গোটৰ উদ্দেশি দু-আষাৰ কয় পৰিষদৰ দায়িত্বত থকা উপ-মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল আৰু প্ৰধান সচিব ৰীণা মেছে। অনুষ্ঠানত কাৰ্যবাহী সদস্য ৰিদিপ হাজৰিকা, ধীৰেণ সোণোৱাল, খনীন্দ্ৰ সোণোৱাল, ঋষিকেশ শইকীয়া, সাধাৰণ সদস্য বিজয় শইকীয়া, অসীম সোণোৱাল, বদন সোণোৱাল, নন্দিনী ডেকা, দিপ্তী শইকীয়া সোণোৱাল আৰু পৰিষদৰ প্ৰতিটো সমষ্টিৰ পৰা অহা গোটৰ সদস্য-সদস্যাসকল উপস্থিত থাকে।

# প্ৰাক্তন শিক্ষক যুগল কুমাৰ নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৯ জুন ঃ** বুঢ়াখাত গাঁও নিবাসী সৰবৰহী, মৃদুভাষী, অমায়িক ব্যক্তি যুগল কুমাৰ নাথ (৫২)ৰ আজি পুৱা নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। দীৰ্ঘদিন ধৰি তেওঁ উচ্চ ৰক্তচাপ আৰু হাৰ্টৰ অসুখত ভুগি আছিল। তেওঁ ২০১৩ৰ পৰা ২০১৯লৈ শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে কাম কৰিছিল। তেওঁৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ পৰিয়াল, বুঢ়াখাতবাসী ৰাইজে গভীৰ শোক প্ৰকাশ কৰে।

# তালাপ-কৰ্দৈগুৰিত মৰাণ সভা মহিলা পৰিষদৰ অধিবেশনৰ প্ৰস্তুতি তুংগত

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ২৯ জুন ঃ** অসমৰ খিলঞ্জীয়া জাতিসমূহৰ অন্যতম মৰাণ জনগোষ্ঠীৰ পিতৃ সংগঠন অসম মৰাণ সভা তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ অষ্টম ত্ৰি-বাৰ্ষিক আৰু মৰাণ মহিলাসকলৰ একমাত্ৰ সংগঠন মৰাণ জাতীয় মহিলা পৰিষদ তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশন বৰ্ণাঢ্য কাৰ্যসূচীৰে দুই আৰু তিনি জুলাইত কৰ্দৈগুৰি অঞ্চলৰ এক নম্বৰ কৰ্দৈগুৰি (ভতিয়ামখাল) ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। অধিবেশনস্থলী 'ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ' নামেৰে নামাকৰণ কৰিছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি, প্ৰথমদিনা ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ উদ্বোধন কৰিব দৰ্জিজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যোগেন মৰাণে আৰু উভত মৰাণ সোঁৱৰণী তোৰণ উদ্বোধন কৰিব তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ উপদেষ্টা দিবাকৰ বড়াই। পতাকা উত্তোলন কৰিব তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ সভাপতি পুলিন মৰাণ আৰু আঞ্চলিক মৰাণ মহিলা পৰিষদৰ সভানেত্ৰী শেৱালী দহোতীয়া কাকতিয়ে। স্মৃতি তৰ্পণ কৰিব তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ সাধাৰণ সম্পাদক ৰমন মৰাণ আৰু আঞ্চলিক মৰাণ জাতীয় মহিলা পৰিষদৰ সাধাৰণ সম্পাদিকা চনা চেতিয়া মৰাণে। গছপুলি ৰোপণ কৰিব বাঘজান থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই। আনন্দ মৰাণ সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ প্ৰতিষ্ঠাপক সম্পাদক যোগেন বড়াই। প্ৰতিযোগিতা উদ্বোধন কৰিব কৰ্দৈগুৰিৰ বিশিষ্ট সমাজসেৱক দেবেন বৰুৱাই। প্ৰতিযোগিতাসমূহ হৈছে ভূপেন্দ্ৰ সংগীত, চিত্ৰাংকন, ৰচনা, কুইজ, টেকেলী ভঙা, মিউজিক চেয়াৰ, বিহুগীত আদি। আবেলি প্ৰতিনিধি শিবিৰ মুকলি কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি ৰাজীৱ মৰাণে, বন্তি প্ৰজ্বলন কৰিব কুলেশ্বৰ মৰাণে। প্ৰতিনিধি সভা উদ্বোধন কৰিব অসম মৰাণ সভাৰ প্ৰাক্তন বিত্ত, সাংগঠনিক সম্পাদক মজিত মৰাণে। দ্বিতীয় দিনা পুৱা তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পিংকু মৰাণৰ সঞ্চালনাত 'ছাত্ৰ-ছাত্ৰীসকলৰ কেৰিয়াৰ সজাগতা আৰু মত বিনিময় অনুষ্ঠান' অনুষ্ঠিত হ'ব। পাছত জনগোষ্ঠীয় কলাকৃষ্টি প্ৰদৰ্শন হ'ব। উক্ত সভাতে তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ সভাৰ মুখপত্ৰ 'থলগিৰি' উন্মোচন কৰিব ধলাৰ বিশিষ্ট সমাজসেৱক প্ৰতীম সোণোৱালে আৰু তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ জাতীয় মহিলা পৰিষদৰ মুখপত্ৰ 'ভূঁই' উন্মোচন কৰিব ডুমডুমা সমষ্টিৰ প্ৰাক্তন বিধায়ক দিলীপ মৰাণে। সন্ধিয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অসম মৰাণ সভাৰ সাংস্কৃতিক সম্পাদক বসন্ত দুৱৰাই।

# ঢেকিয়াজুলি লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২৯ জুন ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আকৰ্ষণীয় ফলাফল প্ৰদৰ্শন কৰে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত ২০২২ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ ৯৭ জন ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয় আৰু ইয়াৰ ভিতৰত ৯৫ জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। ইয়াৰ ৫১ জন বিদ্যাৰ্থী প্ৰথম বিভাগত, ৩২ জন দ্বিতীয় বিভাগত আৰু ১২ জন তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ আঠজন বিদ্যাৰ্থীয়ে ডিষ্টিংচন লাভ কৰে। লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ ছাত্ৰ প্ৰজল ছেত্ৰীয়ে ৯২.২ শতাংশ, প্ৰতীক বলে ৯১.৬ শতাংশ, সাৰিকা ছেত্ৰীয়ে ৮৯.৬ শতাংশ, অংকিতা ডেকাই ৮৯.৪ শতাংশ, হিয়াশ্ৰী দাসে ৮৮ শতাংশ, অংকুৰ দাসে ৮৭.২ শতাংশ, দেবাংগ শৰ্মাই ৮৬.৪ শতাংশ, জয়দ্বীপ সেনে ৮৫.৬ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। ছাত্ৰ-ছাত্ৰীৰ এই সাফল্যত লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ অধ্যক্ষ, উপাধ্যক্ষৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক ৰাইজ উৎফুল্লিত হৈ পৰিছে।

# দৰিদ্ৰতাৰ মাজতো অৰ্থনীতি বিজ্ঞানত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰ টুহিন ভাগৱতীৰ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৯ জুন ঃ** একাগ্ৰতা থাকিলে অলেখ ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি হ'লেও যিকোনো কৰ্মতে সফলতা লাভ কৰিব পাৰি। আৰ্থিক সংকটৰ প্ৰাচীৰ ভেদ কৰি সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ টুহিন ভাগৱতী নামৰ এজন ছাত্ৰই কৰি দেখুৱালে তেনে কাম। শিৱসাগৰ জিলাৰ কালুগাঁৱৰ দেৱাল গায়ন কৈৱৰ্ত গাঁৱৰ নিৱাসী গোপাল কৃষ্ণ ভাগৱতীৰ পুত্ৰ টুহিন ভাগৱতীয়ে অৰ্থনীতি বিজ্ঞানত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৯৯ নম্বৰ লাভ কৰাৰ লগতে ডিষ্টিংচনসহ উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। পিতৃয়ে ক্ষুদ্ৰ ব্যৱসায়েৰে পৰিয়াল চলোৱা পৰিয়ালৰ সদস্য টুহিনে হাইস্কুল শিক্ষান্ত পৰীক্ষাতো ডিষ্টিংচনসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ভৱিষ্যতৰ দিনত নিজকে এজন প্ৰশাসনিক বিষয়া হিচাপে গঢ়ি তোলাৰ সপোন দেখা ছাত্ৰজনে শিৱসাগৰ নগৰৰ আৰ্যভট্ট ছিনিয়ৰ ছেকেণ্ডাৰী একাডেমীত অধ্যয়ন কৰাৰ লগতে তাৰ পৰাই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ছাত্ৰজনে ইংৰাজী বিষয়ত ৮৪, অসমীয়াত ৮৫, ৰাজনীতিত বিজ্ঞানত ৯৮ আৰু বুৰঞ্জীত ৯২ নম্বৰ লাভ কৰে। টুহিনে মুঠ ৯১.৬ শতাংশ লাভ কৰে। নিয়মিতভাৱে পঢ়া-শুনা কৰা ছাত্ৰজনে ঘৰুৱা কোনো টিউচন লোৱা নাছিল। কিন্তু বিদ্যালয়খনৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰজনলৈ সহায়ৰ হাত আগবঢ়োৱাৰ লগতে বিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰজনে বিদ্যালয়ত আদায় দিবলগীয়া মাচুলো ৰেহাই দিছিল। বৰ্তমান কটন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ হেঁপাহ পুহি ৰখা ছাত্ৰজনে আৰ্থিকভাৱে স্বচ্ছল নোহোৱাৰ বাবে থমকি ৰ'ব লগা হৈছে যদিও খেতিৰ মাটি বিক্ৰী কৰি হ'লেও ছাত্ৰজনক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ কথা ব্যক্ত কৰিছে পিতৃয়ে।

# উচ্চতৰ মাধ্যমিকত নগাঁৱৰ ফলাফল আশাব্যঞ্জক

■ তিনিটা শাখাত উত্তীৰ্ণৰ হাৰ গড়ে ৮৮.১১ শতাংশ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৯ জুন ঃ** কালি ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নগাঁও জিলাৰ সামগ্ৰিক ফলাফল আশাব্যঞ্জক। জিলাখনত কলা, বিজ্ঞান, বাণিজ্য শাখাত এইবাৰ ফলাফল আশাপ্ৰদ। আজি ঘোষণা কৰা ফলাফল অনুসৰি, কলা শাখাত এইবাৰ জিলাখনত ৭,৮৮৯ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। উত্তীৰ্ণ হয় ৬,৬০১ গৰাকী পৰীক্ষাৰ্থী। ইয়াৰ ভিতৰত প্ৰথম বিভাগত ১,৬৭৩, দ্বিতীয় বিভাগত ২৩৯২ আৰু তৃতীয় বিভাগত ২৫৩৬ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৩.৬৭ শতাংশ। বিজ্ঞান শাখাত জিলাখনৰ ২,৪০৬ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ২,২৫০ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত প্ৰথম বিভাগত ১৬০৭ গৰাকী, দ্বিতীয় ৬০৪ আৰু তৃতীয় বিভাগত ৩৯ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৩.৫২ শতাংশ। বাণিজ্য শাখাত ৮৫৭ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হয়। উত্তীৰ্ণ হয় ৭৪৭ গৰাকী। ইয়াৰ ভিতৰত প্ৰথমত ২৮৮, দ্বিতীয় ২৬৫ গৰাকী আৰু তৃতীয় বিভাগত ১৯৪ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৭.১৬ শতাংশ। কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাত গড়ে উত্তীৰ্ণৰ হাৰ ৮৮.১১ শতাংশ।

# ডান্স ইণ্ডিয়া ডান্স লিটিল মাষ্টৰ মঞ্চত তিনিটা স্থান দখলেৰে অসম সন্তান

■ গোগামুখত আপ্লুনক আদৰণি



**গোগামুখ, ২৯ জুন ঃ** ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলি আপ্লুন পেগুৱে ডান্স ইণ্ডিয়া ডান্সৰ প্ৰথম ৰাণাৰ্ছ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে অসমলৈ। গৌৰৱান্বিত কৰি তুলিলে গোগামুখবাসীক, যাৰ বাবে গোগামুখৰ দল-সংগঠনে আজি আদৰণি জনাই আপ্লুনক। গোগামুখ নগৰত প্ৰছেছন কৰি আনি আবতানি লত্তাত সম্বৰ্ধনা জনায় সংগঠনসমূহে। ধেমাজি জিলাৰ গোগামুখৰ লটাক গাঁৱত ২০১৫ৰ তিনি ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা আপ্লুনে কঠোৰ জীৱনশৈলীৰ মাজেৰে আগবাঢ়িছে। পাৰিবাৰিক কন্দলৰ বাবে পিতৃৰ কাষৰ পৰা আঁতৰত অৱস্থান কৰি পিতৃ-মাতৃৰ মৰম স্নেহৰ পৰা বঞ্চিত হৈ ককাক পৰমানন্দ পেগু, আইতাক চিত্ৰজ্যোতি দলে পেগুৱে তুলি লৈছিল যদিও বহু চিন্তিত হৈ পৰিছিল ককাক-আইতাক কিয়নো তাই সৰুৰে পৰা আক্ৰান্ত আছিল হৃদৰোগত। ঘৰৰ সা-সম্পত্তি বিক্ৰী কৰি দুই বছৰ চিকিৎসা চলাইছিল যদিও সুস্থ হৈ উঠা নাছিল। সেই সময়ৰ স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আপ্লুনক উন্নত চিকিৎসাৰ বাবে আৰ্থিক সাহায্যৰে সহায়ৰ হাত আগবঢ়াইছিল। চিকিৎসকে তেওঁ সুস্থ হৈ উঠাবৰ বাবে শাৰীৰিক চৰ্চা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ককাকে শৰীৰ চৰ্চাৰ বাবে গোগামুখস্থিত চিজিলাৰ ডান্স একাডেমীত নামভৰ্তি কৰাই দিছিল। পৰৱৰ্তী সময়ত আয়ান গিৰি নামৰ এগৰাকী প্ৰশিক্ষকৰ ওচৰত প্ৰশিক্ষণ লৈছিল। প্ৰশিক্ষক আয়ান গিৰি আৰু ককাকে ভাবিছিল এদিন নৃত্য প্ৰতিভাৰে জিলিকি উঠিব। সেই সপোন যেন দিঠকত পৰিণত হ'ল। আপ্লুনে বৰ্তমান ডান্স ইণ্ডিয়া ডান্সৰ লিটিল মাষ্টৰযোগে গোগামুখ তথা অসমৰ ভোটাতৰা হৈ জিলিকি উঠিছে।

# উপায়ুক্ত, বন্দোবস্তি বিষয়া-চক্ৰ বিষয়াক আইনী জাননী প্ৰেৰণ

## ■ যোগ্য উত্তৰাধিকাৰীক বঞ্চিত কৰি বেআইনীভাৱে মাটিৰ সন্মতি নামজাৰি

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৯ জুন ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী চক্ৰ বিষয়া জিতেন্দ্ৰ টাইডে সন্মতি নামজাৰিৰ নামত সংঘটিত কৰা দুৰ্নীতি এটাৰ পাছত এটাকৈ পোহৰলৈ আহিছে। শেহতীয়াভাৱে যোগ্য উত্তৰাধিকাৰীক বঞ্চিত কৰি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ১৪ নম্বৰ লাটৰ বৰবালুপাৰা গাঁৱৰ দুই নম্বৰ পট্টাভুক্ত ক্ৰমে ১৭৯ নম্বৰ দাগৰ তিনি বিঘা ১২ লেচা আৰু ১৮০ নম্বৰ দাগৰ তিনি বিঘা দুই কঠা ১৩ লেচা জমি বেআইনীভাৱে সন্মতি নামজাৰি কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি বৰবালুপাৰা গাঁৱৰ আকছেদ আলীৰ পুত্ৰ জাহাংগীৰ আলমৰ হৈ অধিবক্তা ৰূপজ্যোতি চক্ৰৱৰ্তীয়ে গোৱালপাৰাৰ উপায়ুক্তৰ লগতে বন্দোবস্তি বিষয়া আৰু মাটিয়া ৰাজহ চক্ৰ বিষয়ালৈ আইনী জাননী প্ৰেৰণ কৰিছে। উক্ত আইনী জাননীখনত উল্লেখ কৰা মতে, আকছেদ আলীয়ে প্ৰথমা পত্নী জবেদা বেগমক তালাক দিয়াৰ পাছত ৰেহেনা খাতুন নামৰ এগৰাকী মহিলাক বিয়া কৰায়। ইপিনে, তালাকৰ পাছত জবেদা বেগমেও আন এগৰাকী লোকৰ স'তে বিবাহ পাশত আবদ্ধ হয়। কিন্তু তালাকৰ পূৰ্বেই আকছেদ আলী আৰু জবেদা বেগমৰ ঔৰসত জাহাংগীৰ আলমৰ জন্ম হয়। কিন্তু উল্লিখিত জমিখিনিৰ যুটীয়া পট্টাদাৰ আকছেদ আলীৰ নামৰ পৰা মাটিয়া ৰাজহ চক্ৰ কৰ্তৃপক্ষই যোৱা ২৩ মে'ত জিঅ'এ/এমএটি/২০২১-২২/ক্ৰমে ৪৭৪১০ এফএমইউটি আৰু ৪৭৪০৮ এফএমইউটি নম্বৰযোগে বেআইনীভাৱে ৰেহেনা খাতুন আৰু ইয়াৰুদ্দিন আলীৰ নামত সন্মতি নামজাৰি কৰি দিয়ে। কোনো বিক্ৰী দলিল অথবা দান দলিল নোহোৱাকৈ পট্টাদাৰক জাননী নিদিয়াকৈ সম্পূৰ্ণ বেআইনীভাৱে কৰ্তৃপক্ষই সন্মতি নামজাৰি ১৩ পৃষ্ঠাত চাওক


বাহাৰঘাটত বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন প্ৰশাসনীয় প্ৰতিনিধিৰ, বুধবাৰে।

গোৱালপাৰাত শিল্পী সমাজৰ ব্যতিক্ৰমী প্ৰয়াস

# হাতে হাতে গিটাৰ লৈ গীত পৰিৱেশন কৰি বানাক্ৰান্তৰ বাবে ধন সংগ্ৰহ



**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ২৯ জুন ঃ** ৰাজ্যখনৰ চতুৰ্দিশে সম্প্ৰতি বানত সৰ্বস্বান্ত জনতাৰ আৰ্তনাদ। নিজৰ ঘৰ-মাটি সা-সম্পত্তি সকলো হেৰুৱাই দিশহাৰা আজি সহস্ৰ পৰিয়াল। এই লোকসকলক সহায় কৰাৰ বাবে চৰকাৰে পৰ্যাপ্ত পৰিমাণে ব্যৱস্থা কৰাৰ সমান্তৰালভাৱে বহু ১৩ পৃষ্ঠাত চাওক

# তামুলপুৰৰ বান পৰিস্থিতি পৰিদৰ্শন মন্ত্ৰী কিষাণৰ

## ■ শীঘ্ৰেই খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰা হ'ব

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ,** ২৯ জুন ঃ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে তামুলপুৰ জিলাতো দ্বিতীয়টো বলিয়া বানে ব্যাপক ক্ষতি সাধন কৰিছে। জিলাখনৰ মাজেৰে বৈ যোৱা পাগলাদিয়া, মটঙা, বৰনদী আদিয়ে বহু লোকৰ ঘৰ-বাৰী, সা-সম্পত্তি বিনষ্ট কৰি পেলাইছে। জিলাখনৰ দক্ষিণ দেফেলী, গান্ধীবাৰী, বৰবিলা, চাপাতল, হাঁহকাটা, বালাবাৰী, ডোঙাৰগাঁও আদিকে ধৰি কে'বাখনো গাঁও নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলাইছে। ঠায়ে ঠায়ে বহু লোকৰ আপোন ঘৰখন নৈৰ বুকুত জাহ গৈছে। বানপানীৰ সমান্তৰালভাৱে তামুলপুৰ জিলাৰ ভিন্ন প্ৰান্তত নদীৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে।



বান আৰু খহনীয়াই মানুহৰ বিস্তৰ ক্ষতিসাধন কৰাৰ সমান্তৰালভাৱে পশু ধনৰো যথেষ্ট ক্ষয় ক্ষতি হৈছে । বান আৰু খহনীয়াৰ বুজ ল'বলৈ কালি দুদিন ধৰি তামুলপুৰ জিলা পৰিভ্ৰমণ কৰিছে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী সঞ্জয় কিষাণে। তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ ১৩ পৃষ্ঠাত চাওক

# দৰিদ্ৰতা নেওচি সুখ্যাতিৰে উত্তীৰ্ণ মাজুলী অভয়পুৰীয়াৰ কাকুমণি-কঞ্জাল গাঁৱৰ বাস্তৱ



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী,** ২৯ জুন ঃ সফলতা লাভ কৰাত দৰিদ্ৰতা কেতিয়াও হেঙাৰ নহয় অথবা আৰ্থিক দীনতা শিক্ষাৰ বাবে যে হেঙাৰ হ'ব নোৱাৰে তাকেই প্ৰতিপন্ন কৰিলে মাজুলী অভয়পুৰীয়াৰ কাকুমণি বৰা আৰু এক নম্বৰ কঞ্জালগাঁৱৰ বাস্তৱ শইকীয়াই। কালি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মাজুলীৰ অভয়পুৰীয়া গাঁৱৰ নিবাসী অতি দুখীয়া পৰিয়াল শশীধৰ বৰা আৰু মণি বৰাৰ কন্যা কাকুমণিয়ে কলা শাখাত ষ্টাৰ মাৰ্ক লাভ কৰি মুঠ ৩৮৬ , ৭৭.২ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। মাজুলীৰ অগ্ৰণী শিক্ষানুষ্ঠান ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কাকুমণিয়ে অৱতীৰ্ণ হৈ ইংৰাজীত ৭৫, অসমীয়াত ৯০, সমাজতত্ত্বত ৬৭, ৰাজনীতি বিজ্ঞানত ৭১, ঐচ্ছিক অসমীয়াত ৮৩ নম্বৰ কৰিবলৈ সক্ষম হৈছে। অতি নম্ৰ তথা অমায়িক ছাত্ৰীগৰাকীৰ সুখ্যাতিত অঞ্চলটোৰ লগতে পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙাৰ উপৰি কাকুমণিয়ে অধ্যয়ন কৰা বিদ্যালয়খনতো এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। কাকুমণিৰ ১৩ পৃষ্ঠাত চাওক

# হাজোৰ কলিতাকুছিস্থিত বানাক্ৰান্ত শিবিৰ পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী তেলীৰ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৯ জুন ঃ** ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে কামৰূপ জিলাৰ সমগ্ৰ হাজো বিধানসভা সমষ্টিবাসীও বিগত কে'বাদিন ধৰি বৰলীয়া, পুঠিমাৰী, পাগলদিয়া, ক'লাজল আৰু ব্ৰহ্মপুত্ৰৰ বলিয়া বানত ঠিকনাবিহীন হৈ একাংশ আশ্ৰয় শিবিৰত দিনে-নিশা পাৰ কৰিবলগীয় হৈছে। বাঢ়নী পানী ক্ৰমশঃ কমিবলৈ ধৰিছে যদিও সংকটৰ পৰা মুক্ত হোৱা নাই। বানে বিস্তৰ ক্ষতিসাধন কৰা নিজ ঘৰৰ ভেটিটোলৈ যাব পৰা নাই অদ্যাপিও একাংশ বানাক্ৰান্ত। বলিয়া বানত দিগবিদিক হেৰুৱাই ঠিকনা বিহীন হৈ পৰা একাংশ বানাক্ৰান্তই হাজোৰ বিভিন্ন অঞ্চলত আশ্ৰয় লৈছে শিবিৰত। তেনে সময়তে কালি বিয়লি প্ৰায় চাৰে চাৰি বজাত কেন্দ্ৰীয় শ্ৰম, নিয়োগ, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্যিক মন্ত্ৰী



ৰামেশ্বৰ তেলীয়ে হাজোৰ কলিতাকুছি আদৰ্শ চিকিৎসালয়স্থিত বানপীড়িত শিবিৰত উপস্থিত হৈ বানপীড়িত লোকসকলৰ স'তে কথা বতৰা পাতি অভাৱ অভিযোগৰ বুজ লয়। মন্ত্ৰীজনে শিবিৰ পৰিদৰ্শন কৰি বানাক্ৰান্ত লোক সকলোৱে নিত্য প্ৰয়োজনীয় সাহায্য সামগ্ৰী পাইছে নে নাই লগতে পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰীজনে শিবিৰত থকা বন্যাৰ্তৰ খা-খবৰ লৈ সকলো ধৰণৰ সাহায্যৰ লাভৰ আশ্বাস দিয়ে। মন্ত্ৰীজনৰ পৰিদৰ্শন কালত মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা, কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱা, হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱাল, বিজেপি নেতা তথা বিশিষ্ট সমাজকৰ্মী মনচুৰ আলীকে ধৰি বিশিষ্ট লোক উপস্থিত থাকে ।

# হাজোৰ দামপুৰত কৃতী ছাত্ৰীক অভিনন্দন



**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৯ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দামপুৰ এমবিএণ্ডইএ তালুকদাৰ মেম'ৰিয়েল একাডেমীৰ পৰা সদ্যঘোষিত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত সুখ্যাতিৰে উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। এই উদ্দেশ্যে কালি দিনৰ ১২ বজাত একাডেমী পৰিচালনা সমিতিৰ সভাপতি হাইদৰ আলী শইকীয়াৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সদস্য ১৩ পৃষ্ঠাত চাওক

# নিমাতীঘাটৰ পৰা ফেৰী চলাচল বন্ধ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৯ জুন ঃ** যোৰহাটৰ নিমাতীঘাটৰ পৰা মাজুলীলৈ নিয়মীয়াকৈ যোৱা ফেৰী সেৱা আজি যোৰহাট জিলা প্ৰশাসনে বন্ধ কৰি দিছে। ব্ৰহ্মপুত্ৰ নদীৰ জলস্তৰ বিপদ সীমা পাৰ হৈ যোৱাত ফেৰী সেৱা চলাচল কৰাটো বিপজ্জনক হৈছে। সেয়ে জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কমিলে পুনৰ ফেৰী সেৱা চলাচল কৰিব পৰা যাব বুলি জনায়।

# ৰঙিয়া বগৰীবাৰীত ছাত্ৰ সন্থাৰ বান সাহায্য বিতৰণ

## ভগ্ন মথাউৰি পৰিদৰ্শন আছুৰ সভাপতি দীপাংক কুমাৰ নাথৰ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া** ২৯ জুন ঃ মাত্ৰ দুটাদিনৰ ব্যৱধানত ৰঙিয়া মহকুমাৰ লগতে ৰঙিয়া বগৰীবাৰীৰ ৰাইজে দুটা বিধ্বংসী বানৰ সাক্ষী হৈ সৰ্বস্ব হেৰুৱাৰ পাছত আজি সেই অঞ্চলৰ ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ বগৰীবাৰীত উপস্থিত হয় ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰঙিয়াৰ শিল্পী সমাজৰ এক বৃহৎ দল। দলটোৱে আজি ৰঙিয়াবাসী আৰু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সহযোগত সংগ্ৰহ কৰা বান সাহায্য পুঠিমাৰী নৈৰ বাঢ়নী পানীয়ে সৰ্বস্বান্ত কৰা ২০০ ঘৰ পৰিয়ালৰ মাজত বিতৰণ কৰে। এই বান সাহায্য বিতৰণ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, সাঃ সম্পাদক পংকজ কলিতা, সাংস্কৃতিক সম্পাদক

তৌফিকুৰ ৰহমান, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ জিতু ডেকা, বুবুল আলী, জয়ন্ত শৰ্মা, মৃণ্ময় কুমাৰ



ডেকা, শিল্পী সমাজৰ চন্দন দাস, প্ৰাঞ্জল পৰশ, ৰূপম শৰ্মা সহ অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে। কাৰ্যসূচীৰ অন্তত ছাত্ৰ সন্থাৰ সভাপতি নাথে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি দলক ভগ্ন মথাউৰি পৰিদৰ্শন কৰি বান আক্ৰান্ত ৰাইজৰ দুখ-দুৰ্গতিৰ কথা নিজ চকুৰে ১৩ পৃষ্ঠাত চাওক

# ভূমিহীন-গৃহহীন লোকক সংস্থাপন দিয়াৰ দাবী

## ■ ভৱানীপুৰত মুখ্যমন্ত্ৰীক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা,** ২৯ **জুন ঃ** কালি ভৱানীপুৰ সমষ্টিৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা ঠাই আৰু শিবিৰ পৰিদৰ্শন কৰিবলৈ অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মেধিকুছিত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিয়ে বানৰ ফলত হোৱা সমস্যা কিছুমান সমাধান কৰাৰ বাবে স্মাৰকপত্ৰ এখন প্ৰদান কৰা হয়। পৰিষদৰ বজালী জিলা সমিতিৰ সভাপতি বাবুল আলী আহমেদ আৰু সাধাৰণ সম্পাদক লক্ষেশ্বৰ দাস স্বাক্ষৰিত স্মাৰক-পত্ৰখনত উল্লেখ কৰা অনুযায়ী বানপানীত ক্ষতিগ্ৰস্ত হোৱা ভূমিহীন আৰু গৃহহীন লোকসকলক পুনৰ সংস্থাপন, বানপানীত ক্ষতি হোৱা ব্যৱসায়ী আৰু কৃষকসকলক এককালীন সাহায্য প্ৰদান কৰা, বানপানীত মৃত্যু হোৱা লোকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা, বানপানীত ক্ষতিগ্ৰস্ত হোৱা পশুপলক, মৎস্য পালক আৰু কৃষকৰ ঋণসমূহ সমুদায় মাফ কৰা, বানপানীত ভাগি-ছিগি যোৱা মথাউৰিৰ লগতে ৰাস্তা ঘাটসমূহ শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা কৰাৰ লগতে শিশুসকলৰ বাবে নিয়মীয়া সুষম খাদ্যৰ বিতৰণৰ ব্যৱস্থা কৰাৰ লগতে বানপানীৰ পাছৰ সময়ত হ'ব পৰা বেমাৰসমূহৰ ক্ষেত্ৰত আগতীয়াকৈ সতৰ্কতাৰ ব্যৱস্থা কৰা আৰু চিকিৎসা সেৱাৰ লগতে ঔষধ যোগান ধৰাৰ বাবে অনুৰোধ জনায়। লগতে বজালী জিলাৰ বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ শিবিৰ আৰু ভগ্ন মথাউৰি আৰু ধ্বংস্তূপত পৰিণত কৰা ঠাইসমূহ পৰিদৰ্শন কৰিবলৈ অহাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে সংগঠনটোৱে।

# কলগাছিয়াৰ লাচাংগাত পশুধনৰ খাদ্যক লৈ উত্তেজনা

**গাঁওপ্ৰধান, পঞ্চায়ত সদস্য বি এল অ'ৰ বিৰুদ্ধে পশু খাদ্য হৰলুকি কৰাৰ অভিযোগ**

**কলগাছিয়া, ২৯ জুন ঃ** যোৱা নিশা বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত লাচাংগা বজাৰত এখন ই-ৰিক্সাত দুই বস্তা ৰিলিফৰ পশুধনৰ খাদ্য লৈ অনা অৱস্থাত ৰাইজে প্ৰত্যক্ষ কৰি এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি কৰে। লগে লগে স্থানীয় ৰাইজে ই-ৰিক্সাসহ পশু ১৩ পৃষ্ঠাত চাওক



# 'ভইচ অৱ আসাম' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৯ জুন ঃ** অসমীয়া কবিতাৰ ইতিহাস অতি সমৃদ্ধিশালী আৰু সেই ইতিহাসৰ এশ এক বছৰৰ প্ৰতিনিধিত্বমূলক প্ৰায় ১৪০ টা কবিতাৰ ইংৰাজী অনুবাদ সংকলনেৰে অসমীয়া কবিতাক বিশ্ব দৰবাৰলৈ নিয়াৰ প্ৰয়াসেৰে অনুবাদক মানসজ্যোতি শৰ্মাই অনুবাদ কৰি উলিওৱা গ্ৰন্থ 'ভইচ অৱ আসাম' আজি উন্মোচন কৰা হয়। অসমীয়া কবিতাক বিশ্ব দৰবাৰলৈ নিয়াৰ উদ্দেশ্যেৰে অনূদিত গ্ৰন্থখন উন্মোচন কৰে ওড়িছাৰ প্ৰখ্যাত কবি, সাহিত্যিক স্বপ্না বেহেৰা, কবি, ঔপন্যাসিক পংকজ গোবিন্দ মেধি, কবি ড° বিনয় কুমাৰ মজুমদাৰ আৰু সুবক্তা ড° ৰাজেশ কাকতিয়ে। গ্ৰিফিন পাব্লিকেশ্বনৰ স্বত্বাধিকাৰী মৌচুমী সচদেৱে আঁত ধৰা অনুষ্ঠানত অনুবাদ কে কি যে ভইচ অৱ আসাম নামৰ সংকলনখনত ১৯০০ত জন্মগ্ৰহণ কৰা কবিৰ পৰা ২০০০ত জন্মগ্ৰহণ কৰা কবিৰ কবিতাও সন্নিবিষ্ট কৰা হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, দেৱকান্ত বৰুৱা, নৱকান্ত বৰুৱা, কেশৱ মহন্তকে ধৰি বিভিন্নজন কবিৰ কবিতা সামৰি লোৱা সংকলনে অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ লগতে বিভিন্ন ধাৰাৰ কবিৰ কবিতাকো সামৰি লৈছে। ইতিমধ্যে ন'বেলপ্ৰাপ্ত কবিৰ নিৰ্বাচিত ১৩ পৃষ্ঠাত চাওক

# বানে ধোৱা পশ্চিম বড়িগোগত কৃষকৰ হুমুনিয়াহ



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৯ জুন ঃ** হঠাতে অহা প্ৰচণ্ড বানে ধুই পেলালে হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ বহুতৰে সপোন। বহুজনৰ ভাঙি-ছিঙি উটুৱাই নিলে সপোনৰ ঘৰখন, ভঁৰালতে উৰলিল ভঁৰালৰ ধান। পোহনীয়া জীৱ-জন্তু, পুখুৰীৰ মাছ, শিক্ষিত নিবনুৱাৰ সপোনৰ পামখন সকলো বৰলীয়াৰ বানে উটুৱাই নি

## ■ শালিধানৰ বীজ বিচাৰি হাবাথুৰি একাংশ দুৰ্ভগীয়া কৃষকৰ

তচনচ কৰিলে নিজক প্ৰতিষ্ঠা কৰাৰ সপোন। প্ৰচণ্ড সোঁতে নিমিষতে উটুৱাই লৈ গ'ল সকলোৱে আশা-ভৰসাৰস্থলী হেদ্ধপাহৰ ঘৰখন। এতিয়া পথাৰত শালি খেতি কৰাৰ সময়, সকলো খেতিয়কে কঠীয়া সিঁচি সাজু হৈছিল শালিখেতি কৰাৰ বাবে। কিন্তু হঠাতে বৰলীয়াৰ মথাউৰি ১৩ পৃষ্ঠাত চাওক

# সমাজবিবেক হৰেশ্বৰ গোস্বামী এগৰাকী অসম ৰত্ন আছিল

## ■ ২৫ সংখ্যক মৃত্যু দিৱসত শিক্ষাবিদ গোস্বামীক সুঁৱৰিলে কলংপাৰ বিদ্যাপীঠে

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৯ জুন ঃ** 'বিশিষ্ট শিক্ষাবিদ হৰেশ্বৰ গোস্বামী এগৰাকী অসম ৰত্ন আছিল। সমাজ বিবেক আছিল। নগাঁৱৰ উজ্জ্বল শিক্ষাসদী আছিল।' হৰেশ্বৰ গোস্বামীৰ ২৫ সংখ্যক স্মৃতি দিৱস অনুষ্ঠানত 'ভাষা আৰু সংস্কৃতি এটা জাতিৰ পৰিচয়' শীৰ্ষক স্মাৰক বক্তৃতা প্ৰদান কৰি কালি এনেদৰে কয় 'নূপুৰ মোমাইদেউ' খ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই। অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা কলংপাৰ বিদ্যাপীঠৰ অধ্যক্ষ পদুম ৰাজখোৱাৰ পৌৰোহিত্যত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান কলংপাৰ বিদ্যাপীঠ ভৱনত অনুষ্ঠিত স্মৃতি দিৱসৰ অনুষ্ঠানত শিশু সাহিত্যিকজনে হৰেশ্বৰ গোস্বামীৰ জীৱনকৰ্মৰ ওপৰত আলোকপাত কৰি লগতে কয়, 'এসময়ত হৰেশ্বৰ গোস্বামী



সমগ্ৰ অসমৰ পৰিচিত নাম আছিল। বিৰল ব্যক্তিত্বৰ শিক্ষাবিদজনে সদায় সমাজ সচেতন ভূমিকা লৈছিল আৰু শিক্ষা-সমাজৰ উন্নয়নৰ হকে আত্মোৎসৰ্গা কৰিছিল। তেওঁ ইমান নীতি পৰায়ণ লোক আছিল যে অসম লোকসেৱা আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ত তেওঁ নিজৰ শিক্ষিত সন্তান বা কোনো আত্মীয়-স্বজনকে লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দিয়া নাছিল।' শিক্ষক বিজয় বসুমতাৰী, সুৰজিত দেৱনাথ, ইন্দ্ৰমোহন বৰা, উৎপলা দাস, ৰুণামণি কলিতা, মৃগাশ্ৰী বৰা, লক্ষ্যজ্যোতি দেৱী, জিমি বৰকটকী, শতাব্দী মহন্ত, হেমাজ্যোতি মহন্ত আদি বহু গুণমুগ্ধ আৰু শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত ভট্টাচাৰ্যই অসমীয়া ভাষা ১৩ পৃষ্ঠাত চাওক

# তেজপুৰত অসম নাট্য সন্মিলনৰ মাহজোৰা চেমনীয়া নাট কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৯ জুন ঃ** অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ উদ্যোগত অহা পহিলা জুলাইৰ পৰা ৩১ জুলাইলৈকে মাহজোৰাকৈ প্ৰথমবাৰৰ বাবে তেজপুৰত অনুষ্ঠিত হ'ব চেমনীয়াসকলৰ নাট কৰ্মশালা। তেজপুৰত পূৰ্বে শিশু নাট কৰ্মশালা ধাৰাবাহিকভাৱে অনুষ্ঠিত হৈ আহিছিল যদিও অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাই এইবাৰ চেমনীয়াসকলৰ বাবে বিশেষ প্ৰশিক্ষকৰ জৰিয়তে আয়োজন কৰিব লগা এই মাহজোৰা নাট কৰ্মশালাৰ কালি সন্ধিয়া তেজপুৰৰ



বিশিষ্ট নাট্যশিল্পী আৰু বিভিন্ন ক্ষেত্ৰৰ বিশিষ্টজনৰ উপস্থিতিত আৰম্ভণি অনুষ্ঠান সম্পন্ন হয়। শাখাৰ ১৩ পৃষ্ঠাত চাওক

# হাতে হাতে গিটাৰ লৈ গীত পৰিৱেশন

*১২ পৃষ্ঠাৰ পৰা* বেচৰকাৰী দল-সংগঠনেও আগবাঢ়ি আহিছে। তেনে এক মন চুই যোৱা দৃশ্য যোৱা ২৮ জুনত দেখা গ'ল গোৱালপাৰা জিলাৰ সদৰতো। বানে ক্ষতিগ্ৰস্ত কৰা লোকসকলক সাহায্য প্ৰদানৰ বাবে আগবাঢ়ি আহিছে গোৱালপাৰাৰ শিল্পী সমাজ। 'প্ৰকৃতি' নামৰ অনুষ্ঠান এটাৰ উদ্যোগত কালি গোৱালপাৰাৰ শিল্পী সমাজে হাতে হাতে প্লেকাৰ্ড তথা গিটাৰ লৈ ভূপেন দাৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক কালজয়ী গীত পৰিৱেশন কৰি চহৰৰ ভিন্ন প্ৰান্তত বানাক্ৰান্ত লোকৰ বাবে সংগ্ৰহ কৰে ধন। শিল্পীসকলৰ এই মহান প্ৰচেষ্টাত জিলা সদৰৰ ব্যৱসায়ীসকলৰ লগতে বিভিন্নজনে স্ব-ইচ্ছাই সহযোগিতা আগবঢ়ালে। উল্লেখ্য যে শিল্পী সমাজৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাইজে দান কৰা ধনেৰে অসমৰ ভিন্ন প্ৰান্তৰ বন্যাৰ্তক সাহায্য প্ৰদান কৰিব শিল্পী সমাজে। গোৱালপাৰা শিল্পী সমাজৰ এই মহান প্ৰচেষ্টাক জিলাখনৰ সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

# বানে ধোৱা পশ্চিম বড়িগোগত কৃষকৰ

*১২ পৃষ্ঠাৰ পৰা* ছিঙি সকলোৰে আশা বানে ধুই পেলালে। হাজো সমষ্টিৰ চমুখা আৰু লৰমা গৌৰহাটীকে ধৰি দুটা ঠাইত মথাউৰি ছিঙাৰ ফলত বলিয়া বানে বহুকেইখন গাঁৱৰ কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ উটুৱাই নিয়ে। সমগ্ৰ অঞ্চলটো বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হয়। দুই ভগ্ন মথাউৰিৰে নিৰ্গত জলৰাশিয়ে সমগ্ৰ অঞ্চল মহাসাগৰ সদৃশ পৰিৱেশৰ সৃষ্টি কৰিছিল। বৰ্তমান পানী শুকাব ধৰিছে। বাট-পথৰ পানী কমিছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে প্ৰতিটো পথে খৰস্ৰোতা বানৰ ফলত ভাঙি-ছিঙি চূৰমাৰ হৈছে। যানবাহনতো দূৰৰ কথা খোজকাঢ়ি যাতায়াত কৰিব পৰা অৱস্থা নাই সমগ্ৰ অঞ্চলটোত। ইফালে, নৈৰ বালিয়ে পুতি পেলাইছে খেতিপথাৰ। বালিয়ে পোতা খেতিপথাৰখনলৈ চাই হুমুনিয়াহ কাঢ়ি দিন কটাব লাগিব দুৰ্ভগীয়া কৃষকসকলে। বানৰ পূৰ্বে সিঁচা কঠীয়া বানৰ কবলত উছন হোৱাত এতিয়া পলমকৈ কঠীয়া সিঁচাৰ বাবে শালি ধানৰ বীজ বিচাৰি একাংশ কৃষকে হাহাকাৰ লগাইছে। বৰ্তমান কৃষকে পূৰ্বৰ শালি ধানৰ পৰিৱৰ্তে অধিক উৎপাদনক্ষম বৰ্ণশংকৰ জাতৰ শালি খেতি কৰে। উক্ত বৰ্ণশংকৰ ধানৰ কঠীয়া জেঠতে সিঁচিব লাগে। এইবেলিও উক্ত ধানৰ কঠীয়া সিঁচিছিল যদিও সেই কঠীয়া বানে উছন কৰাত বিমোৰত পৰিছে কৃষকসকল। চৰকাৰে এইসকল দুৰ্ভগীয়া কৃষকক সহায় নকৰিলে উকা পথাৰখনলৈ চাই হুমুনিয়াহ কাঢ়ি দিন নিয়াব লাগিব সমগ্ৰ অঞ্চলটোৰ কৃষকসকলে।

# হাজোৰ দামপুৰত কৃতী ছাত্ৰীক অভিনন্দন

*১২ পৃষ্ঠাৰ পৰা* মফাছিল আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ৰমণী কলিতাই কয় যে এই শিক্ষানুষ্ঠাখনে শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ নিষ্ঠা, সততা আৰু একাগ্ৰতাৰ ফলতে চতুৰ্থ বৰ্ষতো এশ শতাংশৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক যি কামেই নহওক কিয় ধৈৰ্য আৰু মনোযোগেৰে কৰিলে নিশ্চয় ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব বুলি কয়। সভাত শিক্ষক মফাছিল আলীয়ে কয়, 'এজন শিক্ষাৰ্থীয়ে ভাল ফলাফল দেখুৱাবলৈ আৰ্থিক দৈন্য কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। যদিহে শিক্ষাৰ্থীজনে নিষ্ঠা, একাগ্ৰতাৰে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখে।' তেওঁ ছাত্ৰ-ছাত্ৰীসকলক মনোযোগেৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাত উপস্থিত থাকি হাইদৰ আলী শইকীয়াই কয়, 'যত্ন কৰিলেহে ৰত্ন পায়। সেয়ে শিক্ষাৰ্থীসকলে জীৱনত সফলতা লাভ কৰিবলৈ চেষ্টা কৰিবই লাগিব।' তেওঁ ছাত্ৰ-ছাত্ৰীসকলে পৰৱৰ্তী সময়ত উন্নত ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত শিক্ষানুষ্ঠানখনৰ পৰা এইবেলি বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ২৭গৰাকী শিক্ষাৰ্থীৰ তিনিগৰাকীয়ে ষ্টাৰ নম্বৰ, ১৮গৰাকীয়ে প্ৰথম বিভাগত আৰু ছগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। সভাৰ অন্তত শিক্ষাৰ্থীসকলক ফুলাম গামোচা, কলমেৰে অভিনন্দন জনাই উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

# দৰিদ্ৰতা নেওচি সুখ্যাতিৰে উত্তীৰ্ণ

*১২ পৃষ্ঠাৰ পৰা* এই সফলতাত এতিয়া পিতৃ-মাতৃৰ লগতে সকলো উৎফুলিত যদিও আৰ্থিক অনাটনৰ বাবে ছাত্ৰীগৰাকীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাত পিতৃ-মাতৃ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। কোনোমতে পৰিয়াল পোহ-পাল দিয়া শশীধৰ বৰাৰ কন্যা কাকুমণিয়ে আৰ্থিক দীনতাকো নেওচি কেৱল শিক্ষাকে জীৱনৰ ব্ৰত হিচাপে লৈ সু-খ্যাতি অৰ্জন কৰি প্ৰমাণ কৰি দেখুৱালে দৰিদ্ৰতা যে সফলতাৰ হেঙাৰ হ'ব নোৱাৰে। একেদৰে পূব মাজুলীৰ ৰনং কঞ্জাল গাঁৱৰ অতি দৰিদ্ৰ পৰিয়াল বুল শইকীয়াৰ সন্তান বাস্তৱে বিজ্ঞান শাখাত ৭৭.৬ নম্বৰেৰে ষ্টাৰ নম্বৰ লৈ উত্তীৰ্ণ হোৱাত অঞ্চলবাসীয়ে গৌৰৱ অনুভৱ কৰিছে। বাস্তৱে ইংৰাজীত ৭১, অসমীয়াত ৮৯, বায়লজিত ৭৬, কেমেষ্ট্ৰিত ৭০, ফিজিক্সত ৮২ নম্বৰ লাভ কৰিছে। অতি দুখীয়া পৰিয়ালটোৰ ছাত্ৰজনৰ সফলতাই এফালে, পিতৃ-মাতৃক যেনেদৰে আনন্দিত কৰিছে একেদৰে মেধা ছাত্ৰজনক ভৱিষ্যতে উচ্চ শিক্ষা প্ৰদানৰ বাবে পৰিয়ালৰ অসমৰ্থতাৰ কথা ভাবিও চিন্তিত পিতৃ মাতৃ। দৰিদ্ৰ পৰিয়াল দুটাৰ ছাত্ৰ-ছাত্ৰী দুগৰাকীৰ সফলতা আন ১০ গৰাকী অভাৱগ্ৰস্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শ হৈ পৰিব।

# তামুলপুৰৰ বান পৰিস্থিতি পৰিদৰ্শন

*১২ পৃষ্ঠাৰ পৰা* দাস আদিকে ধৰি দলীয় নেতা-কৰ্মী আৰু চৰকাৰী বিষয়া-কৰ্মচাৰীক লগত লৈ মন্ত্ৰীজনে জিলাখনৰ বান আৰু খহনীয়াৰ পৰিস্থিতি অধ্যয়ন কৰে। বান পৰিস্থিতি পৰ্যবেক্ষণ কৰি কালি মন্ত্ৰীজনে সংবাদ মাধ্যমৰ আগত কয়, 'কালিৰে পৰা মই তামুলপুৰৰ কে'বাখনো ঠাই পৰিভ্ৰমণ কৰিছো। কালিও মই স্থানীয় বিধায়ক, উপায়ুক্তৰ লগতে কে'বাটাও বিভাগৰ মুৰব্বীৰ স'তে বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছো। বিশেষভাৱে পাগলাদিয়া নদীৰ খহনীয়া মই কালি পৰিদৰ্শন কৰিলো। অতি ভয়াবহ ৰূপ হৈছে পাগলাদিয়াই। প্ৰায় এক কিলোমিটাৰতকৈও অধিক অংশ মথাউৰি ভাঙি কে'বাখনো গাঁৱত পানী সোমোৱাৰ লগতে পাগলাদিয়া নদীৰ ওপৰত থকা দলংখনলৈও ভাবুকি আনিছে, আৰু মন্ত্ৰীজনে কয় যে মই পৰিদৰ্শন কৰি লগে লগে বিভাগৰ লগত যোগাযোগ কৰিছো। অতি শীঘ্ৰে পাগলাদিয়া নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে জিঅ' বেগ আৰু পাৰ্কুপাইনৰ ব্যৱস্থা কৰা হব। মন্ত্ৰীজনে তামুলপুৰৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈ থকা পশু চিকিৎসা শিবিৰসমূহো পৰিদৰ্শন কৰাৰ বুলি উল্লেখ কৰি বানৰ পাছত পশু ধনৰ যাতে আৰু অধিক ক্ষতি নহয় তাৰ বাবে চৰকাৰে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে বুলি সদৰি কৰে। কালি তামুলপুৰ জিলাৰ অন্তৰ্গত অময়াপুৰ মজলীয়া বিদ্যালয়ত তামুলপুৰ মহকুমা পশু চিকিৎসা বিভাগে এক পশু স্বাস্থ্য শিবিৰৰ আয়োজন কৰে । এই স্বাস্থ্য শিবিৰত অঞ্চলটোৰ অসংখ্য কৃষক ৰাইজৰ গৰু, ছাগলীৰ উপযুক্ত চিকিৎসা প্ৰদান কৰা হয়। পশু ধনৰ বাবে প্ৰয়োজনীয় ঔষধ পাতিও বিনামূলীয়াকৈ যোগান ধৰা হয়। জানিব পৰা মতে, তামুলপুৰ মহকুমা পশু চিকিৎসা বিভাগে জিলাখনৰ ভিন্ন প্ৰান্তত পশু স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে ।

# তেজপুৰত অসম নাট্য সন্মিলনৰ

*১২ পৃষ্ঠাৰ পৰা* সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠান ধূপ জ্বলাই উদ্বোধন কৰে শাখাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাই। আনহাতে, এক মাংগলিক পৰিৱেশত উদ্বোধনী অনুষ্ঠানত ধূপ প্ৰজ্বলনত অংশ লয় ক্ৰমে নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক নাট্যকাৰ-পৰিচালক ঐশ্বৰ্য কাকতি, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া, বাণ থিয়টাৰৰ উপ-সভাপতি ভৱানন্দ দাস, বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, সন্মিলনৰ শোণিতপুৰ জিলা সমিতিৰ কোষাধ্যক্ষ জগন্নাথ বৰা, অসম নাট্য সন্মিলনৰ আজীৱন সদস্য, বিশিষ্ট নাট্যকাৰ সপোন শইকীয়া, তেজপুৰ সাহিত্য সভাৰ সম্পাদক দেৱব্ৰত শৰ্মা, আজীৱন সদস্যা নিৰু নেওগ বৰা, চাতকৰ সভাপতি অনিল কুমাৰ ভট্টাচাৰ্য, তেজপুৰ কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কলিতা, সন্মিলনৰ আজীৱন সদস্য তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যকৰী সদস্য দ্বীজেন নাথ, শাখাৰ উপ-সভাপতি সত্যদেৱ শৰ্মা আৰু ভূপেন বৰুৱা, অভিনেতা-পৰিচালক ভৱানী ভৃঞা, বাণ থিয়েটাৰৰ কাৰ্যকৰী সদস্য তথা শাখাৰ সহকাৰী সম্পাদক ৰাজীৱ মহন্ত, শাখাৰ সাংগঠনিক সম্পাদক হেমধৰ দাস, কিশোৰ শৰ্মা, কৰ্মশালাৰ তত্বাৱধায়ক গৌতম পাঠক, বাণ থিয়টাৰৰ সাধাৰণ পৰিচালক ভূপেন শৰ্মা, অভিনেত্ৰী চিমি গোস্বামীকে আদি কৰি চেমনীয়া শিল্পীসকলে। উল্লেখ্য যে পহিলা জুলাইৰ পৰা ৩১ জুলাইলৈ তেজপুৰ সাহিত্য সভা ভৱনত অনুষ্ঠিতব্য কৰ্মশালাত নাট্যাভিনয়ৰ প্ৰশিক্ষণ দিয়াৰ লগতে শিক্ষাৰ্থীসকলৰ দ্বাৰা লক্ষ্যধৰ চৌধুৰীৰ 'ৰক্ষকুমাৰ' নাটকখন অভিনীত কৰোৱা হ'ব। তেজপুৰ শাখাৰ সম্পাদক জিন্টু বৰঠাকুৰ আৰু সন্মিলনৰ কেন্দ্ৰীয় উপ-সভাপতি মৃগেন চন্দ্ৰ বড়াই আঁতধৰা আৰম্ভণি অনুষ্ঠানটোত বিশিষ্ট নাট্যকাৰ পৰিচালক ঐশ্বৰ্য কাকতিয়ে নাটশিল্পৰ বিভিন্ন দিশ আলোকপাত কৰি শুদ্ধ শৈলীৰে এই শিল্প আয়ত্ত কৰিব পাৰিলেহে একোগৰাকী দক্ষ নাট্যশিল্পী হ'ব পৰা যাব বুলি মন্তব্য কৰে। তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া, বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, দ্বীজেন নাথ, গৌতম পাঠকেও এই কৰ্মশালাৰ জৰিয়তে চেমনীয়াসকলক প্ৰকৃত নাট্য সৈনিক হিচাপে গঢ়ি তোলাত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰি শুভেচ্ছামূলক সাৰুৱা মন্তব্য আগবঢ়ায়। শেষত সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাই এটি সাৰুৱা মন্তব্যৰে সকলোকে শলাগ জ্ঞাপন কৰে।

# সমাজবিবেক হৰেশ্বৰ গোস্বামী এগৰাকী

*১২ পৃষ্ঠাৰ পৰা* আৰু বৰ্ণাঢ্য সংস্কৃতিৰ বিষয়ে ব্যাখ্যা কৰি কয় যে মানুহে যি ভাষাৰে চিন্তা কৰে আৰু সপোন দেখে, সেইটোৱেই হ'ল তেওঁৰ মূল ভাষা। তৎসত্বেও একাংশ মানুহে বাক্য ব্যৱহাৰত নিজৰ ভাষাটোতকৈ আন ভাষাত কথা কৈ গৌৰৱ অনুভৱ কৰে। নিজৰ সন্তানে মাতৃভাষা নাজানে বুলি কৈও গৌৰৱ প্ৰকাশ কৰে। এয়া অতিশয় পৰিতাপৰ কথা। এনে আচৰণে ভাষা এটাক বিনষ্ট কৰাৰ লগতে জাতিটোকো অৱক্ষয়ৰ মুখলৈ ঠেলি লৈ যায়। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি অসমৰ প্ৰতিজন ব্যক্তিয়ে জাতিৰক্ষাৰ দিশত সচেতন ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু মাতৃভাষা কৈ গৌৰৱ কৰাৰ মানসিকতা গঢ়িব লাগিব বুলিও তেওঁ মন্তব্য কৰে। কলংপাৰ বিদ্যাপীঠ শাখা সাহিত্য সভা আৰু সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই সহযোগ কৰা স্মাৰক বক্তৃতা অনুষ্ঠানৰ আৰম্ভণিতে শিক্ষাবিদগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। বন্তি প্ৰজ্বলন কৰে ত্ৰৈলোক্য ভট্টাচাৰ্য আৰু শিক্ষাবিদগৰাকীৰ জ্যেষ্ঠ পুত্ৰ সপোনকুমাৰ গোস্বামীয়ে। পুষ্পাৰ্ঘ্য নিবেদন কৰে হৰেশ্বৰ গোস্বামীৰ আন দুই সন্তান সঞ্জীৱ কুমাৰ গোস্বামী আৰু স্নিগ্ধা গোস্বামীয়ে। কলংপাৰ বিদ্যাপীঠৰ শিক্ষক অতুল চন্দ্ৰ বৰুৱাই আঁতধৰা অনুষ্ঠানত অধ্যক্ষ পদুম ৰাজখোৱাই নিজৰ ভাষণত হৰেশ্বৰ গোস্বামীৰ বিৰল ব্যক্তিত্বৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কয়, 'এসময়ত নগাঁৱৰ বৌদ্ধিক সমাজখনত ধ্ৰুৱতৰাৰ দৰে উজ্জ্বল হৈ আছিল হৰেশ্বৰ গোস্বামী। নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব তেওঁ যিদৰে পালন কৰিছিল, অসম সাহিত্য সভাৰ উপ-সভাপতি, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সদস্য, নগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আদিৰ দায়িত্বও অতিশয় নিষ্ঠা আৰু সততাৰে পালন কৰিছিল। অসমৰ শৈক্ষিক জগতখনৰ উন্নয়নৰ হকে তেওঁ সদা সক্ৰিয় আছিল। হৰেশ্বৰ গোস্বামীৰ বিয়োগ হোৱা আজি ২৫ বছৰ হ'ল, কিন্তু তেওঁৰ স্থান আজিও কোনেও পূৰণ কৰিব পৰা নাই।' ৰাজখোৱাই নগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত গোস্বামীৰ যি অতুলনীয় অৱদান আছিল, সেই কথাও শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানত বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, শিশু সাহিত্যিক কাৰুণ্য ভট্টাচাৰ্য আৰু কাকী বিষ্ণু ৰাভা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক, গল্পকাৰ সিদ্ধাৰ্থশংকৰ বেজবৰুৱায়ো নিজ নিজ ভাষণত গোস্বামীৰ বৰ্ণিল ব্যক্তিত্বৰ কথা প্ৰকাশ কৰে। হৰেশ্বৰ গোস্বামীৰ অকাল বিয়োগ অসমৰ শৈক্ষিক ক্ষেত্ৰৰ দুৰ্ভাগ্য বুলিও বেজবৰুৱাই মন্তব্য দিয়ে। উল্লেখ্য যে ১৯৯৭ত নেলীৰ সংঘটিত এটি পথ দুৰ্ঘটনাত গোস্বামীৰ অকাল বিয়োগ হৈছিল। নগাঁৱৰ সমাজ জীৱনৰ বটবৃক্ষ স্বৰূপ ব্যক্তিগৰাকীয়ে গুৱাহাটীত এখন শৈক্ষিক সভাত অংশগ্ৰহণ কৰি নগাঁৱলৈ উভতি আহিছিল; কিন্তু বাছ দুৰ্ঘটনাত তেওঁৰ অকাল বিয়োগ হয়। তেওঁৰ বিয়োগ বাৰ্তাই সমগ্ৰ নগাঁও আৰু অসমৰ শৈক্ষিক জগতখনক গভীৰভাৱে শোকাচ্ছন্ন কৰিছিল।

# বন বিভাগৰ দুৰ্নীতিৰ বিৰুদ্ধে সংবাদমেল

## ■ ৪৮ ঘন্টাৰ ভিতৰত দুৰ্নীতিগ্ৰস্ত ডিএফঅ'ৰ বিৰুদ্ধে শাস্তিৰ দাবী

## ■ গোৱালপাৰা উপায়ুক্তক অভিযোগ দাখিল আমছুৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ জুন ঃ** গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত আজি এক সংবাদমেল সম্বোধন কৰি গোৱাৰপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া চমুকৈ ডিএফঅ' জীতেন্দ্ৰ কুমাৰ সিঙৰ বিৰুদ্ধে কেতবোৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰে আমছুৱে। আমছুৰ জিলা সভাপতি আনিমুল হক চৌধুৰীয়ে কয় যে গোৱালপাৰাৰ ডিএফঅ'ৰ ছত্ৰছায়াত বনজ সম্পদৰ ওপৰত ব্যাপক হাৰে ধ্বংসযজ্ঞ চলিছে। জিলাখনৰ বিভিন্ন অঞ্চলত অবৈধ কাঠ ফলা কল স্থাপনৰ লগতে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলিছে। বিশেষকৈ অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ উপৰি কামৰূপ, বৰপেটা আৰু গোৱালপাৰা জিলা সংযোগী অঞ্চলৰ নদী পথেৰে দিনে-নিশাই চোৰাং কাঠ সৰবৰাহ হৈ আহিছে। ইপিনে, চৰকাৰক ৰাজহ ফাঁকি দি দিনে-নিশাই চালানবিহীনভাৱে ১৭ নম্বৰ ঘাইপথেৰে বালি, চীপচ, ছেগুগ্ৰেভেল, শিল আদিৰ ট্ৰাক-ডাম্পাৰ চলাচল কৰি আহিছে। জিলাখনত ১০টাকৈ বৈধ বালিৰ মহল থকাৰ পাছতো দুধনৈ, কৃষ্ণাই, জিনাৰী, জিঞ্জিৰাম, দেউশীলা আদি নদীৰ বিভিন্ন স্থানৰ পৰা অবৈধভাৱে বালিৰ খনন কাৰ্য চলি আছে বুলিও বিস্ফোৰক অভিযোগ উত্থাপন কৰে। আমছুৰ সভাপতিজনে কেৱল এয়াই নহয় উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক অৱজ্ঞা কৰি ডিএফঅ'ই দুধনৈ নদীৰ বালি মহল নম্বৰ তিনি (এ) অৰ্থাৎ দামৰাত অবৈধভাৱে বালিৰ খনন কাৰ্য চলাবলৈ অনুমতি দিছে। বিভাগীয় নিয়ম মতে নিবিদা আহ্বান নকৰাকৈয়ে তথা জিলা উপায়ুক্তৰ অনুমোদন নোলোৱাকৈয়ে ডিএফঅ'ই নিজৰ খেয়াল-খুচি মতে দামৰাত বালি খননৰ অনুমতি দিয়া বুলিও সদৰী কৰে। ইফালে, জিলাখনৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ বগা মাটিৰ লগতে পাহাৰীয়া তথা ভৈয়াম অঞ্চলৰ ৰঙা মাটিৰ অবাধ গতিত খননকাৰ্য চলি আছে। এইদৰে ডিএফঅ' সিং এণ্ড কোম্পানীক কমিছন আদায় দি অসাধু চক্ৰই জিলাখনত বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে চৌধুৰীয়ে। ৰাইজক দেখুৱাবলৈ বন বিভাগে মাজে-সময়ে দুই-এখন চোৰাং কাঠ, শিল, বালি, মাটি, ছেগুগ্ৰেভেল, চীপচ আদিৰ ট্ৰাক-ডাম্পাৰ, ট্ৰেক্টৰ আদি জব্দ কৰে যদিও পাছত চৰকাৰী ৰাজহ ফাঁকি দি নামমাত্ৰ জৰিমনা আদায় কৰিয়েই মোকলাই দিয়া বুলিও অভিযোগ কৰে। অৱশ্যে বিচৰা ধৰণে উৎকোচ নাপালে সাধাৰণ এক ডেৰচিএম বালি ভৰ্তি ট্ৰেক্টৰৰ ক্ষেত্ৰতো ৩০-৩৫ হেজাৰলৈকে টকা জৰিমনা আদায় কৰে। উল্লেখ্য যে জিলাখনত হস্তী-মানৱৰ সংঘাতে তীব্ৰৰূপ ধাৰণ কৰিছে যদিও এই সমস্যা সমাধানৰ ক্ষেত্ৰত বন বিভাগ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। এইদৰে সীমাহীন দুৰ্নীতিত লিপ্ত হোৱা গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া সিঙৰ বিৰুদ্ধে ৪৮ ঘন্টাৰ ভিতৰত শাস্তিমূলক পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰী আৰু বনমন্ত্ৰীক দাবী জনাইছে আমছুৱে। অন্যথা বনমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহৰ লগতে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিছে আমছুৰ জিলা সভাপতি চৌধুৰীয়ে। ইপিনে, বন বিভাগৰ দুৰ্নীতিৰ বিৰুদ্ধে আমছুৱে গোৱালপাৰা জিলা উপায়ুক্তক আজি এখনি লিখিত অভিযোগ দাখিল কৰে।

# মেৰাপানীত জাপানী এনকেফেলাইটিছত কিশোৰ চিকিৎসাধীন

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৯ জুন ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ছয় নম্বৰ কলাজান গাঁৱৰ সীমান্ত কছাৰী (১২) নামৰ এটি কিশোৰ জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ গোলাঘাটত চিকিৎসাধীন হৈ আছে। তথ্য মতে, ছয় নম্বৰ কলাজান গাঁৱৰ বাবু ওৰফে কমলেছৰ কছাৰী পুত্ৰ সীমান্ত কছাৰীৰ কেইদিনমানৰ পূৰ্বৰ পৰা অতি মাত্ৰা জ্বৰ, বমি, মূৰৰ বিষ আদি হোৱাত যোৱা ২৬ জুনত মেৰাপানী সামূহিয়া চিকিৎসালয়ত ভৰ্তি কৰে। মেৰাপানী চিকিৎসকে কিশোৰজনৰ স্বাস্থ্যৰ অৱনতি দেখি ততাতৈয়াকৈ গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। গোলাঘাটত চিকিৎসকে কিশোৰজনক ভৰ্তি কৰাই স্বাস্থ্য পৰীক্ষা কৰি জাপানী এনকেফেলাইটিছ হোৱা বুলি নিশ্চিত কৰে। বৰ্তমান কিশোৰজন গোলাঘাট চিকিৎসালয়ত চিকিৎসাধীন বুলি পৰিয়ালে জানিবলৈ দিয়ে। আনহাতে, মেৰাপানী সীমান্তত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটাত অঞ্চলটোৰ জনসাধাৰণ শংকিত হৈ পৰিছে। সেয়েহে গোলাঘাটৰ স্বাস্থ্য বিভাগক মেৰাপানী সীমান্তৰ গাঁওসমূহত জাপানী এনকেফেলাইটিছ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

### সৰস্বতী পুস্তক মন্দিৰৰ হীৰক জয়ন্তী বৰ্ষ

# ২৩-২৪ জুলাইত গ্ৰীষ্মকালীন সমাৰোহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৯ জুন ঃ** উত্তৰ যোৰহাটৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান সৰস্বতী পুস্তক মন্দিৰৰ হীৰক জয়ন্তী বৰ্ষজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ আয়োজন কৰিছে। প্ৰথম কাৰ্যসূচীৰূপে ২৩-২৪ জুলাইত গ্ৰীষ্মকালীন সমাৰোহ অনুষ্ঠিত হ'ব। তদুপৰি গ্ৰীষ্ম বন্ধত ছাত্ৰ-ছাত্ৰীৰ মাজত শিশু গীত, অভিনয়, কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত হ'ব। গ্ৰীষ্মকালীন সমাৰোহৰ প্ৰথম দিনা যোৰহাট জিলা ভিত্তিত প্ৰথমৰ পৰা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কবিতা আবৃত্তি, সৃষ্টিশীল নৃত্য আৰু সপ্তমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি, সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৪ জুলাইত অনুষ্ঠিতব্য মুকলি সভাত পুৰস্কাৰসমূহ প্ৰদান কৰিব। প্ৰতিযোগিতা আৰু কৰ্মশালাত অংশগ্ৰহণৰ কাৰণে লাটুমণি শইকীয়া, পংকজ কলিতা, সম্পাদকদ্বয় সৰস্বতী পুস্তক মন্দিৰ, কমাৰমাটি গাঁও, যোৰহাট, ফোন ঃ ৯৪০১০৫৯৩০৯, ৮৮৭৬২৫৬২৬৯ ঠিকনাত যোগাযোগ কৰিবলৈ সভাপতি পৰেশ কলিতা, কাৰ্যকৰী সভাপতি ৰুবুল কলিতাই আহ্বান জনাইছে।

# 'ভইচ অৱ আসাম' উন্মোচন

*১২ পৃষ্ঠাৰ পৰা* কবিতা, একুৰি পেলেষ্টাইনী কবিতা, মধ্যপ্ৰাচ্যৰ প্ৰেমৰ কবিতা, যুদ্ধ কাব্য আদি কৰি বহুকেইখন উল্লেখ্যযোগ্য গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি মানসজ্যোতি শৰ্মাই অসমীয়া পঢ়ুৱৈক বিদেশী সাহিত্যৰ সোৱাদ দিবলৈ প্ৰয়াস কৰি অসমীয়া অনুবাদ সাহিত্যক নতুন গতি প্ৰদান কৰিছে।

# কলগাছিয়াৰ লাচাংগাত

*১২ পৃষ্ঠাৰ পৰা* খাদ্যখিনি আৱদ্ধ কৰি কলগাছিয়া আৰক্ষীক খবৰ দি আৰক্ষীক গতাই দিয়ে। ৰাইজে অভিযোগ কৰা মতে, বানপানীৰ বাবে চৰকাৰে যোগান ধৰা পশু খাদ্যখিনি লাচাংগা গাঁৱৰ গাঁওপ্ৰধান, স্থানীয় পঞ্চায়ত সদস্য আৰু বি এল অ'ই মিলি হৰলুকি কৰাৰ অভিযোগ উঠিছে। ইফালে, গাঁওপ্ৰধান ইছলাম আৰু বি এল অ' আয়নাল হকে ৰাইজৰ অভিযোগ একমুখে অস্বীকাৰ কৰি কয় যে চৰকাৰৰ তৰফৰ দিয়া পশুখাদ্য বিতৰণত কোনো দুৰ্নীতি হোৱা নাই। এই সামগ্ৰীখিনি ৰাইজৰ মাজত বিতৰণ কৰোতে ৰাতি হোৱা বাবে একাংশ হিতাধিকাৰীৰ ভাগৰ পশু খাদ্যখিনি বৈ যোৱাত দুই বস্তা পশুখাদ্য স্থানীয় পঞ্চায়ত সদস্য আনোৱাৰ হুছেইনৰ জিম্মাত ৰাখিবলৈ দিয়া হয়। তেতিয়াই ৰাইজৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হোৱাত অনাহকত এই হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয় বুলি দোহাৰে গাঁওপ্ৰধান ইছলামে।

# উপায়ুক্ত, বন্দোবস্তি বিষয়া-চক্ৰ

*১২ পৃষ্ঠাৰ পৰা* কৰে। সেয়ে আকছেদ আলীৰ পুত্ৰ তথা যোগ্য উত্তৰাধিকাৰী হিচাপে জাহাংগীৰ আলমৰ হৈ অধিবক্তা ৰূপজ্যোতি চক্ৰৱৰ্তীয়ে চিপিচিৰ ধাৰা ৮০(১) অনুযায়ী গোৱালপাৰা জিলা উপায়ুক্তৰ লগতে বন্দোবস্তি বিষয়া আৰু মাটিয়া ৰাজহ চক্ৰৰ বিষয়াক নিয়ম বহিৰ্ভূতভাৱে কৰা উক্ত নামজাৰি কৰ্তনৰ বাবে আইনী জাননী প্ৰেৰণ কৰিছে। যদি বেআইনীভাৱে হোৱা সন্মতি নামজাৰি ৬০ দিনৰ ভিতৰত কৰ্তন কৰা নহয় তেন্তে আদালতত চিভিল চুইট কৰিবলৈ বাধ্য হ'ব বুলি আইনী জাননীখনত উল্লেখ কৰিছে। উল্লেখ্য যে মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে নিয়ম বহিৰ্ভূতভাৱে প্ৰায় শতাধিক সন্মতি নামজাৰি কৰি নিজৰ নিজৰ পকেট গৰম কৰিছিল। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে প্ৰকৃত দোষী বিষয়া-কৰ্মচাৰীসকলৰ বিৰুদ্ধে দৃষ্টান্তমুলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।

# ৰঙিয়া বগৰীবাৰীত ছাত্ৰ সন্থাৰ

*১২ পৃষ্ঠাৰ পৰা* প্ৰত্যক্ষ কৰাৰ বাবে দাবী জনায়। তেওঁ এই অঞ্চলৰ বানাক্ৰান্ত ৰাইজৰ বাবে বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিবলৈও আহ্বান জনায়। ইয়াৰ উপৰি প্ৰতি বছৰে বানপানীত পুঠিমাৰী নৈৰ মথাউৰি ভাঙি বৃহত্তৰ অঞ্চলটোৰ ৰাইজক অৰ্থনৈতিকভাৱে বিপৰ্যস্ত কৰাত তেওঁ জলসম্পদ বিভাগ লগতে চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰে। দাসে বিজ্ঞানসন্মতভাৱে মথাউৰি নিৰ্মাণ নকৰা বাবে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁৰ মতে পুঠিমাৰী নৈৰ মথাউৰি নিৰ্মাণক এক ক্ষীৰতী গাই হিচাপে পৰিণত কৰিছে জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰ সকলে। প্ৰতিনিধি দলটোৱে বানপানীত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহৰ সম্পত্তি, ঘৰ দুৱাৰ ভঙাৰ ক্ষতি পূৰণ দিয়াৰ নামত চৰকাৰে ঘোষণা কৰি দায়িত্ব সামৰাৰ পৰিবৰ্তে প্ৰকৃতাৰ্থত ঘোষণা কাৰ্যকৰী কৰাৰ বাবে দাৱী জনায়।

# তামুলপুৰত শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ ক্ৰীড়া সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৯ জুন ঃ** তামুলপুৰ জিলা সদৰৰ বাৰেইগাঁওস্থিত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত কালি শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ আঁচনিৰ অধীনত ৩০ টা সংঘ আৰু ক্লাবৰ মাজত ফুটবল, জাৰ্চী, নেট, বুটজোতাকে ধৰি কে'বাবিধো ক্ৰীড়া সামগ্ৰী বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ হিতেশ ডেকাই কয় যে অসম চৰকাৰে আবন্টন দিয়া সীমিত সংখ্যক পুঁজিৰে অসমৰ এই পিছ পৰা শৰণীয়া কছাৰী জনগোষ্ঠীক আগবঢ়াই নিবলৈ এলানি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে শৰণীয়া কছাৰী জনগোষ্ঠীৰ খেলুৱৈসকলক উৎসাহিত কৰি আগবঢাই লৈ যোৱাৰ বাবে শৰণীয়া কছাৰী জনগোষ্ঠী অধ্যুষিত অঞ্চলৰ সংঘ আৰু ক্লাবসমূহক আজি ফুটবল, জাৰ্চী, নেট, বুটজোতাকে ধৰি কিছুমান ক্ৰীড়া সামগ্ৰী বিতৰণ কৰা হৈছে। এই সীমিত পুঁজিৰে যোগান ধৰা ক্ৰীড়া সামগ্ৰীখিনিৰে সংঘ আৰু ক্লাবসমূহ কিছু পৰিমাণে হ'লেও উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ উপাধ্যক্ষ কুমুদ দাস, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকা, সাধাৰণ সম্পাদক দ্বীপজ্যোতি শৰণীয়াকে ধৰি বহু সংখ্যক ছাত্ৰ নেতা আৰু হিতাধিকাৰী ক্লাব আৰু সংঘসমূহৰ কৰ্মকৰ্তা উপস্থিত থাকে।

# যোৰহাট জিলাত পহিলা জুলাইৰ পৰা প্ৰধানমন্ত্ৰী ফচল বীমা

## ■ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাত বীমা কৰিবলৈ আহ্বান

## ■ যোজনাৰ 'শালি ধান শস্য বীমা সপ্তাহ'

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৯ জুন ঃ** অপ্ৰত্যাশিত ঘটনাৰ ফলত উদ্ভৱ হোৱা শস্যৰ লোকচান বা ক্ষতিসমূহৰ পৰা কৃষকক সুৰক্ষা তথা কৃষিখণ্ডত সুস্থিৰ উৎপাদন অব্যাহত ৰখাৰ উদ্দেশ্যে ভাৰত চৰকাৰে 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা' শীৰ্ষক এখন আঁচনি ৰূপায়ণ কৰি আহিছে। অসমত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ বিত্তীয় পৃষ্ঠপোষকতাত এই আঁচনি ৰূপায়ণ কৰা হৈছে। 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত অহা পহিলা জুলাইৰ পৰা সাত জুলাইলৈকে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত তৃতীয় লানি 'শালি ধান শস্য বীমা সপ্তাহ' পালন কৰা হ'ব। জিলাখনত গাঁও পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া সজাগতা সভা তথা গাঁও পঞ্চায়তত অনুষ্ঠিত হ'বলগীয়া গাঁও সভাত আধাৰকাৰ্ড, মাটিৰ প্ৰমাণপত্ৰ আৰু বেংক পাছবুকৰ জেৰক্স কপি জমা দিব লাগিব। উল্লেখ্য যে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত প্ৰতি হেক্টৰ কৃষিভূমিলৈকে কৃষকসকলে এশটকাকৈ প্ৰিমিয়াম বহন কৰিব লাগে। প্ৰিমিয়ামৰ বাকী অংশ চৰকাৰে বহন কৰে। শস্যৰ ক্ষয়ক্ষতিৰ বাবে কৃষকসকলে এই যোজনাৰ অধীনত প্ৰতি হেক্টৰ মাটিত সৰ্বমুঠ ৬৭,৯২০ টকালৈকে ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হ'ব বুলি জিলাখনৰ 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা'ৰ নডেল বিষয়া অনুপ কুমাৰ পেগুৱে জনাইছে। যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱাই জিলাখনৰ কৃষকসকলক 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা'ৰ জৰিয়তে নিজ কৃষিভূমিৰ বীমা কৰি ক্ষতিৰ পৰা শংকামুক্ত হ'বলৈ অনুৰোধ জনাইছে।

# ওদালগুৰি-কলাইগাঁও জিলা প্ৰেছ গীল্ডৰ বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৯ জুন ঃ** ওদালগুৰি জিলা প্ৰেছ গীল্ডৰ লগতে কলাইগাঁও প্ৰেছ গীল্ড আৰু পৰম বৈষ্ণৱ সাধক যতীন্দ্ৰ কৃষ্ণ দাসৰ উদ্যোগত আজি বৃহত্তৰ কলাইগাঁও অঞ্চলত বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰীৰ লগতে অন্যান্য সাহায্য বিতৰণ কৰা হয়। প্ৰেছ গীল্ডৰ বিষয়ববীয়াসকলে একান্ত ব্যক্তিগত প্ৰচেষ্টাৰে কলাইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰূপাতলত বানাক্ৰান্ত প্ৰায় এশটা পৰিয়ালৰ মাজত সাহায্য বিতৰণ কৰে। প্ৰতিটো পৰিয়ালক পাঁচ কিলোগ্ৰাম চাউল, বিস্কুট, খোৱাপানী, ব্ৰেড, ফলৰ ৰস, বস্ত্ৰৰ লগতে ছাত্ৰ-ছাত্ৰীক পাঁচ ডিষ্টাকৈ বহী আৰু কলম যোগান ধৰা হয়। বানাক্ৰান্ত ৰাইজে এনে দুৰ্যোগৰ সময়ত সাংবাদিকসকলে এবুকু বানপানীৰ মাজত থাকি বানাক্ৰান্ত ৰাইজৰ দুৰ্দশা পৰিদৰ্শন কৰাৰ সমান্তৰালভাৱে আজি সেইসকল বানাক্ৰান্তৰ ওচৰত আহি সকাহ দিয়াত আনন্দ প্ৰকাশ কৰে দুৰ্ভগীয়া বানাক্ৰান্ত পৰিয়ালসমূহে। দ্বিতীয়টো বানপানীৰ সময়ত নোৱানৈৰ মথাউৰি ছিগাৰ ফলত প্লাবিত হৈছিল ৰূপাতল, বালিপাৰা মাজৰচুবা দমৰাপোটা বাগিচাচুবা বটিয়ামাৰী চিন্তাগাঁও গৰুবান্ধা শিংৰীমাৰী আদি অৰ্ধশতাধিক গাঁও। বিশেষকৈ ক্ষতিগ্ৰস্ত হৈছিল ৰূপাতলৰ শতাধিক গাঁও। ঘৰ-দুৱাৰ ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছে উক্ত অঞ্চলত। ইয়াৰ উপৰি খেতিপথাৰসমূহ পলসে পুতি পেলোৱাত কঠীয়াবোৰ ইতিমধ্যে নষ্ট হৈছে। এতিয়া অন্ন-বস্ত্ৰ বাসস্থানৰ অভাৱত দিন কটাবলগীয়া হৈছে ৰূপাতল, বালিপাৰা আদিৰ লোকসকল। উল্লেখ্য যে ৰূপাতল আদি অঞ্চলত ইতিমধ্যে উছন হৈছে বহু পৰিয়াল।

# কলাইগাঁৱত কৰ্মীসভাত বিধায়ক গগৈ

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ২৯ জুন ঃ** 'আদানি, আম্বানি লেখিয়া কোনো পুঁজিপতিক আমন্ত্ৰণ কৰি আনি আৰু তেওঁলোকৰ দ্বাৰা ধন বিনিয়োগৰ জৰিয়তে অসমত উদ্যোগ স্থাপন কৰি নিবনুৱা যুৱক-যুৱতীক সংস্থাপন দিলেই অসমৰ সৰ্বাংগীণ উন্নতি কিম্বা প্ৰকৃত উন্নয়ন নহয়। অসমৰ প্ৰকৃত উন্নয়ন কৰিব লাগিলে কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন কৰিবই লাগিব। ৭৫ শতাংশ কৃষিজীৱী লোক বাস কৰা অসমত যদি কৃষিখণ্ডৰ আমূল পৰিৱৰ্তন নহয়, তেনেহ'লে অসমৰ প্ৰকৃত উন্নয়ন অসম্ভৱ। কৃষিকাৰ্যৰ আওপুৰণি সঁজুলি, কৃষিকাৰ্যত পেছাদাৰী চিন্তাৰ বিপৰীতে সামন্তীয় চিন্তা আৰু ব্যৱহাৰিকভাৱে সফল হোৱাকৈ চৰকাৰে কৃষি উদ্যোগ স্থাপন কৰাত বিফল হোৱাৰ বাবে আজি অসমৰ কৃষিখণ্ডৰ প্ৰকৃত উন্নয়ন সম্ভৱ হোৱা নাই।' আজি ৰাইজৰ দল, ওদালগুৰি জিলা সমিতি আৰু কলাইগাঁও সমষ্টি সমিতিৰ উদ্যোগত দৰঙৰ লক্ষীমপুৰ আঞ্চলিক মীন মহল সমিতিৰ প্ৰেক্ষাগৃহত আয়োজিত কৰ্মীসভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। ভাষণ প্ৰসংগত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ নীতিক কঠোৰ সমালোচনা কৰি কয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ পূৰ্বৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰাৰ লগতে জিএছটি প্ৰৱৰ্তনৰ জৰিয়তে এক কৰ ব্যৱস্থা কৰাৰ ফলত আজি ৰাজ্য চৰকাৰে পোনপটীয়াকৈ সংগ্ৰহ কৰিবলগীয়া কৰৰ পৰা বঞ্চিত হোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ অৱস্থা দেউলীয়া হৈ পৰিছে। চৰকাৰৰ এনে হঠকাৰী নীতিৰ কাৰণে ভাৰতৰ প্ৰথম পাঁচখন ৰাজ্যৰ স্থানত অসমকো প্ৰতিষ্ঠা কৰাৰ কথা কোৱা হৈছে যদিও আজি অসমৰ স্থান একেবাৰে নিম্নগামী। কলাইগাঁও সমষ্টি সমিতিৰ সভাপতি কালিদাস বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মী সভাখনত ক্ৰমে ৰাইজৰ দলৰ মুখপাত্ৰ জ্ঞানশ্ৰী বড়া, উপ-সভাপতি হৰেশ্বৰ বৰ্মন, কলাইগাঁও সমষ্টি সমিতিৰ কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ নেতা দানেশ্বৰ ডেকা প্ৰমুখ্যে কে'বাগৰাকীও দলীয় নেতাই দলৰ নীতি, আদৰ্শ, কাৰ্যপন্থা আৰু সাংগঠনিক স্থিতি সন্দৰ্ভত বিস্তৃত ব্যাখ্যা কৰে।

### কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন নহ'লে অসমৰ প্ৰকৃত উন্নয়ন অসম্ভৱ

অসম দাপোণ
গুৱাহাটী, ৩০ জুন, বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ১৪

## বেঁকী নদীৰ বিধ্বংসী খহনীয়াৰ কবলত কলগাছিয়াৰ আমগুৰি চৰ পূবপাৰা প্ৰাথমিক বিদ্যালয়



**কলগাছিয়া, ২৯ জুন ঃ** বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত আমগুৰি চৰ পূবপাৰা প্ৰাথমিক বিদ্যালয়খন বেঁকী নদীৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে। কলগাছিয়াৰ আমগুৰি চৰ পূবপাৰা প্ৰাথমিক বিদ্যালয়খন যোৱা কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণ আৰু বেঁকী নদীৰ বাঢ়নী পানীয়ে তীব্ৰ খহনীয়াৰ সৃষ্টি কৰিছে। বেঁকী নদীৰ খহনীয়াত ইতিমধ্যে কে'বাটাও পৰিয়ালৰ ঘৰ, মাটি, ভেটি গড়কাপ্টানী পথ বিদ্যালয়খনৰ শৌচাগাৰ, প্ৰস্ৰাৱগাৰ বেঁকীৰ নদীৰ বুকুত জাহ গৈছে। বিদ্যালয়খনৰ গৃহৰ টিন খুলি স্থানান্তৰ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে প্ৰধান শিক্ষক আব্দুল হালিমে। স্থানীয় ৰাইজৰ পৰামৰ্শ সাপেক্ষে বিদ্যালয়খন স্থানান্তৰ কৰি পাঠদান চলাই যাব বুলি জানিবলৈ দিয়ে প্ৰধান শিক্ষকজনে। বিদ্যালয়ৰ দুৰৱস্থাৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছে বুলি সংবাদ মাধ্যমক অৱগত কৰে শিক্ষকজনে। আমগুৰি চৰ পূবপাৰা প্ৰাথমিক বিদ্যালয়খন বেঁকী নদীৰ খহনীয়াৰ কবলত পৰাৰ ফলত ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ ক্ষেত্ৰত ব্যাঘাত জন্মাৰ আশংকাত অভিভাৱকসকল চিন্তিত হৈ পৰিছে। শীঘ্ৰেই চৰকাৰক বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে স্থানীয় ৰাইজ তথা বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে।

### ৰাইজ থাকে অন্ধকাৰত

## ৱাৰ্ড কাউন্সিলৰৰ পদূলিত সাংসদ পুঁজিৰ বৈদ্যুতিক চাকি



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৯ জুন ঃ** উত্তৰ গুৱাহাটী নগৰ সমিতিৰ পৰা ১০টা ৱাৰ্ডেৰে পৌৰসভালৈ উন্নীত হোৱা উত্তৰ গুৱাহাটী পৌৰসভাৰ ৱাৰ্ড কাউন্সিলৰ অতপালি দেখি ৰাইজ অবাক হৈছে। উত্তৰ গুৱাহাটীৰ চাৰিটা ৱাৰ্ডত ইতিমধ্যে ষ্ট্ৰীট লাইটেৰে সামৰাৰ পাছত আন ছটা ৱাৰ্ড ষ্ট্ৰীট লাইটৰ ব্যৱস্থা নাছিল। শেহতীয়াকৈ গুৱাহাটীৰ সাংসদ কুইন ওজাৰ সাংসদ পুঁজিৰে অটলজ্যোতি যোজনাৰ অধীনত পৌৰসভাৰ বাবে এশটা ষ্ট্ৰীট লাইট মঞ্জুৰ হয়। সেই অনুযায়ী প্ৰতিটো ৱাৰ্ডত ১০টাকৈ সৌৰ চাকি সংস্থাপিত কৰাৰ বাবে পৰিকল্পনা কৰে। কিন্তু সুবিধাবাদী কেইজনমান ৱাৰ্ড মেম্বাৰে নিজ পদুলিত দুই-তিনিটা সৌৰচাকি সংস্থাপিত কৰা কাৰ্যত ক্ষোভিত পৌৰ অঞ্চলবাসী। ৱাৰ্ড কাউন্সিলৰ গণেশ বৰুৱা, বনমালী দাসকে আদি কৰি অধিকাংশ ৱাৰ্ড কাউন্সিলৰেই নিজ পদুলিতে সীমাবদ্ধ ৰাখিছে সৌৰচাকিৰ সংস্থাপন। উল্লেখ্য যে উত্তৰ গুৱাহাটী নগৰত পূৰ্বৰ ষ্ট্ৰীট লাইট থকাৰ উপৰি ফ্লাড লাইটৰো ব্যৱস্থা থকাৰ পাছতো পুনৰ সীমিত সৌৰ চাকি নগৰ অঞ্চলত দিয়াৰ আচলতে প্ৰশ্নই উঠিব নালাগে বুলি ৰাইজে ক্ষোভ প্ৰকাশ কৰে। তদুপৰি নিশা এক বজাত সংগোপনে সংস্থাপন কৰিছে আৰু খুঁটাসমূহ পকী নকৰাত হালি পৰিছে। ইফালে, উত্তৰ গুৱাহাটী নগৰৰ উচ্চ বিদ্যুৎ খৰচি ফ্লাড লাইট দিনে-নিশাই জ্বলি থকাৰ পাছতো কাণসাৰ নাই পৌৰসভাৰ কৰ্মকৰ্তাৰ।

### চোৰে নিলে নগদ ধনৰ লগতে সোণ-ৰূপৰ ফুলি

## জামুগুৰিহাটত ঐতিহ্যমণ্ডিত বাসুদেৱ থানত চোৰৰ লুটপাট



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুষ্কৃতিকাৰীয়ে মন্দিৰ, নামঘৰ, থানকে ধৰি আধ্যাত্মিকতাৰ স্থলীসমূহত লুটপাট চলাই থকাৰ সময়তে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ কুসুমটোলাস্থ ঐতিহ্যমণ্ডিত বাসুদেৱ থানতো যোৱা নিশা দুষ্কৃতিকাৰীয়ে চুৰিকাণ্ড সংঘটিত কৰে। থানৰ লোহাৰ গ্ৰীলত থকা তলা ভাঙি চোৰে নগদ ধনৰ লগতে সোণ-ৰূপৰ ফুলিও চুৰি কৰি উধাও হয়। আজি পুৱাৰ ভাগত থান চোৱাচিতাৰ দায়িত্বত থকা লোকজনে থানলৈ আহি থানত চোৰ সোমোৱাৰ কথা জানিব পাৰি স্থানীয় ৰাইজৰ লগতে থান পৰিচালনা সমিতিকো এই সন্দৰ্ভত অৱগত কৰায়। পাছত থান পৰিচালনা সমিতিয়ে জামুগুৰি আৰক্ষী থানাত চুৰিকাণ্ড সন্দৰ্ভত এজাহাৰ দাখিল কৰে। জামুগুৰি আৰক্ষীৰ এটা দল বাসুদেৱ থানত উপস্থিত হৈ চুৰিকাণ্ড প্ৰত্যক্ষ কৰাৰ লগতে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা কে'বাবছৰ ধৰি জামুগুৰিহাটৰো বিভিন্ন মঠ-মন্দিৰৰ লগতে নামঘৰতো একাধিক চুৰিকাণ্ড সংঘটিত হৈ আহিছে।

## শ্ৰেষ্ঠ এনএছএছ বঁটা গ্ৰহণ ৰঙাপৰাৰ শুভংকৰ দেৱ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৯ জুন ঃ** ৰঙাপৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ ছাত্ৰ শুভংকৰ দে বিশ্ববিদ্যালয়ৰ স্তৰৰ শ্ৰেষ্ঠ এনএছএছ বঁটা ২০১৯-২০ লাভ কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ সন্মিলনত অসমৰ ৰাজ্যপাল জগদীশ মুখীয়ে নগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে শুভংকৰক এই বঁটা প্ৰদান কৰে। শুভংকৰ ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যয়ন কৰি থকাৰ সময়ৰ পৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত জড়িত হৈ বিভিন্ন ধৰণৰ সামাজিক কামত সক্ৰিয়ভাৱে জড়িত হৈ আছে উল্লেখ্য যে তলাবন্ধৰ সময়ছোৱাত আৰু কিছুদিন আগতে ডিমা হাছাওত সংঘটিত প্ৰাকৃতিক দুৰ্যোগৰ বাবে ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সহায়ৰ হাত আগবঢ়ায়। মুঠতে বিগত চাৰি বছৰে অঞ্চলটোত যুৱকজন আনৰ বাবে এক সহায়ৰ হাত ৰূপে পৰিগণিত হৈছে।

## ডেৰমাহ ধৰি সন্ধানহীন জয়মাৰ জহিৰুদ্দিন শ্বেখ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৯ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ এক নম্বৰ হুদুমখাতা (জয়মা বজাৰ) গাঁৱৰ নিবাসী ছিৰাবুদ্দিন শ্বেখৰ পুত্ৰ জহিৰুদ্দিন শ্বেখ (৪৫) যোৱা ডেৰমাহ ধৰি সন্ধানহীন হৈ আছে। লোকজন ডেৰমাহ পূৰ্বে ঘৰৰ পৰা বজাৰত যাব বুলি ওলাই যোৱাৰ পাছত আৰু ঘৰলৈ ঘুৰি অহা নাই। পত্নী আৰু দুটি নাবালক সন্তানক এৰি লোকজন নিৰুদ্দেশ হৈ পৰাত পৰিয়ালৰ মাজত হাহাকাৰ লাগিছে। নিৰুদ্দেশ হোৱা জহিৰুদ্দিনক বিচাৰি পৰিয়ালৰ লোকে অৱশেষত গোসাঁইগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। নিৰুদ্দিষ্ট জহিৰুদ্দিনৰ জোঁৱাই সৌকত আলীয়ে এজাহাৰখনত উল্লেখ কৰা অনুসৰি তেওঁৰ শহুৰেক তিনিমাহ পূৰ্বে মানসিক ৰোগত আক্ৰান্ত হৈ কিছু পৰিমাণে ভাৰসাম্য হেৰুৱাই পেলাইছিল। পাছত তেওঁক চিকিৎসা প্ৰদান কৰাত অলপ সুস্থ হয়। কিন্তু ১৪ মে'ত জহিৰুদ্দিন বজাৰলৈ যাব বুলি কৈ ঘৰৰ পৰা ওলাই গৈ নিৰুদ্দেশ হৈ আছে। ক'লা বৰণৰ প্ৰায় পাঁচ ফুট উচ্চতাৰ লুঙি ছাৰ্ট পৰিধান কৰা নিৰুদ্দিষ্ট লোকজনৰ কোনো সম্ভেদ লাভ কৰিলে ৬০০২০০৭২২৬ নম্বৰত ফোন কৰিবলৈ নাইবা গোসাঁইগাঁও থানাত অৱগত কৰিবলৈ কাতৰ অনুৰোধ জনাইছে ভুক্তভোগী পৰিয়ালটোৱে।

## জি টিভিৰ লিটল মাষ্টাৰ বিজয়ী নৰজিৎ নাৰ্জাৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৯ জুন ঃ** জি টি ভিৰ উদ্যোগত ডি আই ডি লিটল মাষ্টাৰ পাঁচ নম্বৰ চিজনৰ বিজয়ী নৰজিৎ নাৰ্জাৰীক কালি নলবাৰীত বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অসমলৈ গৌৰৱ কঢ়িয়াই অনা শিশু শিল্পী নাৰ্জাৰী কালি কোকৰাঝাৰত অনুষ্ঠিত এক অনুষ্ঠানৰ পৰা উভতি অহাৰ পথত নলবাৰীৰ গণেশ মন্দিৰত চ'কত এই সম্বৰ্ধনা জ্ঞাপন কৰে। নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকা, উপ-সভাপতি ফণীধৰ বৰুৱা, উৎপল কলিতা, সহকাৰী সাধাৰণ সম্পাদক গৌতম বেজবৰুৱাই ফুলৰ থোপা, গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। জিলা ছাত্ৰ সন্থাৰ উপৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনা নাৰ্জাৰীক নিখিল বড়ো ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতি, বড়ো সাহিত্য সভাকে ধৰি ২৫ টা বিভিন্ন দল-সংগঠনে নলবাৰী গণেশ মন্দিৰ চ'কত সম্বৰ্ধনা জ্ঞাপন কৰে।

### নিশাৰ ভিতৰতে ভাঙিলে চাৰিখনকৈ দোকান

## বকোত ভয়াৱহ হৈছে বনৰীয়া হাতীৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**বকো, ২৯ জুন ঃ** পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া কাৰ্যালয়ৰ অধীনৰ বকোত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। ক্ৰমান্বয়ে মৰুভূমিত পৰিণত হোৱা সেউজ ভূমিত খাদ্যৰ নাটনি হোৱাত জাকে জাকে বনৰীয়া হাতীয়ে জনাঞ্চলত আনৰ নিদ্ৰা হৰণ কৰিছে। বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। ইয়াৰ মাজতে বকোৰ গাধপুটাত নিশা বনৰীয়া হাতীয়ে ভাঙিলে চাৰিখনকৈ দোকান। পুৱতি নিশা জাকৰ পৰা ফালৰি কাটি অহা এটা বনৰীয়া হাতীয়ে বীৰেন ৰাভা, সুব্ৰত ৰাভা আৰু পৱিত্ৰ ৰাভাৰ দোকানৰ লগতে ৰচনা ৰাভাৰ সুলভ মূল্যৰ দোকান ভাঙি পেলায়। বনৰীয়া হাতীটোৱে সুলভ মূল্যৰ দোকানত মজুত থকা চাউল খোৱাৰ উপৰি দোকানৰ সা-সামগ্ৰী পৰ্যন্ত নষ্ট কৰি থৈ যায়। হাতীটোক ৰাইজে কোনোমতে সেই ঠাইৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হয়।



### স্নাতক চূড়ান্ত পৰীক্ষা দিয়া নহ'ল ৰাহুল সেনাপতিৰ

## পথ দুৰ্ঘটনাত মৃত্যুৰ খবৰে মৰ্মাহত কৰিছে উজনি মাজুলীবাসীক

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৯ জুন ঃ** কালি পুৱা কলিয়াবৰৰ কাঞ্চনজুৰিত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাই সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। দুৰ্ঘটনাত থিতাতে প্ৰাণ হেৰুওৱা চাৰি যুৱকৰ ভিতৰত এজন আছিল মাজুলী জিলাৰ, উজনি মাজুলীৰ ৰাহুল সেনাপতি। জিলাখনৰ নতুন বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত বৰবিল গাঁৱৰ ৰমেশ সেনাপতি আৰু অঞ্জলি সেনাপতিৰ একমাত্ৰ পুত্ৰ আছিল ৰাহুল। ছাত্ৰজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ঘৰখনৰ লগতে উজনি মাজুলী অঞ্চলত এক বুজাব নোৱৰা পৰিস্থিতিৰ উদ্ভৱ হৈছে। যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ ৰাহুলৰ মৃত্যুৰ খবৰত সমগ্ৰ অঞ্চলটোতে উঠিছে কেৱল কান্দোনৰ ৰোল। তিনিদিন



পাছতেই ৰাহুল বহিলহেঁতেন স্নাতক চূড়ান্ত পৰীক্ষাত। স্নাতক পৰীক্ষাৰ পাছতেই পৰৱৰ্তী উচ্চ শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভৰ উদ্দেশ্যে গুৱাহাটীলৈ গৈছিল ৰাহুল। কিন্তু নিয়তিয়ে বাস্তৱ হ'বলৈ নিদিলে ৰাহুলৰ গুৱাহাটীত উচ্চ শিক্ষা গ্ৰহণৰ আশা। কোনোদিন উভতি নহাৰ প্ৰতিশ্ৰুতিৰে পিতৃ-মাতৃৰ বুকু শুদা কৰি অজান দেশলৈ চিৰদিনৰ বাবে গুচি গ'ল ৰাহুল। অতি অমায়িক ছাত্ৰজনৰ মৃত্যুত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰা, চুতীয়া জাতি উন্নয়ন পৰিষদৰ সদস্য বিপুল চুতীয়া, সদৌ মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থা, মাজুলী জিলা চুতীয়া জাতি সন্মিলন, মহিলা সন্মিলন, যুৱ সন্মিলন, বৰবিল গাঁও যুৱ সংঘ, গাঁওৰক্ষী বাহিনী, গেজেৰা আঞ্চলিক ছাত্ৰ সন্থা, মিচিং ছাত্ৰ সন্থা, বৰবিল হাইস্কুলৰ শিক্ষক গোট, ছাত্ৰ একতা সভা, জোনাকী ছমহীয়া আটী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ একতা সভাকে আদি কৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

## গ্ৰাহামপুৰত আৰক্ষীৰ অভিযানত উন্নতজাতৰ ছটা গৰু জব্দ




**তামাৰহাট, ২৯ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অধীনস্থ মাছখিলি গাঁৱত আজি পুৱতি নিশা অভিযান চলাই ছটা উন্নত জাতৰ গৰু জব্দ কৰে। পশ্চিমবংগৰ পৰা গোপনে অনা গৰুকেইটা সংকোষ নদী পাৰ কৰাই আদিবাসী কল'নীৰ মাজেৰে পৰ্বতঝোৱা মহকুমাৰ গুমা বনাঞ্চলৰ দিশে লৈ থকাৰ সময়ত ডিম্বেশ্বৰ দাসৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে গৰুকেইটা জব্দ কৰে যদিও চোৰাং গৰুবেপাৰীকেইজন পলাই যায়। উক্ত গৰুকেইটা জব্দ কৰি গ্ৰাহামপুৰ আৰক্ষী চকীত নিয়ে। চোৰাং গৰুৰ বেহাৰ স'তে স্থানীয় একাংশ লোক জড়িত হৈ থকাত আৰক্ষীৰ গতি বিধি লক্ষ্য কৰি ভাৰত-বাংলাদেশলৈ গৰু সৰবৰাহ অব্যাহত ৰাখিছে। অবৈধ গৰুৰ বেহা বন্ধ কৰিবলৈ আৰক্ষী কঠোৰ হৈ পৰাৰ সময়ত অতি ভিতৰুৱা গাঁৱৰ পথেৰে প্ৰায়ে গৰু সৰবৰাহ কৰি আহিছে। বংগৰ পৰা গৰুসমূহ ক্ৰয় কৰাৰ পাছত আদিবাসী কলনীৰ মাজেৰে পৰ্বতঝোৱা মহকুমা বনাঞ্চলৰ মাজেদি ধুবুৰী জিলাৰ চৰ অঞ্চলত নি নাওযোগে বাংলাদেশত সৰবৰাহ কৰি আহিছে। তেনে অবৈধ গৰুৰ বেহাৰ স'তে স্থানীয় একাংশ সংগঠনৰ নেতৃত্বও জড়িত থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে।

## বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীত প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান মিঞা পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ জুন ঃ** অসমৰ বান- খহনীয়াৰ স্থায়ী সমাধানৰ দাবীত আজি অসম মিঞা (অসমীয়া) পৰিষদে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। গোৱালপাৰা জিলা উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰৰ উল্লেখ কৰা দাবীসমূহ হ'ল ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈবিলাকৰ নদীতলসমূহ খনন কৰা, বৃহৎ নদীবান্ধ আঁচনি প্ৰত্যাহাৰ কৰা, বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দিয়া, কৃষক, মীন পালক ব্যৱসায়ী আদিক ক্ষতি পূৰণৰ ব্যৱস্থা কৰা, ব্ৰহ্মপুত্ৰক উৎপাদনক্ষম ব্যৱসায়মুখী জলসম্পদ প্ৰকল্পলৈ ৰূপান্তৰ কৰা আৰু বানমুক্ত অসম গঢ়াৰ বাবে ৫০ হেজাৰ কোটি টকাৰ বিশেষ আৰ্থিক পেকেজৰ ব্যৱস্থা কৰা। স্মাৰকপত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী আৰু জলসম্পদ বিভাগৰ মন্ত্ৰীকো প্ৰেৰণ কৰে। ইপিনে, স্মাৰকপত্ৰখন প্ৰদান কৰি মিঞা পৰিষদৰ কেন্দ্ৰীয় সভাপতি এম মহৰ আলীয়ে কয় যে বৰাক- ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈবোৰৰ নদীতলসমূহ খনন কৰিবই লাগিব। কিয়নো ১৯৫০ ৰ আগলৈকে অসমৰ বান-খহনীয়া নিয়ন্ত্ৰিত অৱস্থাত আছিল। কিন্তু ১৯৫০ৰ ১৫ আগষ্টৰ ৮.৭ ৰিখটাৰ স্কেলৰ ভূমিকম্প হোৱাৰ ফলত ব্ৰহ্মপুত্ৰ বৰাক আৰু ইয়াৰ উপ-নৈবোৰৰ নদীতলসমূহ যথেষ্ট বাম হৈ যায়। ইয়াৰ উপৰি বছৰৰ পাছত বছৰ ধৰি উল্লেখিত নদীবোৰত গেদ জমা হোৱাত বহু গুণে বাম হৈ গৈছে। উল্লেখ্য যে চীন দেশৰ চৰকাৰে ৫,৪৬৪ দৈৰ্ঘ্যৰ হোৱাংহো নদী খনন কৰি ৩,১৪৭ মজলীয়া ক্ষুদ্ৰ আকাৰৰ বিভিন্ন আঁচনি লৈ চীন দেশৰ অভিশাপক আশীৰ্বাদলৈ ৰূপান্তৰ কৰিছে। গতিকে ভাৰত চৰকাৰে ১,৩০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজ ভাগত দুই কিলোমিটাৰ মান বহলকৈ খনন কৰি আৰ চিচি ঢালাই মথাউৰি নিৰ্মাণ কৰাটো একো অসম্ভৱ নহয়। গতিকে উল্লিখিত দাবীসমূহ অতি শীঘ্ৰে ৰূপায়ণ কৰিব লাগে বুলি তেওঁ পুনৰ দাবী জনায়।

## টিহুৰ ৰতনপুৰত পশুধনৰ বিনামূলীয়া চিকিৎসা শিবিৰ



অগ্ৰদূত বাৰ্তা

**টিহু, ২৯ জুন ঃ** বিজেপিৰ নলবাৰী জিলা অনুসূচিত জনজাতি মৰ্চা আৰু মথুৰাপুৰ গাঁও পঞ্চায়তৰ উদ্যোগত টিহু ৰাজ্যিক পশু চিকিৎসালয়ৰ সহযোগত আজি টৌমাৰী-ৰতনপুৰ প্ৰাথমিক বিদ্যালয় চৌহদত বানাক্ৰান্ত অঞ্চলটোৰ পশুধনৰ বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। টিহু ৰাজ্যিক পশু চিকিৎসালয় চৌহদত বানাক্ৰান্ত অঞ্চলটোৰ পশুধনৰ বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। টিহু ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাঃ বিচিত্ৰ হালৈৰ নেতৃত্বত চিকিৎসা কৰ্মীৰ এটি দলে অঞ্চলটোৰ টৌমাৰী, কাহাৰপাৰা, পাকৰিতল, পামৈপাৰা, ৰতনপুৰ, বিষ্ণুপুৰ আদিৰ বানাক্ৰান্ত ৰাইজৰ শতাধিক পশুধনৰ চিকিৎসা কৰে। দলটোৱে চিকিৎসা সেৱাৰ লগতে বিনামূলীয়াকৈ ঔষধপাতিও প্ৰদান কৰে। উক্ত কাৰ্যসূচীত পশু চিকিৎসক ডাঃ বিচিত্ৰ হালৈৰ লগতে ৪৩ নম্বৰ মথুৰাপুৰ গাঁও পঞ্চায়তৰ সভাপতি কমলাকান্ত হালৈ, বিজেপিৰ নলবাৰী জিলা অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি অমৰ সিং বড়ো, টিহু ৰাজ্যিক পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়ক কিশোৰ কুমাৰ মহন্ত আৰু অক্ষয় কুমাৰ ঠাকুৰীয়া আদিয়ে অংশগ্ৰহণ কৰে।

## নৰোৱা থানৰ চৌহদত চাফাই-বৃক্ষৰোপণ কাৰ্যসূচী



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ জুন ঃ** জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত নৰোৱা থানত আজি নদুৱাৰ মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ উদ্যোগত আৰু উত্তৰ বৰভগীয়া আঞ্চলিক যুৱ মৰ্চাৰ সহযোগত মন্দিৰ চৌহদত চাফাই অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। যুৱ মৰ্চাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই গুৰুজনাৰ এই পুণ্য স্থানত যুৱ মৰ্চাৰ সদস্যসকলে চাফাই অভিযানৰ লগতে গছপুলি ৰোপণৰে যি মহানতা দেখুৱালে এই লৈ গৌৰৱ অনুভৱ কৰা বুলি কয়। অকল ধৰ্মীয় স্থানতেই নহয় বিদ্যা মন্দিৰ আৰু ৰাজহুৱা স্থানসমূহো সুন্দৰকৈ সজাই পৰাই তোলাৰ দায়িত্ব লওক যুৱ মৰ্চাৰ সদস্যসকলে। যুৱ মৰ্চাৰ এনেধৰণৰ প্ৰতিটো পদক্ষেপত আন্তৰিকতাৰে সহায় কৰি যাব বুলিও মন্তব্য কৰে বিধায়ক হাজৰিকাই। চাফাই আৰু বৃক্ষৰোপণ কাৰ্যসূচীত নদুৱাৰ মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ বিষয়ববীয়া প্ৰমুখ্যে সদস্যসকলৰ উপস্থিতিত বিধায়কজনে এটি গছপুলিও ৰোপণ কৰে নৰোৱা থানৰ চৌহদত।

## মৰাণত নেৰানেপেৰা বৰষুণে জনজীৱন বিপন্ন কৰি তুলিছে

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৯ জুন ঃ** দীৰ্ঘদিন ধৰি দি অহা নেৰানেপেৰা বৰষুণে সমগ্ৰ অসমৰ লগতে মৰাণৰ জনসাধাৰণকো জুলা-কলা খুৱাইছে। ডিব্ৰুগড় আৰু চৰাইদেউ জিলা দুখনৰ সীমামূৰীয়া অঞ্চল মৰাণ নগৰখন দুখন জিলাত বিভক্ত হৈছে। নেৰানেপেৰা বৰষুণে চৰাইদেউ জিলাৰ মৰাণ অঞ্চলটোত বেছি ক্ষতিগ্ৰস্ত কৰা পৰিলক্ষিত হৈছে। বৰষুণৰ ফলত বানপানী হোৱা নাই যদিও বহু ঠাইত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। মৰাণ নগৰৰ ৩৭ নম্বৰ ঘাইপথৰ পৰা মৰাণ-সোণাৰি পথটোৰ দুয়ো কাষে পদপথ নিৰ্মাণৰ কাম চলি থকাত পথটো একেবাৰে জৰাজীৰ্ণ হৈ পৰিছে। পথৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাৰ লগতে বোকা-পানীৰে উপচি পৰাত অহা-যোৱাৰ ক্ষেত্ৰত জনসাধাৰণৰ সাংঘাতিক অসুবিধা হৈছে। মুঠতে নেৰানেপেৰা বৰষুণে ৰাইজৰ জনজীৱন বিপন্ন কৰি তুলিছে। ইফালে, দীৰ্ঘদিন ধৰি নিৰ্মাণ কৰি থকা পদপথৰ কাম লেহেমীয়া হোৱাত জনসাধাৰণ চিন্তিত হৈ পৰিছে। সকলোৱে বৰষুণৰ কথা দোহাৰি দায় সাৰিব বিচাৰে।

## গোৱালপাৰাৰ দুই স্থানপ্ৰাপ্তক আমছুৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা গোৱালপাৰাৰ দুই কৃতিমানক আমছুৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বাণিজ্য শাখাৰ ছাত্ৰী প্ৰিয়াঙ্কী ঘোষে চতুৰ্থও স্থান আৰু কৃষ্ণাই ষ্টেপচ একাডেমীৰ ছাত্ৰ মৃণাল ৰায়ে ষষ্ঠ স্থান দখল কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। আমছুৰ জিলা সভাপতি আনিমুল হক চৌধুৰীৰ নেতৃত্বত সংজাতী দল এটাই দুয়োগৰাকী কৃতিমান শিক্ষাৰ্থীৰ ঘৰত গৈ ফুলাম গামোচা, জাপি আৰু এখনকৈ কিতাপৰে সম্বৰ্ধনা জনায়।

## ভৱানীপুৰত বন্যাৰ্তক সাহায্য শিল্পী ভৃগু কাশ্যপ, গীতালি দেৱী, ৰূপালী কাশ্যপৰ

বিশেষ সংবাদদাতা

**পাঠশালা, ২৯ জুন ঃ** 'মানুহে মানুহৰ বাবে' কথাষাৰক সাৰোগত কৰি ভৱানীপুৰ সমষ্টিৰ বানপীড়িত অঞ্চলত গৈ আজি বন্যাৰ্তৰ কাষত থিয় হ'ল অসমৰ কে'বাগৰাকীও জনপ্ৰিয় শিল্পীয়ে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, গীতালি দেৱী আৰু ৰূপালী কাশ্যপৰ লগতে কে'বাগৰাকী শিল্পীয়ে বানে ধ্বংসলীলা চলোৱা ভৱানীপুৰ বিধানসভা সমষ্টিৰ মেধিকুছি আৰু দঙাৰপাৰ গাঁৱত উপস্থিত হৈ বন্যাৰ্তৰ মাজত বিতৰণ কৰিলে চাউল, আলু, দাইল, মিঠাতেল



আদি খাদ্য সামগ্ৰীৰ লগতে কেতবোৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী। শিল্পীসকলে মেধিকুছিৰ আশ্ৰয় শিবিৰত থকা বন্যাৰ্তৰ সুখ-দুখৰ লগতে সমস্যাৰ বুজ লৈ ভৱিষ্যতেও সাধ্যানুসাৰে আৰ্তজনক সহায় কৰিব বুলি ব্যক্ত কৰে। তেনেদৰে বানে ধ্বংসলীলা চলোৱা ভৱানীপুৰ বিধানসভা সমষ্টিৰ আন এখন গাঁও দঙাৰপাৰতো শিল্পীসকলে উপস্থিত হৈ বন্যাৰ্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে তিনি শতাধিক পৰিয়ালৰ মাজত শিল্পীসকলে খাদ্য সামগ্ৰী বিতৰণ কৰে।

## মক্কাৰ আজিজীয়াত অসমৰ হজযাত্ৰীৰ মাজত খাদ্যৰ সংকট

### হোটেলে হোটেলে গেছ চিলিণ্ডাৰ-খাদ্য যোগানৰ ব্যৱস্থা

**কলগাছিয়া, ২৯ জুন ঃ** মক্কাৰ আজিজীয়াত অসমৰ হজযাত্ৰীসকলে হোটেলত ৰন্ধাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ছৌদি প্ৰশাসনে গেছ চিলিণ্ডাৰৰ পৰা জুই লগাৰ আশংকাত হোটেলৰ পৰা হঠাৎ গেছ চিলিণ্ডাৰসমূহ উঠাই নিয়াৰ পৰিপ্ৰেক্ষিতত অসমৰ হাজীসকলৰ ৰন্ধা-বঢ়া একেবাৰে বন্ধ হৈ পৰে। অৱশ্যে অসমৰ খাদিমূল সুজ্জাই অসম হজ কমিটীৰ অধ্যক্ষ নেকিবুৰ জামানক ঘটনাটো অৱগত কৰে। ইপিনে, অসম হজ কমিটীৰ অধ্যক্ষই বিষয়টো গুৰুত্ব সহকাৰে অসমৰ মুখ্যমন্ত্ৰী আৰু হজ মন্ত্ৰীৰ স'তে আলোচনা কৰে। সেই অনুসৰি কেন্দ্ৰীয় মন্ত্ৰীৰ স'তে ছৌদি প্ৰশাসনৰ লগত হোৱা আলোচনাৰ পাছত আজি পুনৰ হোটেলত গেছ চিলিণ্ডাৰসমূহ যোগান ধৰে। আনহাতে, ছৌদি প্ৰশাসনে খাদ্য সংকটত ভুগি থকা হাজীসকলৰ মাজত খাদ্যৰ পেকেট বিতৰণ কৰে। এই ক্ষেত্ৰত হজ কমিটীৰ অধ্যক্ষ আৰু অসমৰ খাদিমূল সজ্জাসকলৰ এনে পদক্ষেপক হজযাত্ৰীসকলে ভূয়সী প্ৰশংসা কৰিছে।

## ডিগবৈত অৰুণাচলী সুৰাসহ এজনক আটক

**ডিগবৈ, ২৯ জুন ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ডিগবৈ টিংৰাইত আৱকাৰী বিভাগে অভিযান চলায়। বিশেষ সূত্ৰৰ তথ্য ভিত্তিত আৱকাৰী বিষয়া প্ৰশান্ত দত্তৰ নেতৃত্বত চলোৱা অভিযানকালত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাসহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। তথ্য অনুসৰি আটকাধীন যুৱকজন টিংৰাই ষ্টেছনৰ নিবাসী প্ৰয়াত গাণটাই প্ৰধানৰ পুত্ৰ বিতুপন প্ৰধান (২৮)। অভিযান কালত প্ৰায় ৮৩.০৪ লিটাৰ অৰুণাচলী সুৰা জব্দ হয়।



# কমনৱেলথ গেমছৰ ভাৰতীয় লন বল দলত স্থান অসমৰ চাৰি খেলুৱৈৰ

**গুৱাহাটী, ২৯ জুন ঃ** আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় লন বল দলত অসমৰ চাৰি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আজি এই কথা প্ৰকাশ কৰে অসম লন বলিং সন্থাই। উল্লেখ্য যে ভাৰতীয় লন বলিং সন্থাই আজি আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় দলটো আনুষ্ঠানিকভাবে ঘোষণা কৰিছে। নিৰ্বাচিত ১২ জনীয়া দলত স্থান লাভ কৰিছে অসমৰ চাৰি গৰাকী খেলুৱৈয়ে। ভাৰতীয় দলৰ বাবে নিৰ্বাচিত হোৱা অসমৰ চাৰি গৰাকী খেলুৱৈ হ'ল ঃ তানিয়া চৌধুৰী, নয়মমণি শইকীয়া, মৃদুল বৰগোঁহাই আৰু আনন্দ নাৰ্জাৰী। উল্লেখ্য যে বাৰ্মিংহামত অহা ২৮ জুনাইৰ পৰা আঠ আগষ্টলৈ অনুস্থিত হ'ব কমনৱেলথ গেমছ। অসম লন বলিং সন্থাৰ সভাপতি মনোজ শইকীয়া আৰু সম্পাদক নৰ বসুমতাৰীয়ে অসম দলৰ সদস্যসকলক অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে লন বলৰ এই দলটোৰ স'তে সমাগত কমনৱেলথ গেমছত অংশগ্ৰহণ কৰিবলগীয়া অসমৰ খেলুৱৈৰ সংখ্যা এতিয়া আঠগৰাকীলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বে অসম জননীৰ চাৰি সন্তান ক্ৰমে বক্সিঙত অলিম্পিক পদক জয়ী লাভলীনা বৰগোঁহাই আৰু দুবাৰৰ অলিম্পিয়ান শিৱ থাপা, এথলেটিকছত হিমা দাস আৰু ভাৰোত্তোলনত পপী হাজৰিকাই বাৰ্মিংহাম কমনৱেলথ গেমছৰ বাবে যোগ্যতা অৰ্জন কৰিছে ।

# আয়াৰলেণ্ডৰ বিৰুদ্ধে ২-০ ত টি-২০ শৃংখলা লাভ টীম ইণ্ডিয়াৰ

## দ্বিতীয় মেচত চাৰি ৰাণত ৰোমাঞ্চকৰ বিজয় ঃ হুদাৰ শতক

**ডাবলিন, ২৯ জুন ঃ** তৰুণ বেটছমেন দীপক হুদাৰ শতৰাণৰ দৰ্শনীয় ইনিংছ আৰু অন্তিম অভাৰত স্পীড ষ্টাৰ উমৰাণ মালিকৰ নিয়ন্ত্ৰিত বলিঙৰ সহায়ত দ্বিতীয় টি-২০ মেচত আয়াৰলেণ্ডক চাৰি ৰাণত পৰাস্ত কৰি ২-০ ব্যৱধানত দুখনীয়া শৃংখলা হস্তগত কৰিছে যুৱ ক্ৰিকেটাৰ দ্বাৰা গঠিত টীম ইণ্ডিয়াই। উল্লেখ্য ডাবলিনত যোৱানিশা অনুষ্ঠিত মেচখন আছিল যথেষ্ট উত্তেজনাপূৰ্ণ । উত্তেজনা আছিল অন্তিমটো বল পৰ্যন্ত । অৱশেষত চাৰি ৰাণত আয়াৰলেণ্ডক পৰাস্ত কৰিবলৈ সফল হয় ভাৰত। প্ৰথমে বেট ধৰি ভাৰতে দীপক হুদাৰ বিস্ফোৰক ১০৪ ৰাণ আৰু সঞ্জু ছেমচনৰ ৭৭ ৰাণৰ দৰ্শনীয় ইনিংছটোৰ সহায়ত সাত উইকেটৰ বিনিময়ত ২২৫ ৰাণ কৰে। জাতীয় ক্ৰিকেট দলৰ হৈ প্ৰথমটো শতৰাণ কৰা হুদাৰ দমনীয় ইনিংছটোত আছিল নটা বাউণ্ডেৰী আৰু ছটা অভাৰ বাউণ্ডেৰী। মাত্ৰ ৫৭ টা বলত হুদাই সংগ্ৰহ কৰে ১০৪ ৰাণ । দলৰ আনজন নিৰ্ভৰযোগ্য বেটছমেন সঞ্জু ছেমছনৰ সৈতে তেওঁ দ্বিতীয় উইকেটত ১৭৬ ৰাণৰ যুটি বান্ধে। ইফালে, মাত্ৰ ৪২ টা বলৰ সন্মুখীন হৈ ৭৭ ৰাণ কৰে ছেমছনে । প্ৰত্যুত্তৰত আয়াৰলেণ্ডেও ইনিংছ আৰম্ভ কৰি বেটিং ধুমুহা নমাই আনে । অধিনায়ক এণ্ডি বলবাৰ্ণিয়ে ৬০, পল ষ্টাৰ্লিঙে ৪০, জৰ্জ ডকৰেলে ৩৪ ৰাণ আৰু এডায়াৰে বিস্ফোৰক ২৩ ৰাণ কৰি দলক জয়ৰ নিচেই কাষলৈকে লৈ গৈছিল। অন্তিম অভাৰত জয়লাভৰ বাবে আয়াৰলেণ্ডক প্ৰয়োজন আছিল ১৭ ৰাণৰ । দলৰ নবাগত স্পীডষ্টাৰ উমৰাণ মালিকৰ হাতত অন্তিম অভাৰৰ বাবে বল হাতত তুলি দিছিল ভাৰতীয় দলৰ অধিনায়ক হাৰ্ডিক পাণ্ডিয়াই । অভাৰৰ দ্বিতীয় আৰু তৃতীয়টো বলত বাউণ্ডেৰী কোৱাই এডায়াৰে দলক জয়ৰ নিচেই কাষলৈ লৈ যায় যদিও শেষৰ তিনিটা বলত নিয়ন্ত্ৰণ ঘূৰাই পোৱা উমৰাণে ভাৰতক পৰাজয়ৰ গৰাহৰ পৰা উদ্ধাৰ কৰে।



## আন্তঃৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মনোজৰ সোণ লাভ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৯ জুন ঃ** ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ তথা ডিব্ৰুগড় নিবাসী মনোজ দেৱনাথে মালয়েচিয়াত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত ৬৩ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চলিত মাহতে গোৱাত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত অসম সন্তান মনোজে ৬৩ কিলোগ্ৰাম শাখাত সোঁ হাত আৰু বাওঁ হাতত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এতিয়া অহা ছেপ্টেম্বৰত ফ্ৰাঞ্চত অনুষ্ঠিতব্য বিশ্ব পাঞ্জা প্ৰতিযোগিতাত ভাৰতৰ হৈ মনোজে অংশ গ্ৰহণ কৰাৰ বাবে নিবাৰ্চিত হৈছে। মনোজৰ এনে সাফল্যত গৃহ চহৰ ডিব্ৰুগড়ত আনন্দৰ লহৰ উঠিছে।

## গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ শিবিৰ

**যোৰহাট, ২৯ জুন ঃ** কৰ'নাৰ বাবে দুবছৰ ধৰি বন্ধ হৈ থকা অসমৰ ক্ৰীড়াক্ষেত্ৰখন পুনৰ সক্ৰিয় হৈ উঠিছে । যোৰহাট ছুইমিং ছচাইটিয়ে অহা এক জুলাইৰ পৰা আৰম্ভ কৰিবলৈ সাজু হৈছে গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ । পুৱা ৭.১৫ ৰ পৰা ৮ বজালৈ আৰু ৮.১৫ ৰ পৰা ৯ বজালৈ দুটা গ্ৰুপত অনুষ্ঠিত হ'ব এই প্ৰশিক্ষণ কাৰ্যসূচী । ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে এই গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰা হৈছে । এই শিবিৰত অভিজ্ঞ প্ৰশিক্ষকসকলে সাঁতোৰৰ প্ৰাথমিক জ্ঞান দিয়াৰ লগতে জ্যেষ্ঠ খেলুৱৈসকলকো উন্নত প্ৰশিক্ষণ প্ৰদান কৰিব । প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুকসকলে ছচাইটিৰ কাৰ্যালয়ৰ পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি জনাইছে যোৰহাট ছুইমিং ছচাইটিৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰঠাকুৰে।



মালয়েছিয়া অপেনৰ দ্বিতীয় ৰাউণ্ডত পি ভি সিন্ধু

## জি এছ এ 'চি' ডিভিজন ফুটবল লীগলৈ যোগ্যতা নিউ ষ্টাৰ-উদয়নৰ

**গুৱাহাটী, ২৯ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত চি ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাত আজি নিউ ষ্টাৰ ক্লাব আৰু উদয়ন কৃষ্টি সংঘই জয়লাভ কৰি চলিত ছিজনৰ চি ডিভিজন ফুটবল লীগৰ বাবে যোগ্যতা অৰ্জন কৰিছে । আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত চি ডিভিজন কোৱালিফায়িং ৰাউণ্ডৰ অন্তিম দুখন খেলত নিউ ষ্টাৰ ক্লাবে কে এম চিক ১-০ গ'লত আৰু উদয়ন কৃষ্টি সংঘই আছাম ৰাৰিয়ৰ্ছক টাইব্ৰেকাৰত ৪-৩ গ'লত পৰাস্ত কৰে । এই বিজয় সূত্ৰে দল দুটা চি ডিভিজন ফুটবল লীগলৈ উন্নীত হৈছে। অহা দুই জুলাইৰ পৰা চি আৰু বি ডিভিজন লীগ নেহৰু ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

## কাৰাটেত পদক অংকুৰজ্যোতিৰ

**অগ্ৰদূতবাৰ্তা, গৌৰীসাগৰ,২৯ জুন ঃ** বংগৰ চালচাত যোৱা ছাউথ এছিয়ান আচিহাৰা কাৰাটেত শিৱসাগৰ জিলাৰ পুৰণি পুখুৰীৰ অংকুৰজ্যোতি দাসে সোণৰ পদক অৰ্জনেৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে।

ভাৰত,বাংলাদেশ,নেপালকে ধৰি বহুকেইখন দেশৰ খেলুৱৈয়ে অংশ গ্ৰহন কৰা প্ৰতিযোগিতাখনত অংকুৰজ্যোতি দাসে ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। খেলুৱৈ গৰাকী নিজ জিলাত উপস্থিত হোৱাৰ পাছতে বিভিন্ন দল সংগঠনৰ লগতে গাৱঁৰ যুৱকসকলে বাইক ৰেলিৰে শোভাযাত্ৰা কৰি উষ্ম আদৰণি জনায়। অংকুৰজ্যোতি দাসৰ উপৰি শিৱসাগৰ জিলাৰ পৰা যোৱা আন ১৯ গৰাকীকৈ খেলুৱৈয়ে পদক লাভ কৰিবলৈ সক্ষম হয়। তাৰে ছগৰাকীয়ে সোণৰ পদক,৯গৰাকীয়ে ৰূপৰ আৰু তিনি গৰাকীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। দলটোক অসমৰ মুখ্য কাৰিকৰী নিৰ্দেশক চেনচেই হেমন্ত বৰঠাকুৰৰ নেতৃত্বত প্ৰশিক্ষক চেনচেই ক্ৰমে কমল চেতিয়া, কুতুবুদ্দিন আহমেদ,ৰাজীৱ দাস,পৰশ দিহিঙিয়া, ডিমেশ্বৰ বৰদলৈ,দিপাংকৰ গগৈ,দেৱজিৎ বৰা,সংগীতা আৰান্ধৰাৰ উপৰি পাৰ্থ চেতিয়া নেতৃত্ব প্ৰদান কৰিছিল ।

## দ্বিতীয় পৰীক্ষাতো কৰ'না মুক্ত নহ'ল ৰোহিত

# ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট মেচত ভাৰতক নেতৃত্ব দিব বুমৰাহে



**লণ্ডন, ২৯ জুন ঃ** ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্টখনত ভাৰতীয় দলক নেতৃত্ব দিব পেচ বলাৰ যশপ্ৰীত বুমৰাহে। কাৰণ দ্বিতীয় পৰীক্ষাতো কৰ'না মুক্ত নহ'ল ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা। উল্লেখ্য যে লিছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত বি চি চি আয়ে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছিল। সেয়ে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছিল। এতিয়া দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ভাৰতীয় দলটো হ'ল ঃ ৰোহিত শৰ্মা, লোকেছ ৰাহুল, শুভমন গিল, মায়ংক আগৰৱাল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰযিদ্ধ কৃষ্ণা।



উইম্বলডনৰ পৰা বিদায় ল'লে ছেৰেণাই।

## ছয় জুলাই পৰা যোৰহাট ক্ৰীড়া সন্থাৰ ফুটবল লীগ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৯ জুন ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন লীগ তথা নক আউট ফুটবল প্ৰতিযোগিতা খন অহা ছয় জুলাইৰ পৰা যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব । যোৱা ২৫ জুনত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ ভৱনত এ ডিভিজনৰ ক্লাৱ সমূহৰ উপস্থিতিত এ আৰু বি গ্ৰুপৰ তালিকা প্ৰস্তুত কৰা হয়। 'এ' গ্ৰুপত ভিক্টোৰিয়াচ ক্লাৱ, ৰেডিয়েন্ট ক্লাৱ, গোহাঁই টেকেলা ফুটবল ক্লাৱ, ৰমাকান্ত ফুটবল ক্লাৱ আৰু বৰভেটা স্প'টছ ক্লাৱ থকাৰ বিপৰীতে 'বি' গ্ৰুপত যোৰহাট টাউন ক্লাৱ, মিলনজ্যোতি সংঘ চটাই, অল ষ্টাৰ ক্লাৱ, কেন্দ্ৰীয় ক্লাৱ টিয়ক, নেপথ্য ক্লাৱ আছে । ছয় জুলাইত প্ৰথমখন খেলত অংশ গ্ৰহণ কৰিব ভিক্টোৰিয়াচ ক্লাৱ আৰু ৰেডিয়েন্ট ক্লাৱে । সাত জুলাইৰ দ্বিতীয়খন খেলত যোৰহাট টাউন ক্লাৱে খেলিব মিলনজ্যোতি সংঘ চটাইৰ বিৰুদ্ধে । উল্লেখ্য যে মুঠ দহটা দলৰ মাজত অনুষ্ঠিত হ'বলগীয়া এ ডিভিজন লীগ ফুটবল প্ৰতিযোগিতাত ভালেকেইটা ক্লাৱে কাষৰীয়া ৰাজ্য মনিপুৰ, মিজোৰাম, অৰুনাচল, পশ্চিম বংগ খেলুৱৈ যোগাযোগ কৰি পঞ্জিয়নৰ ব্যৱস্থা গ্ৰহণ কৰিছে । যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আকৰ্ষণীয় এ ডিভিজন ফুটবল প্ৰতিযোগিতাত ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহায় সহযোগিতাৰ লগতে উপস্থিতি যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি-সাধাৰণ সম্পাদক ক্ৰমে শান্তনু পূজাৰী আৰু জুল খাউণ্ডে কামনা কৰিছে।

## ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# ছেমিফাইনেলত অৰুণাচল-বিহাৰ



**গুৱাহাটী, ২৯ জুন ঃ** মনিপুৰক পৰাস্ত কৰি চমক সৃষ্টিৰে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে বিহাৰে। উল্লেখ্য যে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত বিহাৰে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মনিপুৰক। বিহাৰৰ হৈ গ'ল কৰে শ্ৰুতি কুমাৰী (২৫ মিনিট), ছাবাৰা খাতুন (৬৬ মিনিট) আৰু লুকী কুমাৰীয়ে (৮৭ মিনিট)। আনহাতে, মনিপুৰৰ হৈ গ'ল কৰে সঞ্জিতা দেৱী (৬৭ মিনিট) আৰু ববিতা দেৱীয়ে (১৫ মিনিট)। উল্লেখ্য যে উভয় দলে অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। গ্ৰুপ 'এ'ৰ পৰা চেম্পিয়ন হৈ মনিপুৰে ন পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, বিহাৰ মহিলা দলেও অপৰাজেয় হৈ চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, আজি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আন এখন কোৱাৰ্টাৰ ফাইনেলত অৰুনাচলে ১-০ গ'লৰ ব্যৱধানত চত্তিছগড়ক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। দলৰ বিজয় সুচক গ'লটো কৰে টালু আনাই। ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কাইলৈ হ'বলগা কোৱাৰ্টাৰ ফাইনেলত দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালী দলে খেলিব কেৰালাৰ বিৰুদ্ধে। আনহাতে, হাৰিয়ানাই খেলিব বংগৰ বিৰুদ্ধে।




উইম্বলডনত নাডাল

## আছুৰ এমহীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ

**ডিগবৈ,২৯ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিৰ সৌজন্যত অইল ইণ্ডিয়া লিমিটেড দুলীয়াজানৰ সহযোগত লক্ষীপথাৰ শাখা আছুৰ উদ্যোগত এমহীয়াকৈ ফুটবল প্ৰশিক্ষণ শিবিৰৰ অয়োজিত কৰা হৈছে । লক্ষীপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা প্ৰশিক্ষণ শিবিৰটো যোৱা ২৭ জুনত আৰম্ভ হয় । সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক চাবুৱাৰ জুলেন চুত্ৰাৰ দ্বাৰা আগ্ৰহী প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে । প্ৰশিক্ষণ শিবিৰটোত বৃহত্তৰ লক্ষীপথাৰকে আদি কৰি ডিগবৈ কাষৰীয়া অঞ্চলৰ প্ৰায় ৬০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে । প্ৰশিক্ষণ শিবিৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে আছু কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিখিল কোঁচ, শিক্ষক খীৰ বাহাদুৰ ছেত্ৰী, প্ৰাক্তন খেলুৱৈ যোগেন পাটোৱাৰী ,১৮ নম্বৰ গাৰোৱাল ৰাইফলছৰ কেপ্তেইন আদিত্য সিং ৰাণা।



## অসম কাবাদী সন্থাৰ কাৰ্যনিৰ্বাহ সভা



**গুৱাহাটী, ২৯ জুন ঃ** অসমৰ কাবাডীয়ে এতিয়া নতুন ৰূপ লোৱাৰ পথত আগবাঢ়িছে। উল্লেখ্য যে নতুন কমিটীয়ে দায়িত্বভাৰ লোৱাৰ পিছত অসম কাবাদী সন্থাৰ সভাপতি ভুৱনেশ্বৰ কলিতাৰ সভাপতিত্বত নেহেৰু ষ্টেডিয়ামত আজি প্ৰথমখন কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হয়। সভাত অসমৰ কাবাদীৰ প্ৰদৰ্শন উন্নতমানৰ কৰি তোলাৰ লগতে কাবাদী খেলুৱৈ সকলৰ সম্পৰ্কত বিভিন্ন দিশ আলোচনা কৰা হয়। উল্লেখ্য যে এইবাৰ অসমৰ কাবাদীক আগবঢ়াই লৈ যোৱাৰ বাবে সন্থাই দায়িত্ব প্ৰদান কৰিছে যুৱ ক্ৰীড়া সংগঠক আলোক ত্ৰিপাঠীক। এতিয়াৰে পৰা অনুষ্ঠিত হ'বলগীয়া কাবাডী প্ৰতিযোগিতাসমূহত কোনো বহিঃৰাজ্যৰ খেলুৱৈয়ে অসম দলক প্ৰতিনিধিত্ব কৰি নোৱাৰিব বুলি সভাত এক গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে অসম কাবাডী সন্থাৰ সম্পাদক ত্ৰিপাঠীয়ে। আনহাতে এই সভাত সভাপতিৰ আসন অলংকৃত কৰা ভুৱনেশ্বৰ কলিতাই কাবাডী খেলৰ জৰিয়তে সমাজখনক কিদৰে আগুৱাই নিব যায় সেই উদ্দেশ্য আগত ৰাখি নতুন পৰিকল্পনা হাতত লব লাগে বুলি সভাত মন্তব্য প্ৰকাশ কৰে। আজি অনুষ্ঠিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত সভাপতি-সম্পাদকৰ লগতে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ,অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিছা,অসম কাবাডী সন্থাৰ কাৰ্যকৰী সভাপতি আবেদুৰ ৰহমানকে প্ৰমুখ্য কৰি সন্থাৰ বিষয়-ববীয়াসকল উপস্থিত থাকে।


## বিল্যাসনন্দন চ'ৰা



## ভূতৰ ওপৰত দানহ

**ঃ হেৰা,** বহুদিন বিশ্বাস হোৱা নাছিলহে এটা কথা। এইবাৰ কিন্তু বিশ্বাস হৈ গ'ল।
ঃ কি কথা?
ঃ বহুতে ইমানদিনে কৈ আছিল...
ঃ কি কৈ আছিল?
ঃ কৈ আছিল যে ভূতৰ ওপৰত দানহ পৰে।
ঃ পৰেতো!
ঃ মই কিন্তু বিশ্বাস কৰা নাছিলো।
ঃ এইবাৰ কেনেকৈ বিশ্বাস কৰিলা?
ঃ দেখিলো নহয়।
ঃ কি দেখিলা?
ঃ কৰ'না কৰ'না বুলি দীঘলীয়া সময় এটা গ'ল।
ঃ গ'ল।
ঃ মানুহক চৌদিশৰ পৰা চাফা কৰি দিলে।
ঃ সৰ চাফা।
ঃ মানুহৰ কঁকাল বেঁকা হৈ গ'ল।
ঃ ভাঙি গৈছে কঁকাল।
ঃ চাকৰি-বাকৰি সৰ শেষ।
ঃ বেকাৰেই বেকাৰ।
ঃ বেপাৰ-বাণিজ্য চাফা।
ঃ সৰ দোকানতে লাল বাট্টি।
ঃ পঢ়া-শুনা চাফা।
ঃ পঢ়া-শুনাৰ সলনি ম'বাইল চাবলৈ শিকিলে।
ঃ সেইবোৰৰ পাছত আহিল বান।
ঃ ভয়ংকৰ।
ঃ ৰাস্তা-ঘাট ভাঙি তহিলং।
ঃ টুকুৰা-টুকুৰ।
ঃ মথাউৰিবোৰ সৰ ভাঙি শেষ।
ঃ পূৰা চাফা।
ঃ গাঁও-ভূঁই চাফা।
ঃ চাফা।
ঃ ঘৰ-সম্পত্তি সৰ শেষ।
ঃ উটি-ভাহি গ'ল।
ঃ হাঁহ-কুকুৰা সৰ...
ঃ পানীৰ তলত।
ঃ ফিচাৰী...
ঃ সৰ মাছ ওলাই গ'ল।
ঃ কোনেও ক'লৈকো যাব নোৱৰা হৈছে।
ঃ ৰাস্তা বন্ধ।
ঃ সিপিনে আকৌ টকাৰ দাম কমি আহিছে।
ঃ ষ্টক বজাৰত টকাৰ অৱস্থা খুব বেয়া।
ঃ সিপিনে আকৌ চাউলৰ দামো বাঢ়িছে।
ঃ তামাম বাঢ়িছে।
ঃ সস্তীয়া চাউলবিধৰ দামেই কুইণ্টলত চাৰিশ টকা বাঢ়িছে।
ঃ ভয়ানক কথা হৈছে।
ঃ এইবোৰ ঘটনা একেলগে কিয় ঘটিছেহে?

এই একেবোৰ প্ৰশ্ন দিল্লীৰ দৰবাৰতো আলোচিত হৈছে। দিল্লীৰ বাদশ্বাহৰ হাতত পিছে ইয়াৰ প্ৰতিটো প্ৰশ্নৰে উত্তৰ মজুত আছে। বাদশ্বাহে কৈছে— 'এইবোৰ কিয় ঘটিছে মই জানো।'



ঃ কিয় ঘটিছে জাহাপনা?
ঃ আখামত এইবাৰ ইমান বেছি বানপানী কিয় হৈছে জানা?
ঃ কিয় হৈছে?
ঃ কাৰণ এইবাৰ নমামি পতা হোৱা নাই।
ঃ চাউলৰ দাম কিয় বাঢ়িছে?
ঃ কৃষকে খেতি নকৰি আন্দোলন কৰা কাৰণে।
ঃ টকাৰ কিয় পতন ঘটিছে?
ঃ তাৰ বাবে অৱশ্যে আমি নিজেই দোষী।
ঃ কিয় জাহাপনা?
ঃ আমি এটা ভুল কৰি আহিছো।
ঃ ভাল অৰ্থনীতিবিদৰ লগত আলোচনা কৰা নাই নেকি জাহাপনা?
ঃ নহয়।
ঃ তেন্তে?
ঃ জাগাই জাগাই আমি শিৱ মন্দিৰ পাতিছো, বিষ্ণু মন্দিৰ পাতিছো। সেইবোৰ মন্দিৰৰ পুনৰ্নিৰ্মাণৰ কাৰণে টকা দিছো। কিন্তু...
ঃ কিন্তু কি জাহাপনা?
ঃ আমি লক্ষ্মী মন্দিৰ বৰ বেছি স্থাপন কৰা নাই। টকাটোৰ সেই বাবে পতন ঘটি আছে।

## তেজপুৰৰ নেহৰু ময়দানত বেচৰকাৰী-বাণিজ্যিক কাৰ্যসূচী বন্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ জুন ঃ** তেজপুৰৰ এক ঐতিহাসিক বাকৰি নেহৰু ময়দানত অনুষ্ঠিত হ'ব নোৱাৰিব কোনোধৰণৰ বেচৰকাৰী আৰু বাণিজ্যিক কাৰ্যসূচী। আজি এই ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে স্থানীয় প্ৰশাসনে। উল্লেখ্য যে শোণিতপুৰ জিলা প্ৰশাসনে আজি প্ৰকাশ কৰা এক নিৰ্দেশৰ জৰিয়তে তেজপুৰ চাৰ্চ ফিল্ড তথা নেহৰু ময়দানত জিলা প্ৰশাসনে বিশেষভাৱে অনুমতি দিয়া চৰকাৰী কাৰ্যসূচী, কাৰ্যকলাপৰ বাহিৰে সকলো ধৰণৰ বাণিজ্য মেলা, আনন্দ মেলা, অন্যান্য সাংস্কৃতিক কাৰ্যসূচীকে ধৰি সকলো বাণিজ্যিক কাৰ্যকলাপ অনুষ্ঠিত কৰাৰ ওপৰত বাধা আৰোপ কৰিছে। এই আদেশ পহিলা জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু পুনৰ আদেশ নিদিয়া লৈকে বাহাল থাকিব বুলিও কোৱা হৈছে। উল্লেখ্য যে শোণিতপুৰৰ বাবে নিৰ্ধাৰিত কৰি ৰখা কুচ-কাৱাজ নেহৰু ময়দানখন যোৱা সময়ছোৱাত অনুষ্ঠিত বেচৰকাৰী আৰু বাণিজ্যিক কাৰ্যসূচীৰ সসময়ত যথেষ্ট ক্ষতি হয়। চহৰখনৰ মাজৰ এই পথাৰখন এনে একাংশ আয়োজকে ব্যৱহাৰ কৰাৰ পাছত ইয়াত গাঁত আৰু আৱৰ্জনাৰে ভৰি পৰে। এনে অবিবেচকভাৱে ব্যৱহাৰৰ ফলত নেহৰু ময়দানৰ ক্ষয়-ক্ষতি হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তথা চৰকাৰৰ নিৰ্দেশ অনুসৰি শোণিতপুৰ প্ৰশাসনে আজি এই আদেশ জাৰি কৰে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

কৰ'না ভাইৰাছৰ প্ৰকোপত তলাবন্ধ ঘোষণা কৰা হৈছিল প্ৰায় সমগ্ৰ বিশ্বত। যাৰ ফলত মানুহে নানা দুৰ্ভোগৰ সন্মুখীন হৈছিল। মানুহৰ পাছত এইবাৰ তলাবন্ধৰ কবলত পৰিছে মৌমাখি। কাৰণ এই মৌমাখিৰ বাবেও প্ৰাণৰ সংশয় মাতি আনিছে এবিধ ভাইৰাছে। এই প্ৰাণঘাতী ভাইৰাছৰ পৰা মৌমাখিক ৰক্ষা কৰাৰ বাবেই সম্প্ৰতি তলাবন্ধ ঘোষণা কৰিছে অষ্ট্ৰেলিয়াৰ প্ৰশাসনে।



## মানুহৰ পাছত এইবাৰ তলাবন্ধৰ কবলত মৌমাখি

### প্ৰাণঘাতী ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ বন্দী হৈ থাকিব মৌচাকতে

**নিউজ ব্যুৰ'**

**ছিডনী, ২৯ জুন ঃ** কৰ'না ভাইৰাছৰ প্ৰকোপত তলাবন্ধ ঘোষণা কৰা হৈছিল প্ৰায় সমগ্ৰ বিশ্বত। যাৰ ফলত মানুহে নানা দুৰ্ভোগৰ সন্মুখীন হৈছিল। মানুহৰ পাছত এইবাৰ তলাবন্ধৰ কবলত পৰিছে মৌমাখি। কাৰণ এই মৌমাখিৰ বাবেও প্ৰাণৰ সংশয় মাতি আনিছে এবিধ ভাইৰাছে। এই প্ৰাণঘাতী ভাইৰাছৰ পৰা মৌমাখিক ৰক্ষা কৰাৰ বাবেই সম্প্ৰতি তলাবন্ধ ঘোষণা কৰিছে অষ্ট্ৰেলিয়াৰ প্ৰশাসনে।

ৰোগ যাতে নাবাঢ়ে, তাৰ বাবেই কোৱাৰেণ্টাইন জ'ন সৃষ্টি কৰি কে'বা লক্ষ ৰোগগ্ৰস্ত মৌমাখিক পৃথকে ৰখাৰ ব্যৱস্থা কৰা হৈছে। লেকাম টনা হৈছে ওচৰ-পাজৰৰ মৌমাখি খেতিৰ কেন্দ্ৰসমূহতো। ঠিক কৰ'নাৰ সংক্ৰমণ ৰোধৰ বাবে তলাবন্ধ ঘোষণা কৰি মানুহক গৃহবন্দী কৰি ৰখাৰ দৰেই ব্যৱস্থা কৰা হৈছে। মানুহে যাতে নিয়ম মানি থাকে তাৰ বাবে আৰক্ষী নিয়োজিত কৰা হৈছিল। অষ্ট্ৰেলিয়াত মৌমাখিক নিয়ন্ত্ৰণৰ বাবে অৱশ্যে 'বী-কীপাৰ' বা মৌ-পালকসকলক দায়িত্ব দিয়া হৈছে। এই মৌ-পালকসকলে মৌমাখিৰ খেতি কৰে আৰু সিহঁতক চোৱা-চিতা কৰি মৌ সংগ্ৰহ কৰে। উল্লেখ্য যে কিছুদিনৰ আগৰে পৰা অষ্ট্ৰেলিয়াত এক পৰজীৱী পোকৰ প্ৰাদুৰ্ভাৱ হৈছে। আকাৰত এটা ক্ষুদ্ৰ তিলৰ সমান এই পোকবিধেই মৌমাখিৰ শৰীৰত ভাইৰাছ বিয়পাই বুলি একাংশ বিশেষজ্ঞই জনাইছে। সেই ভাইৰাছত আক্ৰান্ত হৈয়ে লক্ষ লক্ষ মৌমাখিৰ ইতিমধ্যে মৃত্যু হৈছে। এই ৰোগ বিয়পি পৰিলে অষ্ট্ৰেলিয়াৰ মৌ ব্যৱসায়ীসকলৰ কে'বা কোটি ডলাৰৰ আৰ্থিক ক্ষতি হোৱাৰ আশংকা কৰিছে প্ৰশাসনে। সেইবাবেই আগতীয়াকৈ সতৰ্ক হোৱাৰ ব্যৱস্থা কৰা হৈছে। এই পৰজীৱী পোকবিধৰ নাম হৈছে ভাৰোৱা ডেষ্ট্ৰাক্টৰ। যোৱা সপ্তাহত ছিডনীৰ এটা বন্দৰত এই পোক বিধৰ প্ৰথম সন্ধান পোৱা যায়। তাৰ কিছুদিনৰ ভিতৰতে সেই বন্দৰৰ পৰা এশ কিলোমিটাৰ দূৰৰ এটা মৌচাকত ভাৰোৱা সংক্ৰমণৰ খবৰ দিয়ে স্থানীয় লোকে। তাৰ পাছতে সেই মৌচাক আৰু তাৰ সংলগ্ন মৌমাখিৰ খেতিৰ অঞ্চলসমূহক এটা বায়' ছিকিউৰিটী জ'নত ঘেৰি পেলোৱাৰ নিৰ্দেশ দিয়ে অষ্ট্ৰেলিয়াৰ প্ৰশাসনে। উল্লেখ্য যে ভাৰোৱাক মৌমাখিৰ জগতখনৰ সবাতোকৈ ক্ষতিকৰ সংক্ৰামক বুলি গণ্য কৰা হয়। ইমানদিনে অষ্ট্ৰেলিয়া এই সংক্ৰামক কীটমুক্ত আছিল।



## মঙলৰ প্ৰথম পূৰ্ণাংগ মানচিত্ৰ প্ৰস্তুত কৰিলে চীনে

**নিউজ ব্যুৰ'**

**বেইজিং, ২৯ জুন ঃ** মঙল গ্ৰহৰ প্ৰথম পূৰ্ণাংগ ত্ৰিমাসিক মানচিত্ৰ প্ৰস্তুত কৰা বুলি দাবী কৰিলে চীনে। চীনৰ মহাকাশ গৱেষণা সংস্থা 'চাইনা নেচনেল স্পেচ এডমিনিষ্ট্ৰেছন (চিএনএছএ)ৰ তৰফৰ পৰা জনাইছে যে তেওঁলোকে প্ৰেৰণ কৰা 'টিয়ানৱেন-১' নামৰ মহাকাশ যানখনে পূৰ্ব নিৰ্দিষ্ট কক্ষপথত ১,৩০০বা ৰঙা গ্ৰহক প্ৰদক্ষিণ কৰি এই নিখুঁত মানচিত্ৰ প্ৰস্তুত কৰিছে।

২০২০ৰ জুলাইত পৃথিৱীৰ পৰা প্ৰায় ১০ কোটি কিলোমিটাৰ দূৰত্বৰ মঙল গ্ৰহলৈ ৰাওনা হৈছিল চীনা মহাকাশ বিজ্ঞানীয়ে নিৰ্মাণ কৰা যানখন। চীনৰ দক্ষিণ উপকূলৰ হায়নান দ্বীপৰ পৰা 'লং মাৰ্চ-৫' ৰকেটত উঠি মহাকাশ যাত্ৰা আৰম্ভ কৰাৰ সাত মাহৰ পাছত ২০২১ৰ ফেব্ৰুৱাৰীৰ শেষত 'টিয়ানৱান-১' যান মঙলৰ কক্ষপথত উপস্থিত হয়। ইয়াৰ পাছত মহাকাশ যানৰ পৰা এখন লেণ্ডাৰ আৰু এখন ৰোভাৰে ৰঙা গ্ৰহৰ ইউটোপিয়া অঞ্চলত অৱতৰণ কৰিছিল। মঙলপৃষ্ঠৰ মাটি-পাথৰ, বৰফৰ নমুনা সংগ্ৰহৰ সমান্তৰালকৈ বাৰে বাৰে গ্ৰহটোক প্ৰদক্ষিণ কৰি ফটো তোলাৰ কাম অব্যাহত ৰাখিছিল। ইয়াৰ ভিতৰত আছিল চাৰি হেজাৰ কিলোমিটাৰ দীঘল গিৰিখাদ ভেলেচ মেৰিনাৰিচেৰ, মঙল গ্ৰহৰ উত্তৰৰ 'আৰব টেৰা' নামে পৰিচিত উচ্চভূমিৰ নানা অসমতল প্ৰান্তৰ আৰু গহ্বৰ, আনকি দক্ষিণ মেৰু অঞ্চল আৰু মৃত আগ্নেয়গিৰি এছক্ৰেয়াছ মোনছৰ উচ্চ ৰিজ'লিউছন বিশিষ্ট চিত্ৰ। সেইবোৰৰ সাহায্যতে মঙলৰ প্ৰথম পূৰ্ণাংগ ত্ৰিমাত্ৰিক মানচিত্ৰ প্ৰস্তুত কৰাত সফল হৈছে চীন।

প্ৰসংগক্ৰমে তুলনাত অনেক পাছত মহাকাশ অভিযান আৰম্ভ কৰাৰ পাছতো আমেৰিকা, ৰাছিয়া, ভাৰত, জাপানৰ উপৰি ইউৰোপৰ দেশসমূহক কিছু পৰিমাণে চমক দি চীনে ২০০৩ত মহাকাশচাৰী মহাকাশলৈ প্ৰেৰণ কৰিব পাৰিছিল। সেই চীনেই ২০২২ত পৃথিৱীৰ কক্ষপথত নিজৰ মহাকাশ কেন্দ্ৰও স্থাপন কৰিব বিচাৰিছে।

## তেলেংগানাৰ পৰা ২০৮ দিন খোজকাঢ়ি বিশ্বনাথত উপস্থিত হ'ল ২৩ বছৰীয়া যুৱক

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ জুন ঃ** 'ছেভ নেচাৰ, ছেভ ট্ৰিছ' শীৰ্ষক শ্ল'গানৰে দক্ষিণ ভাৰতৰ এজন ২৩ বছৰীয়া যুৱকে সম্পূৰ্ণ ২০৮ দিন খোজকাঢ়ি আজি বিশ্বনাথত উপস্থিত হয়। সম্বল বুলিবলৈ পিঠিত এটা বেগ, হাতত ম'বাইলটো আৰু ৰাষ্ট্ৰীয় পতাকাখন। অকলশৰীয়া এক দুঃসাহসিক যাত্ৰা। যুৱকজনৰ ঘৰ তেলেংগানাৰ হায়দৰাবাদ, নাম শ্ৰীকান্ত কল্যাণ। ইতিমধ্যে যুৱকজনে এককভাৱে দেশৰ ২৫ খন ৰাজ্য খোজকাঢ়ি অতিক্ৰম কৰি এতিয়া উপস্থিত হৈছে বিশ্বনাথত। বিশ্বনাথৰ পৰা যুৱকজনে পুনৰ আজি যাত্ৰা আৰম্ভ কৰিছে অৰুণাচলৰ ইটানগৰলৈ। যুৱকজনে এইদৰেই খোজকাঢ়ি দেশৰ প্ৰতিখন ৰাজ্য ভ্ৰমণ কৰিব বুলি সদৰী কৰিছে। ইতিমধ্যে ২৫ খন ৰাজ্য খোজকাঢ়ি ভ্ৰমণ কৰা শ্ৰীকান্ত কল্যাণে বাকী থকা ৰাজ্যসমূহ এনেদৰে খোজকাঢ়ি ভ্ৰমণ কৰিবলৈ আৰু পাঁচমাহ লাগিব বুলি জানিব দিছে যুৱকজনে। আধুনিক যুগত জনতাৰ দৃষ্টি আকৰ্ষণ কৰাৰ স্বাৰ্থত এনেধৰণৰ যাত্ৰা কেৱল দুঃসাহসিকতা বুলি ক'ব নোৱাৰি। কিয়নো অদম্য ইচ্ছা শক্তি আৰু কষ্টকৰ এনে যাত্ৰাৰে শ্ৰীকান্তই দেশবাসীক ক্ষয়িষ্ণু প্ৰকৃতিৰ প্ৰতি সজাগ কৰাৰ চেষ্টা অৱশ্যেই প্ৰশংসনীয়। দুভৰিৰ সামৰ্থৰ ওপৰত নিৰ্ভৰশীল এই ২৩ বছৰীয়া যুৱকজন কিন্তু সপ্ৰতীভ আৰু এই দুৰ্গম যাত্ৰা অতিক্ৰমৰ ব্ৰতত অটল।



## শোণিতপুৰৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৃষি সঞ্চালকৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ জুন ঃ** ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ সঞ্চালক অনন্ত লাল জ্ঞানীয়ে আজি শোণিতপুৰৰ ঢেকিয়াজুলিত উপস্থিত হৈ শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। বৰছলাৰ বিধায়ক গণেশ লিম্বু, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, ৰাজহ চক্ৰ বিষয়া তন্ময় বৰা আৰু জিলা কৃষি বিভাগৰ উচ্চপদস্থ বিষয়াৰ স'তে তেওঁ পাচনৈ আৰু ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে সংযোগ বিচ্ছিন্ন কৰা বৰছলা সমষ্টিৰ অন্তৰ্গত টেংগবস্তীত উপস্থিত হৈ বানাক্ৰান্ত ৰাইজৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে বৰ্তমান বান পৰিস্থিতিৰ বাবে মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ পৰা টেংগবস্তি অঞ্চলত প্ৰায় ২৫০ টা পৰিয়াল বাস কৰি আছে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ এক নিৰ্দেশ অনুসৰি চৰকাৰৰ উচ্চপদস্থ বিষয়াসকলক শেহতীয়া বানপানীত ক্ষতিগ্ৰস্ত জিলাসমূহ পৰিদৰ্শন কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষি সঞ্চালকজনে লগতে বানৰ সময়ত চপাই নৈৰ বাঢ়নী পানীয়ে যথেষ্ট ক্ষতিগ্ৰস্ত কৰা মনাবাগ চাহ বাগিচাৰ শ্ৰমিক লাইনটোও পৰিদৰ্শন কৰে। বানৰ সময়ত শ্ৰমিক লাইনৰ বাসিন্দাসকলক পানবাৰী মডেল হাইস্কুলত স্থাপন কৰা সাহায্য শিবিৰত আশ্ৰয় প্ৰদান কৰা হৈছিল আৰু তেওঁলোক যাতে সোনকালে নিজৰ ঘৰলৈ উভতি যাব পাৰে তাৰ বাবে বৰ্তমান শ্ৰমিক লাইন পুনৰুদ্ধাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। উল্লেখ্য যে এইপৰ্যন্ত এই সকল লোক নিজা বাসগৃহলৈ উভটিবলৈ সক্ষম হোৱা নাই। তদুপৰি, উপৰ্য্যুপৰি দুটা বান আৰু বৰ্তমান পুণৰ আৰম্ভ হোৱা বৰষুণে কৃষকসকলৰ অৱস্থা শোচনীয় কৰিছে জিলাখনত।

## অসমৰ শিক্ষা জগতৰ এটি দুৰ্ভাগ্যজনক দিন

### ■ এটকাও নোপোৱাকৈ বিদায় মাগিলে এগৰাকী দুৰ্ভগীয়া শিক্ষয়িত্ৰীয়ে ■ ২৬ বছৰে বিনা বেতনে কাম কৰা ভাগ্য দেৱীক গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ে জনালে আবেগিক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৯ জুন ঃ** 'শিক্ষক হ'ল এডাল মমবাতিৰ দৰে, যিয়ে নিজে গলি আনক পোহৰ দিয়ে।' সম্পূৰ্ণ ২৬ বছৰৰ শিক্ষকতাৰ দৰে মহান বৃত্তিত নিয়োজিত হৈ অক্লান্ত পৰিশ্ৰমৰ মূৰত পাৰিশ্ৰমিক পালে মাত্ৰ এখন বিদায় সভা আৰু শুভাকাংক্ষীৰ অকুণ্ঠ মৰম। চকুলো টুকি টুকি গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ভাগ্য দেৱীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মৰম-শ্ৰদ্ধা বুকুত বান্ধি আজি নীৰৱে বিদায় মাগিলে। ওদালগুৰি জিলাৰ গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মৰমৰ ভাগ্য বাইদেউক আজি গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৰ্তৃপক্ষই লগতে শিক্ষাৰ্থীসকলেও দুচকু মচি বিদায় সম্ভাষণ জনালে। সুদীৰ্ঘ ২৬ বছৰৰ সময়ছোৱাত তেওঁ অতি নিষ্ঠাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিলে। নিষ্ঠাৰে, সততাৰে শিক্ষকতাৰ দৰে মহান বৃত্তি এটাত নিজৰ জীৱনৰ অধিক কাল নিয়োজিত কৰাৰ বিনিময়ত তেওঁ কিন্তু কোনো ধৰণৰ মাননি নাপালে আৰু নিয়মীয়া শিক্ষকৰ মৰ্যাদা পাবলৈ অপাৰগ হৈ ৰ'ল। তেওঁ পালে মাথোঁ প্ৰচুৰ আশা, ৰজাঘৰীয়াৰ প্ৰতাৰণা আৰু ৰাইজৰ সমবেদনা। ২৬ বছৰ শিক্ষকতা কৰাৰ পাছতো পাৰিশ্ৰমিকৰ নামত এটা টকাও নোপোৱা বিষয়টোৱে সম্প্ৰতি অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

দুৰ্ভগীয়া শিক্ষয়িত্ৰীগৰাকীৰ পুত্ৰ তথা টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চিন্টুমণি চক্ৰৱৰ্তীয়ে মাতৃৰ বেদনা সহ্য কৰিব নোৱাৰি আৱেগিকভাৱে কয়, 'শিক্ষকতাৰ দৰে মহান বৃত্তি এটাত ত্যাগৰ গুৰুত্ব অপৰিসীম। মহান বৃত্তি হ'ল বুলিয়েই জানো এগৰাকী শিক্ষকৰ ঘৰ-পৰিয়াল নাথাকে? পৰিয়াল প্ৰতিপালনৰ গধুৰ দায়িত্বভাৰ জানো শিক্ষকৰূপী সেই মাতৃগৰাকীৰ নাই? তেওঁৰ সন্তান, স্বামী, ঘৰৰ অন্য পৰিয়ালে জানো তেওঁৰ পৰা কিছু হ'লেও আশা নকৰে? সকলোৱে সকলো জানে, নজনা কোনোৱেই নাই। সমবেদনা জনাব সকলোৱে। সেয়া আমি বেয়া নাপাওঁ। বেয়া পাবলগীয়া কথাও নহয়; কিন্তু জীৱনভৰ কৰা ত্যাগৰ বিনিময়ত তেওঁৰ মজুৰি হ'ল আবেগিক বিদায় সভা এখন। মোৰ মা, তেওঁ পালে মাথোঁ প্ৰতাৰণা। ২৬ বছৰত এটকাও নোপোৱাকৈ তেওঁ ভেঞ্চাৰ শিক্ষয়িত্ৰীৰূপে বিদায় লোৱাটোৱেই জানো তেওঁৰ জীৱনৰ সকলোতকৈ ডাঙৰ প্ৰাপ্তি.....? মোৰ মা, অৰ্থৰ প্ৰতি মোহ নোহোৱা প্ৰকৃতিৰ মানুহ; কিন্তু মায়ে বিচাৰিছিল এটা মৰ্যাদা, চৰকাৰী বিদ্যালয়ৰ নিয়মীয়া শিক্ষকৰ মৰ্যাদা। তেওঁ মনে প্ৰাণে বিচাৰিছিল অৱসৰৰ আগমুহূৰ্তত হ'লেও এই মৰ্যাদাৰ অংশীদাৰ হ'বলৈ; কিন্তু তেওঁ সিমানখিনি ভাগ্যবান হয়তো নহ'ল। যাৰ কাৰণে হয়তো তেওঁৰ লগৰ সকলোৱে চৰকাৰী শিক্ষক নাম পালে; মাথোঁ মোৰ মা ৰৈ গ'ল ভেঞ্চাৰ শিক্ষকৰূপে।' আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীয়ে কয় যে সকলো যোগ্যতা থকাৰ পাছতো তেওঁৰ চাকৰিটোৰ নিয়মীয়াকৰণ নহ'ল। চৰকাৰী মেৰপেছত পৰি হয়তো চৰকাৰৰ ঘৰত অযোগ্য হৈ ৰাইজক যোগ্যতাৰ প্ৰমাণ দি দি ভাগৰি পৰিল। মানসিকভাৱে ভাগৰি পৰিলেও কিন্তু তেওঁ হাৰি উঠিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি বিশ্বাস ৰাখি যুদ্ধখন চলাই গ'ল। যিগৰাকী নাৰীয়ে ২০১৭তেই অৱসৰ পাইছে, তেওঁ আজি ২০২২লৈ বিদায় নোলোৱাকৈ থাকিল। ১৯৯৪ৰ পৰা ২০১৭লৈ তেওঁ নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি গ'ল। বিনা বেতনে ছাত্ৰ-ছাত্ৰীক মানৱসম্পদৰূপে গঢ়াৰ কামত নিয়োজিত হৈ অক্লান্তভাৱে ২৬ বছৰীয়া শিক্ষকতাৰ জীৱনত চৰকাৰৰ ঘৰৰ পৰা ফুটাকড়ি নাপালেও সহ-শিক্ষক, শিক্ষাৰ্থীৰ পৰা পোৱা মৰম-আদৰ-চেনেহ আৰু শ্ৰদ্ধাভক্তিয়েই যেন তেওঁৰ শেষ প্ৰাপ্তি। দুৰ্ভগীয়া শিক্ষয়িত্ৰীগৰাকীৰ চকুত এতিয়া কেৱল পানী। বহু কথা বহু ব্যথা বুকুত গুজৰি-গুমৰি আছে যদিও আবেগিকভাৱে কোনো কথা ক'ব নোৱাৰিলেও বিদায় সভাখনত নিজৰ ভাষণত তেওঁৰ দৰে কোনো লোকৰ এনেকুৱা দুৰ্ভোগ-দুৰ্দশা নহওক, তাকে কামনা কৰে। এই কথা শুনি বিদায়ী সভাখনত উপস্থিত থকা সকলোৱে চকুলো সেমেকি উঠা পৰিলক্ষিত হয়। উল্লেখ্য যে আজি উক্ত বিদায় সভাখন সঞ্চালনা কৰিছিল গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গৌতম হালৈয়ে।





## কৃষ্ণাইত বন বিভাগে জব্দ কৰিলে অবৈধভাৱে বালি সৰবৰাহ কৰা তিনিখন ডাম্পাৰ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২৯ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত অবৈধভাৱে সৰবৰাহ কৰা তিনিখন বালিভৰ্তি ডাম্পাৰ জব্দ কৰে বন বিভাগে। কৃষ্ণাই নৈৰ পৰা চালানবিহীনভাৱে বালি কঢ়িয়াই লৈ গুৱাহাটী অভিমুখে গৈ থকা সময়তে কৃষ্ণাই বন বিভাগে এক বিশেষ সূত্ৰৰ পমখেদি জ্যোতিনগৰ অঞ্চলত তিনিখনকৈ বালিভৰ্তি ডাম্পাৰ জব্দ কৰে। বন বিভাগে জানিবলৈ দিয়া মতে, আজি এএছ-০৯ এচি-৩৯০৫ আৰু এএছ-০৯ এচি-৩৯১৪ নম্বৰৰ ডাম্পাৰ দুখন কৃষ্ণাই নৈৰ পৰা চালানবিহীনভাৱে বালি কঢ়িয়াই গৈ থকা সময়তে জ্যোতিনগৰত জব্দ কৰে। আনহাতে, এএছ-০১ পিচি-২৪৯৭ নম্বৰৰ বালিভৰ্তি ডাম্পাৰখন যোৱা পৰহি বন বিভাগে অভিযান চলাই জব্দ কৰিছে। উক্ত ডাম্পাৰখন চালানবিহীনভাৱে বালি কঢ়িয়াই গুৱাহাটী অভিমুখে গৈ থকা সময়তে বন বিভাগে অভিযান চলাই জব্দ কৰে।

ADMISSION IS GOING ON
(Session : 2022-23)
আনন্দৰাম বৰুৱা একাডেমি ডিগ্ৰী কলেজ, পাঠশালা
ANUNDORAM BOROOAH ACADEMY DEGREE COLLEGE, PATHSALA
Pathsala, Bajali, Assam, 781325
● B.Sc. In PHYSICS, CHEMISTRY, BOTANY ZOOLOGY
● B.Sc. IT (Information Technology)
● BPT (Bachelor of Physiotherapy)
● B.A. In ENGLISH, ASSAMESE, ECONOMICS EDUCATION, PHILOSOPHY, GEOGRAPHY, SOCIOLOGY, POLITICAL SCIENCE
● B.COM.
CBCS CURRICULUM FOR B.A., B.SC. & B.COM. COURSES
SALIENT FEATURES
▪ Experienced Faculty Members ▪ Intensive Individual Care
▪ Result Oriented Approach ▪ Up-to-Date Study Materials
▪ State of the Art Library ▪ Well Equipped Laboratory
Separate Hostel Facilities for Boys and Girls available

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com